
# সাহিত্যম



সম্পাদক
দেবেশ দাস

মুখ্য সম্পাদক
ড° পৰিতোষ চক্ৰৱৰ্তী

# সাহিত্যম

(গোৱালপৰীয়া আৰু অন্যান্য কবিৰ বিশেষ কাব্য সংকলন)

মুখ্য সম্পাদক

**ড০ পৰিতোষ চক্ৰৱৰ্ত্তী**

সম্পাদক

**দেৱেশ দাস**

**সাহিত্য চৰ্চা কেন্দ্ৰ, অসম**

**গুৱাহাটী**

A collection of Assamese poetry Edited by Debesh Das & Published by Sahitya Charcha Kendra, Assam. Chief Editor: Dr. Paritosh Chakraborty

First Edition: 1st October, 2022
ISBN: 978212345584
Price: Rs. 200/-

**প্ৰথম প্ৰকাশ ঃ ১ অক্টোবৰ, ২০২২**

**প্ৰকাশকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত**
স্বত্বাধিকাৰীৰ লিখিত অনুমতি অবিহনে এই গ্ৰন্থৰ কোনো অংশৰে কোনো ৰূপত পুনৰ উৎপাদন বা প্ৰতিলিপি কৰিব নোৱাৰিব। এই চৰ্ত উলংঘন কৰিলে উপযুক্ত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মূল্যঃ ২০০ টকা**
**বেটুপাতঃ ৰতন কুমাৰ ৰায় হাজং**
**প্ৰকাশকঃ ড০ ভৱেশ দাস, যুটীয়া সম্পাদক, সাহিত্য চৰ্চা কেন্দ্ৰ, অসম**
**মুদ্ৰকঃ**

# সভাপতিৰ একলম

আহিনৰ আগমন হ'ল ।

আকৌ আহিল মনোমোহা মধু ঋতু-শৰৎ। শৰতক সামৰি কত সৃষ্টি, কত কথা, কত কবিতা, কত যে গান! শৰতে কঢ়িয়াই আনে আমালৈ অনাবিল সুখ-আনন্দ। চৌদিশে যেন এক মধুময় ৰূপ। বাৰিষাই শীৰ্ণ-জীৰ্ণ কৰা প্ৰকৃতিৰ ৰূপক শৰতে নতুন পৰশেৰে সজাই- কচাই নতুন ৰূপেৰে জ্যোতিৰূপা কৰি তোলে। শৰতৰ আহ্বানত নাতিশীতোষ্ণ পৰিৱেশ, ফৰকাল বতৰ, নিৰ্মল আকাশ, শুকুলা ডাৱৰ, নৈৰ পাৰত হালি-জালি ৰৈ থকা কঁহুৱা বন, সাগৰৰ দৰে নীলা দুবৰি বনত নিয়ৰ, শেৱালিৰ সুবাস, চৌদিশ স্নিগ্ধতা আৰু শীতলতাৰ আৱেশ, নম্ৰতা-পৰিত্ৰতা, সঁজাল ধৰা সেউজীয়া পথাৰখনে বাৰে বাৰে হাত বাউলি মাতে - এনে পৰিৱৰ্তনৰ এক নতুন আৱেশ সৃষ্টি কৰি আদৰি অনা প্ৰকৃতিৰ অপৰূপা ৰূপৰ বাবে শৰৎ ঋতুক 'ঋতু ৰাণী' বুলি অভিহিত কৰা হয়।

শৰৎ সৃষ্টিৰ আকৰ, প্ৰতিশ্ৰুতিৰ ঋতু, দিয়ে সৃষ্টিশীলতা আৰু সম্ভাৱনাৰ অনুভৱ। সেয়ে শৰৎ ঋতু অনুপ্ৰেৰণাৰ প্ৰতীক, এক আৱেগময় পৰিৱেশ। ইয়ে আমাক সদায় স্মৃতিকাতৰ কৰি তোলে।

শৰতে আমাৰ সকলোৰে দুখ-দৈন্য, অশান্তি আদি আঁতৰ কৰি সকলোলৈকে সুখ, শান্তি, অনাবিল আনন্দ কঢ়িয়াই আনক তাকেই আন্তৰিকতাৰে কামনা কৰিলোঁ ।

পুনশ্চঃ

এই শৰতক আদৰিবলৈ সাহিত্য চৰ্চা কেন্দ্ৰ, অসমে বৰ্ণাঢ্য আয়োজন কৰিছে 'শৰতৰ দুপৰীয়া'ৰ 'গীতে-মাতে গোৱালপাৰা'- শীৰ্ষক নামকৰণেৰে। ইয়াৰ মুখ্য পৃষ্ঠপোষক ৰূপে থিয় হৈছে সাহিত্য চৰ্চা কেন্দ্ৰৰ অন্যতম কাণ্ডাৰী ড০ ভৱেশ দাস ।

এই আয়োজনক অধিক সমৃদ্ধ কৰি তোলাৰ প্ৰয়াসেৰে আমাৰ এই সাহিত্য চৰ্চা কেন্দ্ৰ, অসম গোটটোৰ সতীৰ্থসকলৰ কাব্য সৃষ্টিৰ যি অনন্য প্ৰতিভা-- তাক আশাসুধীয়াকৈ সামৰি প্ৰকাশ কৰিবলৈ বিচৰা হৈছে 'সাহিত্যম' শীৰ্ষক

বিশেষ কাব্যগ্ৰন্থ । এই প্ৰচেষ্টাৰ আঁৰৰ মূল মানুহগৰাকীয়ে হ'ল আমাৰ গোটৰ আনজন মুখ্য কাণ্ডাৰী ড০ পৰিতোষ চক্ৰৱৰ্তী ।

এইবেলি 'সাহিত্যম' এই গ্ৰন্থখন কেৱল কবিতাৰে সমৃদ্ধ । অসমৰ ভালেকেইজনমান আগশাৰীৰ কবিৰ লগতে, সাহিত্য চৰ্চা কেন্দ্ৰ, অসমৰ সদস্য আৰু গোৱালপৰীয়া কবিৰ কবিতাৰে সজাবলৈ মন মেলিছে।

কবিতা মানুহৰ চিন্তাৰ ছন্দোময় প্ৰকাশ; কবিৰ হৃদয়নিহিত ভাৱৰ মূৰ্ত্ত প্ৰকাশ, কলাত্মক সৃষ্টি ।

কবিতাত যি ভাৱ আৰু কল্পনাৰ প্ৰকাশ হয় সেয়া কবিজনৰ প্ৰশস্ত মানস দিগ্বলয়ত কোনো পূৰ্ব পৰিকল্পিত ছবি-- ফ্ৰেম এটাৰ মাজত অঁকা নাথাকে। ৰচনাৰ লগে লগে স্বতঃস্ফুৰ্তভাৱে এনে কিছুমান বিষয় আহি যায় যি, তেওঁৰ ভাৱত হয়তো নাছিলেই। কবিৰ অগোচৰত এনে বাক্যখণ্ড ওলাই আহি সৃষ্টিৰ ৰূপত অভিনৱত্ব প্ৰদান কৰে। উপমা চিত্ৰকল্পবোৰে বহুতল বিশিষ্ট হীৰা টুকুৰা এটাৰ দৰে জিকমিকাই উঠি অৰ্থগৌৰৱ বিচ্ছুৰিত কৰিব ধৰে। এনেদৰেও কবিতাত প্ৰতিফলিত হয় প্ৰাণস্পন্দন আৰু জীৱনৰ উত্তাপ। প্ৰাচীন কালত হয়তো ইয়াকে দৈৱ প্ৰেৰণা বুলিছিল।

কোনটো শব্দ ৰাখিব অথবা কোনটো বাদ দিব, ক্ৰমান্বয়ে স্পষ্ট হৈ উঠা ৰূপ কল্পনাটিৰ প্ৰাসঙ্গিক আৱেদনে পাঠকৰ মনত কেনে ক্ৰিয়া কৰিব, ক'ত ছন্দভঙ্গ হ'ল, ক'ত অপসুৰৰ অনুপ্ৰৱেশ হ'ব পাৰে এনে কথাবোৰে কৰিব পৰা ক্ৰিয়া প্ৰতিক্ৰিয়াৰ বিষয় আদিৰ প্ৰতি সতৰ্ক হৈ থাকে। সেয়েহে সৃষ্টি আৰু গ্ৰহণ-বৰ্জনৰ পৰীক্ষা-নিৰীক্ষা একেধাৰে চলি থাকে। শব্দবোৰ হাতৰ তলুৱাত লৈ স্পৰ্শ কৰি নাকেৰে ঘ্ৰাণ লৈ দাঁতেৰে কামুৰি, জিভাত দি, তালুত লগাই সকলো প্ৰকাৰৰ সোৱাদ লৈ সন্তৰ্পণে কবিতাটোত সিঁচি দিয়ে ।

কাব্য সৃষ্টিৰ সুস্থ ধাৰাটোৰ প্ৰতি দৃষ্টি ৰাখি বিশেষকৈ আমাৰ সাহিত্য চৰ্চা গোটৰ গুণী-জ্ঞানী সতীৰ্থসকলৰ কাপেৰে নিৰ্গত হোৱা এনে নিৰ্বাচিত কবিতাৰ এক সংকলন হৈছে 'সাহিত্যম'।

সাহিত্য চৰ্চা কেন্দ্ৰৰ প্ৰতিজন সতীৰ্থ আৰু 'সাহিত্যম'ৰ জন্মৰ আঁৰৰ প্ৰতি গৰাকী বিদ্বৎ ব্যক্তিলৈ আমাৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ ।

**কুমাৰ দীপক দাস**

গুৱাহাটী

*সভাপতি*

২০/৯/২০২২ সাহিত্য চৰ্চা কেন্দ্ৰ, অসম

## এই সংখ্যা সজাইছে


- কবিতা আৰু আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প /
  ড০ পৰিতোষ চক্ৰৱৰ্তী /
- কবিতাঃ এক অনুভৱ / ড০ মঞ্জু দেৱী পেগু /
- কবিতত চিত্ৰকল্প, সাহিত্য চৰ্চা কেন্দ্ৰ আৰু সাহিত্যম / ড০ ভৱেশ দাস /
- সাহিত্য চৰ্চা কেন্দ্ৰ আৰু ধূপধৰা গ্ৰন্থমেলা / নৱকুমাৰ মিশ্ৰ /
- মোৰ ঘৰৰ মজিয়াত / নৰেন বৰুৱা /
- জীৱন-এষণা / ফনীন্দ্ৰ কুমাৰ দেৱচৌধুৰী /
- অনুভৱ তুলসীৰ দুটা কবিতা /
- মৃত্যুৰ ইপাৰে সিপাৰে / ড০ নন্দ সিং বৰকলা /
- সোণালী বৈভৱ / ফণীভূষণ দাস /
- জয়ন্ত বল্লভ শৰ্মাৰ দুটা কবিতা /
- পদ্মবাহাদুৰ গুৰুঙৰ দুটা কবিতা /
- অনুপমা বসুমতাৰীৰ দুটা কবিতা /
- জালুকবাৰীত গধূলি / অতনু ভট্টাচাৰ্য /
- বিমল বাঢ়ৈৰ একুকি কবিতা /
- কৌস্তুভমণি শইকীয়াৰ দুটা কবিতা /
- অস্বীকৃতি / প্ৰণবেন্দ্ৰ শৰ্মা /
- মোৰ পলম হৈছিল / ডাঃ শৰৎ চন্দ্ৰ ৰাভা /
- শৰতৰ চিম্ফ নি / প্ৰহ্লাদ বড়ো /
- ৰুদ্ৰ সিংহ মটকৰ দুটা কবিতা /
- নিৰ্মল কোচৰ দুটা কবিতা /
- নিজা কামৰ শুভাৰম্ভণি হওক / গজেন মিলি/
- তুমি পুনৰ আহিবা / ডাঃ হেমন্ত কুমাৰ গোস্বামী /
- কথাৰ সিন্ধু মথি / ড০ সোমনাথ বৰা /
- আধৰুৱা কাহিনীৰে এদিন.../ এডোৱাৰ্দ স্তেদি সাংমা /

- কিহৰ ৰাগিত তুমি আদিৰ পৰা ইত্যাদিলৈ / নিৰলা ইংহিপী /
- মনোজ কুমাৰ দেওৰজাৰ দুটা কবিতা /
- হেজাৰবোৰ উচ্চ শব্দ / কবীন্দ্ৰ ডেকা /
- তোমালৈ চিঠি / জয়চন্দ্ৰ নাথ /
- পহু / যশোৱন্ত নিপুণ /
- জুৰি ভট্টাচাৰ্যৰ দুটা কবিতা /
- বন্ধক / জাহ্নৱী ভূঞা /
- বাকৰুদ্ধ / সূৰ্য্য শৰ্মা /
- বুকুৰ যন্ত্ৰণা / সতীন্দ্ৰ হাজং /
- ভ্ৰম নহয়নো কি / দৈব্যা নাথ /
- সময় / পবিত্ৰ কুমাৰ নাথ /
- চহৰখন গাঁৱলৈ লৈ নাহিবা / ৰণ্জিত গগৈ /
- অনা অসমীয়া / দ্বীপৰাজ /
- হঠাৎ ৰাৱণ হঠাৎ শান্তি / ধীমান বৰ্মন /
- কুমাৰ বিভূতিৰ দুটা কবিতা /
- যুদ্ধৰ পাছৰ দিনবোৰ / মানস প্ৰতিম দত্ত /
- ড০ ৰিমঝিম বৰাৰ দুটা কবিতা /
- পাহৰাৰ গান / প্ৰাঞ্জল প্ৰতীম /
- সহানুভূতিৰ হাত / চফিক্ উজ জামান /
- গিৰিশ দাসৰ দুটা কবিতা /
- ঊষাৰৰ ফচল / দীপক শৰ্মা মেধি /
- গোপাল শৰ্মাদুটা কবিতা /
- হোমেন বৰগোহাঞিৰ প্ৰশস্তি / হৰগোবিন্দ দাস /
- এদিন জোনাকী ৰাতি কবিতা আৰু মই / মদন দাস /
- কাইলৈ নিজৰ বাবে ভাবিম / ৰাধেশ্যাম নাথ /
- ঘৰ / জগবন্ধু কলিতা /
- অভিশপ্ত দিনবোৰ / মুবীন ৰাভা /
- শাৰদী প্লাৱন / ডাঃ জয়ন্ত দাস /
- চিয়াঁহী / দিপালীমা দত্ত /
- উজনিৰ উক্তি / গিৰিজা শৰ্মা /
- কবি নীলমনি ফুকনৰ প্ৰতি/ গীতাৰ্থী ঠাকুৰ/

- নাৰী-সত্ত্বাৰ ছবি / গায়ত্ৰী চক্ৰৱৰ্তী শৰ্মা/
- এটি শব্দৰ সন্ধান / বিপুল নাথ /
- বিক্ৰমাদিত্য আৰু বেতাল কথা / ৰাজীৱ দত্ত /
- জুমি ভূএঞা বৰাৰ দুটা কবিতা /
- জুৰি শৰ্মাৰ দুটা কবিতা /
- চুটি হৈ আহে অকস্মাৎ/ ঋপুঞ্জয় বৰুৱা ঋমন /
- এদিন মহম্মদক বিচাৰি / ত্ৰিদীপ ৰায় /
- পুৰণি কাৰ্যালয়ৰ কাষেৰে এপাক / ৰমেশ চন্দ্ৰ ৰায় /
- উৎসৱৰ ৰাতি / প্ৰতিমা ৰাজবাৰ /
- পাৰাৰ ষ্টিয়াৰিং গাড়ীখন / জগন্নাথ কলিতা /
- চেঁচা চেঁচা / ধীৰেন্দ্ৰ কুমাৰ নাথ /
- ভিজা ভিজা আকাশ / ড০ দিলুৱাৰা বেগম /
- বেসুৰীয়া গাঁথাৰ মালিতা / ছোনীয়া ৰাভা /
- মনৰ কৰনিত সপোনৰ ৰহঘৰা / ৰীণা সূত্ৰধৰ কলিতা /
- হেঁপাহ / জ্যোৎস্না নাথ /
- ভোক / ৱাহিদৰ ৰহমান /
- আমাৰ চোতাল সূৰ্য্যদীপ্ত / আলাউদ্দিন আল আমিন /
- নিৰুদ্দিষ্ট কোনো গান / ইপুল হুছেইন /
- নক'বাচোন তুমি আবেলিৰ বেলি বুলি / অনুপমা শৰ্মা /
- বিপ্লৱী / অচ্যুত কলিতা /
- স্তৱক / সাধনা পাঠক /
- অকলশৰীয়া নহ'বলৈ / মনীষা নাথ /
- শংকা আৰু অন্যান্য / অন্না দেৱী /
- ভীৰু নহয় মই বীৰু / ৰূপা সূত্ৰধৰ /
- খোজ /পংকজা দাস /
- এপলক যাযাবৰী চাৱনি / শ্বাহিদ ইছলাম /
- প্ৰেম অপ্ৰেম / ওৱাসিফ আলী /
- সংগ্ৰাম/ চিত্ৰা কলিতা মেধি /
- অনুভৱৰ এক পাহাৰ / অনিমা পাটগিৰি নাথ /
- সূৰুযমুখী হাঁহি / জেছমিন চুলতানা /
- শীতৰ শেমেকা ৰাতি / অঞ্জলি শৰ্মা /

- এটি কবিতাৰ অনন্ত প্ৰতীক্ষাত / দীপিকা হাজোৰাৰী /
- সান্নিধ্য / ড০ কুশল হাজৰিকা /
- শিক্ষক / জাহ্নুদেৱ কলিতা /
- কবিতা লিখাৰ কথকতা / ড০ পৰিতোষ চক্ৰৱৰ্তী /

# কবিতা আৰু আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প

**ড০ পৰিতোষ চক্ৰৱৰ্তী**

অসমীয়া কবিতা,অসমীয়া সাহিত্যৰ ক্ষেত্ৰত বহুত শতিকা জোৰা ঐতিহ্য-পৰম্পৰাৰ বাহক আৰু ধাৰক। ইয়াৰ মাজতে ঐতিহাসিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক তথা সাংস্কৃতিক পটভূমিত কবিতাৰ ৰং-ৰূপ সলনি হৈছে--যি তেনেই স্বাভাৱিক। এনেকুৱা পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত আধুনিক অসমীয়া কবিতাই নিজৰ স্বকীয় বৈশিষ্ট্য নাইবা প্ৰাণশক্তি আহৰণ কৰিছে।

এটা কথা অনস্বীকাৰ্য্য যে অসমীয়া কবিতা আলোচনীৰ ওপৰত নিৰ্ভৰ কৰি গঢ় লৈ উঠিছে। ভৱানন্দ দত্তৰ ১৯৫৪ চনত প্ৰকাশ পোৱা 'অসমীয়া কবিতাৰ কাহিনী' বোধহয় প্ৰথমখন অসমীয়া কবিতা সমালোচনা গ্ৰন্থ। অন্যথাই আলোচনীৰ পৃষ্ঠাতেই প্ৰথমতে কবিতা আলোচনা-সমালোচনা বিষয়টো পাইছোঁ। ভৱানন্দ দত্তৰ গ্ৰন্থখনৰ পাছত এতিয়ালৈকে অৱশ্যে শতাধিক অসমীয়া কবিতাৰ সমালোচনামূলক গ্ৰন্থ প্ৰকাশ পাইছে। এওঁলোকৰ আলোচনাত কবিতাৰ গতি-প্ৰকৃতি, গঠন বিষয়ক বিভিন্ন বিষয়বস্তুৰ অৱতাৰণা কৰা হৈছে হয় , কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ বিষয়টো তেনেকুৱা বিস্তৃত আলোচনা হোৱা নাই। এনেকুৱা পৰিপ্ৰেক্ষিতত ইমদাদ্ উল্লাহৰ 'সৃজন আৰু মনন' (১৯৭৭ চন) লগতে 'কবিতাৰ সবিশেষ' (১৯৮৩ চন), কবি দিলীপ বৰুৱাই আকৌ 'পঞ্চ দশকৰ কবিতাৰ পৰম্পৰা' (১৯৯১ চন) কিতাপখনত প্ৰতীকবাদৰ বিষয়ক কিছু আলোচনা কৰিছে । ড০ হীৰেন গোহাঁই ছাৰৰ 'কবিতাৰ বিচাৰ আৰু সমালোচনা' (১৯৮৬ চন) তাৰ পাছত ১৯৯৪ চনত

ড০ হীৰেন গোহাঁই ছাৰৰ 'সাগৰতলীৰ শঙ্খ' কিতাপখনত বিশেষকৈ নীলমণি ফুকনৰ কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ বিষয়ে পুঙ্খানুপুঙ্খ আলোচনা আগবঢ়াইছে। ইয়াৰ পাছত ১৯৯৯ চনত প্ৰকাশ পোৱা হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যাপিকা ড০ লোপা বৰুৱাৰ 'আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প' এখন সুন্দৰ গ্ৰন্থ।

ফ্ৰান্সৰ প্ৰতীকবাদী আন্দোলন ইংৰাজী গ্ৰন্থৰ পৰা জানিব পাৰি। এইখিনিতে আমাৰ 'সাহিত্য চৰ্চা কেন্দ্ৰ, অসম'ৰ সদস্য তথা বন্ধু কবিসকলোলৈকে এনেবোৰ গ্ৰন্থ অধ্যয়ন কৰি হোৱা ধাৰণাৰে ক'ব খোজা কথাখিনি-

ক) আধুনিক কবিতা কি? আধুনিক কবিতাৰ চৰিত্ৰ বা বৈশিষ্ট্য কেনেকুৱা?

খ) আধুনিক কবিতাৰ ঐতিহাসিক পটভূমি।

গ) কবিতাৰ কাব্যিক ৰস বিচাৰত প্ৰতীক, চিত্ৰকল্পৰ ভূমিকা বাধ্যতামূলক নে নহ'লেও হ'ব-- এইটো বিষয় দৰকাৰী।

ঘ) আগশাৰীৰ বা পূৰ্বৰ কবিসকলৰ কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰৰ বিষয়ে আমি ভাৱিছোনে,ভাৱিব লাগে নে নালাগে।

ঙ) ৰাষ্ট্ৰীয় পৰ্যায়ৰ কিমানজন কবিৰ কবিতা আমি পঢ়িছোঁ, আমি জানো।

চ) ইংৰাজী ভাষা সাহিত্যৰ জ্ঞান থকাসকলৰ কথা বেলেগ, আমি সাধাৰণ পাঠক হিচাপে অসমীয়া ভাষাত আলোচনা হোৱা পাশ্চাত্যৰ সাহিত্যৰ সম্যক জ্ঞান লাভ কৰিবলৈ চেষ্টা কৰা কথাটো।

এজন পাশ্চাত্য পণ্ডিত ক্ৰিষ্টোফাৰ ক'ডৱেল ( Christopher Caudwell)ৰ মতে--'আধুনিক শব্দটোৱে ইউৰোপত আৰম্ভ হোৱা আৰু পোন্ধৰ শতিকাৰ পৰা সমগ্ৰ বিশ্বজুৰি বিয়পি পৰা সামগ্ৰিক সাংস্কৃতিক ধাৰণাটোকেই আধুনিক বুজোৱা ৰূপটোকেই বুজায়'।

কবিতাৰ ক্ষেত্ৰত অকল ভাষাৰ কেৰেক্টাৰিসটিক্সবোৰ অৰ্থাৎ বৈশিষ্ট্যবোৰেৰে আধুনিক নাইবা ক্লাছিকেল (পৌৰাণিক) কথাটো নিৰ্ণয় কৰিবলৈ অসুবিধা। ৰবীন্দ্ৰনাথ ঠাকুৰৰ মতে--- সময়তকৈ ভাৱৰ ওপৰতহে আধুনিক শব্দটো নিৰ্ভৰশীল। এখন প্ৰৱাহমান নদীয়ে বৈ থাকোঁতে হঠাৎ তাৰ গতিৰ পৰিৱৰ্তিত ৰূপ এটা আমাৰ দৃষ্টিগোচৰ হয়। ই স্বাভাৱিক। সাহিত্যৰ ক্ষেত্ৰতো তেনেদৰে একেই ভাৱ-চিন্তাৰ প্ৰকাশ নঘটি অন্য ৰূপ লয়। কাৰণ বিশেষ এটা চিন্তা যিহেতু স্থায়ী হ'ব নোৱাৰে, হোৱা সম্ভৱ নহয়। যুগ-চিন্তাৰ পৰিৱৰ্তনে গতানুগতিকতাৰ মাজলৈ যি পৰিৱৰ্তন আনে, সেয়াই আধুনিক। আনহাতে ভিন্ন ধৰ্মীয় কিতাপ-পত্ৰ পঢ়িও এনেকুৱা, অৰ্থাৎ কোন আধুনিক, কিয় আধুনিক-- ইয়াৰ সঠিক চিহ্ন উলিওৱা কঠিন কাম। বুদ্ধদেৱ বসুৱে (১৮০৮-১৯৭৪) ৰবীন্দ্ৰনাথৰ পৰৱৰ্তীকালৰ বাংলা সাহিত্যলৈ পৰিৱৰ্তন অনা, নতুন সুৰৰ সৃষ্টি কৰা কবিসকলক আধুনিক কবি হিচাপে আখ্যা দিছে। কথাটো অৱশ্যে সম্পূৰ্ণ শুদ্ধ নহয়, আমাৰ মতে।

পাশ্চাত্য সাহিত্যত শ্বেইকছপীয়েৰৰ ছনেট , নাটক আদি কৰি, জোন

ডান (১৫৭২-১৬৩১)ৰ ৰচনা নাইবা ৰবীন্দ্ৰনাথৰ অলেখ কাব্যত আধুনিকতা নাই, কোনোবাই মানি ল'বনে? আচলতে সকলো সময়তে, সকলো সমাজতে 'লাগিলে প্ৰাচ্য বা পাশ্চাত্য যিয়েই নহওক' নতুনক আদৰি লোৱাৰ এটা প্ৰৱণতা লক্ষ্য কৰা যায়। এটা কথা সকলোৱে মানি ল'ব যে--প্ৰতিটো যুগৰ কবি-সাহিত্যিকৰ সৃষ্টিয়ে সদায় নতুন সোৱাদ প্ৰদান কৰে। উদাহৰণ স্বৰূপে-- মহাকবি কালিদাসৰ কালজয়ী কাব্যৰ নিদৰ্শন 'মেঘদূতম' দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকালৰ সময়ৰ ছবি অঙ্কণ কৰিছে। ইয়াত ৰামগিৰিৰ পৰা আম্ৰকূট, অলকা পৰ্যন্ত উৰি যোৱা মেঘখণ্ডৰ মাজেৰে কালিদাসে ভাৰতবৰ্ষৰ যি এক ভৌগোলিক মানচিত্ৰ ডাঙি ধৰিছে, ৰসিক পাঠকৰ বাবে তাৰ মাজতে লুকাই আছে স্বপ্ন আৰু বাস্তৱ মিশ্ৰিত সেই সময়ৰ মাজত চিন্তাধাৰাৰ ব্যৱধান কল্পনাতীত। ইয়াতকৈ বহুত বেছি ব্যাখ্যাৰ প্ৰয়োজন নাই। অসমীয়া সাহিত্যৰ ক্ষেত্ৰত প্ৰায় কোৱা হয়,১৮৮৯ চনত জোনাকী কাকতৰ লগে লগে আধুনিক অসমীয়া সাহিত্যৰ জন্ম হয়। আচলতে জয়ন্তী (১৯৪৩ চন) আলোচনীখনতেই প্ৰথম আধুনিক আধুনিক অসমীয়া কবিতাৰ জন্ম হোৱা বুলি বুজিব লাগে। তথাপি বহুতবোৰ কথা আলোচনা নকৰি এটা কথা স্পষ্টভাৱে ক'ব পাৰি-- আধুনিক কবিতাই প্ৰথম মহাযুদ্ধৰ সময়ৰ পৰা আৰম্ভ কৰি অৱক্ষয়ৰ ইতিহাস কঢ়িয়াই আনিছে আৰু ৰোমাণ্টিক সুৰক একাষৰীয়া কৰি থৈ বাস্তৱতাক আদৰণি জনাইছে। গতিকে সময় বৃত্তৰ পৰিধি ভাঙি যিয়ে সাহসেৰে নতুন মূল্যবোধক সচেতন ভাৱে গ্ৰহণ কৰিব পাৰিছে তেৱেঁই আধুনিক আৰু এই মূল্যবোধ যি কবিতাত স্পষ্টভাৱে প্ৰকাশ পাইছে সিয়েই আধুনিক কবিতা হিচাপে-- নাম পোৱাৰ যোগ্য। আধুনিক আৰু আধুনিকতাবাদ সম্পৰ্কীয় আলোচনাই অৱশেষত বিংশ শতিকাৰ দ্বিতীয় দশকতহে ইয়াৰ সঠিক উত্তৰ পাবলৈ নাইবা বহুল অৰ্থত ব্যৱহাৰ হ'বলৈ ধৰিলে। ১৯২০ চনত আইজাক গ'ল্ডবাগে তেওঁৰ দ্বাৰা ৰচিত 'ষ্টাডিজ ইন স্পেনিছ আমেৰিকান লিটাৰাচাৰ'ত আধুনিকতাবাদ সম্পৰ্কে ক'লে--'ই কেৱল ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আৰম্ভণিৰ কাষ্টীলিয় আৰু ইবেৰো আমেৰিকান লেখকৰ একমাত্ৰ বৈশিষ্ট্য নহয়, বৰঞ্চ এই শতিকাটোৰ পশ্চিমীয়া চিন্তা জগতৰ এটি প্ৰাণৱন্ত চেতনাৰ স্ৰোত'। তেওঁ ইয়াকো কৈছে যে আধুনিকতাবাদক এটা স্কুল বুলি অভিহিত কৰিব নোৱাৰি। 'আধুনিক' শব্দটো ইয়াৰ লগত ৰজিতা খাই নপৰে। কিয়নো, ই আধুনিকতাবাদৰ অন্তৰ্নিহিত তাৎপৰ্য বহন কৰিবলৈ অপাৰগ, বৰঞ্চ ই কেইবাটাও আন্দোলনৰ সমাহাৰণ। পিছলৈ অৱশ্যে আধুনিকতাবাদে তাৰ দীৰ্ঘ পৰিক্ৰমাৰে মহাদেশীয় ৰূপ লাভ কৰি তাৎপৰ্যপূৰ্ণ ভূমিকা লাভ কৰিবলৈ সক্ষম

হৈছে।

**প্ৰতীকঃ** একোটা শব্দই যেতিয়া নিজৰ নিৰ্দিষ্ট কৰা অৰ্থৰ উপৰিও অন্য কিবা অৰ্থ প্ৰকাশ কৰে, লগতে শব্দটোৱে ভাৱ প্ৰকাশৰ ক্ষেত্ৰত অধিক ব্যঞ্জনা আনি দিয়ে তেতিয়াই সেইটো প্ৰতীক ৰূপত আখ্যায়িত হয়। কবিতাত প্ৰতীকে অৰ্থৰ বাহিৰেও ভাৱ-অনুভূতিৰ বিশেষ বাহক ৰূপেও কাম কৰে। প্ৰতীকবোৰ শব্দ অথবা শব্দপুঞ্জৰ প্ৰচ্ছন্ন অৰ্থযুক্ত ব্যঞ্জনাময় ৰূপ। ইয়াত শব্দটোৰ বাহ্যিক অৰ্থ গৌণ নাইবা ভিত্তিহীন, শব্দটোত নিহিত হৈ থকা অৰ্থটো সদায় অস্পষ্ট আৰু ব্যঞ্জনাময়। মানুহৰ কল্পনা শক্তি অপৰিসীম। আদিম অৱস্থাৰ পৰাই প্ৰকৃতিৰ লগত মানুহৰ সম্বন্ধ অতি নিবিড়। এনেকুৱা আত্মীয়তাৰে বৈসাদৃশ্যৰ মাজত সাদৃশ্য বিচাৰি কল্পনাপ্ৰৱণ মানুহে সাহিত্যত অলেখ অলঙ্কাৰ সৃষ্টি কৰিছে। কবিতাত প্ৰতীক, চিত্ৰকল্প, উপমা, ৰূপক তাৰেই উদাহৰণ। চিত্ৰকল্পবাদ প্ৰথমতে গঢ় লৈছিল ১৯১২ চনত। চিত্ৰকল্পবাদী সঙ্কলনসমূহৰ জৰিয়তে এই প্ৰক্ৰিয়া চলিছিল ১৯১৭ চনলৈকে। এজৰা পাউণ্ডৰ এই আন্দোলনৰ উদ্ভৱত প্ৰভূত বৰঙণি আছিল যদিও তেওঁৰেই পিছলৈ Wyndham Lewis ৰ সংৱৰ্তনবাদৰ স'তে ১৯১৪ চনত মৈত্ৰী স্থাপন কৰে। সম্ভৱতঃ ইয়াৰ কাৰণ আছিল সংৱৰ্তনবাদ পেইন্টিঙ, ভাস্কৰ্য আৰু সাহিত্যৰ আকৰ্ষণীয় সন্মিলিত ৰূপ। ক'ব লাগিব, এজৰা পাউণ্ডে আধুনিক কবিতা লেখাৰ ক্ষেত্ৰত কেবাটাও পদ্ধতি অৱলম্বন কৰিছিল। এই পদ্ধতিবোৰ বিকশিত হৈছিল, সমাদৃতও হৈছিল। তেওঁৰ সাফল্য আৰু কলাৰ বিস্তৃতি এটা দিশত মাত্ৰ সীমাবদ্ধ নহয়। সেয়ে এজৰা পাউণ্ড সমসাময়িক কবিসকলৰ ভিতৰত এজন সফল আৰু প্ৰভাৱশালী কবি ৰূপত স্বীকৃতি লাভ কৰিছিল। পাউণ্ডৰ চিত্ৰকল্পবাদী তত্ব আৰু পৰীক্ষা-নিৰীক্ষাৰ পৰিচয় থকা ভালেমান কবিৰ নাম মনলৈ আহে---- য়েটছ্, এলিয়ট, লৰেন্স, উইলিয়ামছ্, ৱলেছ ষ্টিভেন্স, ৰবাৰ্ট ফ্ৰষ্ট, মেৰিয়েন মূৰ, কাৰ্ল ছেণ্ডবাগ, হাৰ্ট কেনকে ধৰি বিংশ শতিকাৰ ইংগ-আমেৰিকান অন্যান্য প্ৰখ্যাত কবিসকলৰ নাম এই প্ৰসঙ্গত উল্লেখযোগ্য। কেইটামান উদাহৰণেৰে আলোচনা কৰিলে বিষয়টো স্পষ্ট হ'ব--

আধুনিক কবিতাত সাপক জ্ঞানৰ প্ৰতীক ৰূপত অঙ্কণ কৰা হৈছে-- জ্ঞান দিয়াৰ লগতে ইয়াৰ যন্ত্ৰণাও সমানে অৰ্থপূৰ্ণ। প্ৰতীকবাদী কবি ভেলেৰীয়ে (The Heritage of Symblism--Paul Vallery) সাপক প্ৰতীক কৰাৰ মাজেৰে ভগৱানকো প্ৰলুব্ধ কৰিব পৰা পাপীৰ গৰ্হিত কাম, জ্ঞানৰ উৎস আৰু লগে লগে বেদনা আৰু মৃত্যু। চেতনাক তেওঁ বাইবেলৰ সৰ্বৰূপী চয়তানৰ প্ৰতীকৰূপেও

ব্যৱহাৰ কৰা দেখা যায়। হেম বৰুৱায়ো তেওঁৰ কবিতাত ‘ধ্যানমগ্ন শিৱৰ উত্তাপত জ্বলা, জ্ঞান-গধূৰ তথ্যৰ চাৱনি’ সমৃদ্ধ এটা সোণালী সাপৰ কথা উল্লেখ কৰিছে--

‘তাৰ সোণালী গাটো আলফুলীয়াকৈ, অকাই পকাই সাপটো মোৰ কাষ চাপিছিল সি যেন বহুত দিনৰ কোনোবা অস্পষ্ট মধুৰ এক অতীতৰ চিনাকি অচিনাকিৰ দোমোজাৰ বন্ধু -এই সাপ জ্ঞানৰ প্ৰতীক। তেনেদৰে প্ৰাচীন সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি আস্থা ৰখা কবি হেম বৰুৱাই আধুনিক যুগ প্ৰত্যাহ্বানক সহজে গ্ৰহণ কৰিব নোৱাৰি শান্তিপূৰ্ণ এখন সমাজ ৰচনাৰ বাবে আগ্ৰহী হৈছে--

হেৰা শকুন্তলা
তোমাৰ আঙুলিৰ অগ্নিকণাৰে নুমাই দিয়া
ৰাজকাৰেঙৰ শলিতাৰ জুই
দুষ্মন্তৰ ভাগক স্বপ্ন

নগৰীয়া সভ্যতা, বিজ্ঞানৰ চৰম বিকাশত উৎসৰ্গিত মানুহৰ জীৱন আৰু সমাজৰ বিপৰীতে কবিয়ে কামনা কৰিছে এখন শান্তিকামী, প্ৰাচীন ঐতিহ্যময় সমাজ। মানৱসৃষ্ট সমস্যাৰে জৰ্জৰিত সমাজ কবিৰ কাম্য নহয়। আধুনিক অসমীয়া কবিতাৰ অন্যতম কবি হেম বৰুৱাৰ ‘পোহৰতকৈ এন্ধাৰ ভাল’ এটা সাৰ্থক প্ৰতীকধৰ্মী কবিতা। হেম বৰুৱাৰ কবিতাৰ মানসচিত্ৰ ‘প্ৰতীক বুজোৱা অৰ্থ’ সম্পৰ্কে ড০ মহেন্দ্ৰ বৰাৰ মন্তব্য--‘হেম বৰুৱাৰ কবিতাৰ আংগিকৰ বৈশিষ্ট্য হৈছে মানসচিত্ৰৰ এক সংগীতময় বিচিত্ৰ প্ৰকাশ’। তেনেদৰে নৱকান্ত বৰুৱাৰ ‘মনত পৰেনে অৰুন্ধতী’ এটা সাৰ্থক প্ৰণয় কবিতা। আনকি এটা প্ৰেমৰ পদ্য অভিধাৰেও বহুত কাব্য সঙ্কলনত নামংকিত কবিতাটোত বৰ্ষামুখৰ ৰাতিৰ এটি বিশেষ মুহূৰ্তত কবিৰ মনত জাগ্ৰত হোৱা গভীৰ ভাৱানুভূতিৰ বাঙ্ময় ৰূপ মূৰ্ত হৈ উঠিছে। কবিৰ মানসপটত উদ্ভাসিত হৈ উঠিছে যৌৱনৰ সোণালী ক্ষণৰ কেবাখনো মনোময় কল্পচিত্ৰ। কবিৰ বাবে সেই এটাই আছিল স্মৰণীয় উজাগৰী ৰাতি। বহুত দূৰ-দিগন্ত পৰিভ্ৰমণ কৰি অহা ভাগৰুৱা পখীয়ে এক লহমাৰ বাবে ক’ৰবাত নীড় বিচৰাৰ দৰেই কবিয়েও প্ৰিয়তমাৰ মনৰ অতিথিশালাত সেই বৰ্ষাস্নাত ৰাতি ক্ষণিকলৈ জিৰাব বিচাৰিছিল। কেচা টোপনিক জোকাই জোকাই সপোনে মায়াজাল ৰচা অনেক ৰাতিৰ মাজত সেই এটাই আছিল উজাগৰী ৰাতি, য’ত প্ৰিয়তমাৰ সঙ্গ-সুখ সান্নিধ্যত এটা জীৱন্ত সপোনে কবিৰ মনত ধীৰে ধীৰে পোখা মেলিছিল। কবিৰ মনৰ গহণ কোণত গোপনে নিৰ্মিত হৈছিল প্ৰেমৰ পঁজা। কবিৰ ভাৱৰ কি যে এক বাঙ্ময় প্ৰকাশ--

বহুতো আকাশ পাৰ হৈ অহা

ধুমুহা পখীৰ এটি লহমাৰ নীড়
বহুতো সপোন পাৰ হৈ অহা
কেঁচা টোপনিৰ ভীৰৰ মাজত
সেই এটা মাথোঁ
উজাগৰ ৰাতি,
মনত পৰেনে, অৰুন্ধতী

চমুকৈ ক'বলৈ হ'লে 'মনত পৰেনে, অৰুন্ধতী' কবি-মানসত সাৰ পাই উঠা প্ৰণয়ৰ গভীৰ নিৰ্যাস। ব্যক্তিগত উপমা আৰু মানসচিত্ৰৰ গাত ভেজা দি কবিয়ে এনে এখন চিত্ৰ অঙ্কণ কৰিছে, য'ত প্ৰতিভাত হৈছে বাৰিষাৰ এটি গধূলি। এহাল প্ৰণয়কাতৰ ডেকা-গাভৰুৰ একান্ত গোপনীয়তা। কবিতাটোৰ বিশেষ বৈশিষ্ট্য, তাত খোদিত হোৱা বহুত ব্যক্তিগত প্ৰতীকৰ চিত্ৰকল্পৰ অৰ্থ--ব্যাখ্যাৰ অতীত। অৰ্থ অৰ্থ বুলিলে হাহাকাৰ কৰা বিধৰ। 'সেমেকা পোহৰ', 'তোমাৰ খোপাৰ আবেলি আবেলি গোন্ধ', 'ভগা সপোনৰ অতনু বাধা', 'চুলিৰ মেঘত লাহি আঙুলিৰ বহুতো জোন', 'বৰফৰ দৰে চেচা পৰশ', 'ধুমুহা পখীৰ এটি লহমাৰ নীড়' ইত্যাদি কাব্যপংক্তি মূলতঃ ৰূপকধৰ্মী আৰু অভিব্যঞ্জনা বহুমুখী।

কবিতাত প্ৰতীক ব্যৱহাৰৰ ফলত কেতিয়াবা কবিতা বুজি পোৱা নাযায়। ৮০ / ৯০ৰ দশকৰ কথা, (আমাৰ স্পষ্ট মনত পৰে) অসমৰ ভালেমান কবিয়ে কবিতালৈ নতুন বাৰ্তা কঢ়িয়াই আনিছিল, প্ৰতীক ব্যৱহাৰৰ জড়িয়তে। অধ্যয়নশীল কাব্যমোদীয়ে, তদানীন্তন আগশাৰীৰ আলোচনীত এই কবিতাবোৰৰ ভূয়সী প্ৰশংসা কৰিছিল। নীলমণি ফুকন এওঁলোকৰ মাজত বিশেষ নাম। সূৰ্য্য হেনো নামি আহে এই নদীয়েদি, ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত, গোলাপী জামুৰ লগ্ন,ইত্যাদি। আন আন বহুতো এনেকুৱা কবিতা পুথিৰ কথা ক'ব পৰা যায়। আনহাতেদি এনেবোৰ কবিতা সৰ্বসাধাৰণ পাঠকে পঢ়ি বুজি নাপাই---জটিল, কঠিন, দুৰ্বোধ্য কবিতা, ইত্যাদি নঞৰ্থক শব্দৰে ঠাট্টা-বিদ্ৰূপ কৰি ভাল পাইছিল। আচলতে তেনেকুৱা কথা-কাম গৰিহণা পোৱাৰ যোগ্য। আমাৰ মতে,কবিতাৰ জয়-যাত্ৰাত এনেবোৰ মন্তব্য অশুদ্ধ ধাৰণা প্ৰসুত। কোনো কাৰণতে এইবোৰ কবিতা দুৰ্বোধ্য নহয়। হ'লেও দুৰ্বোধ্য কবিতা বুলি, তাক এৰাই চলাটো একেবাৰে সমিচীন নহয়। আনহাতেদি এগৰাকী কবিৰ কবিতা নপঢ়া মানে, বৃহত্তৰ কবি সমাজৰ বাবে ডাঙৰ ক্ষতি। ফৰাচী প্ৰতীকবাদৰ লগতে এলিয়ট আদি কবিৰ প্ৰভাৱ এইখিনিতে উল্লেখ কৰিব পৰা যায়। নীলমণি ফুকনৰ কবিতা বিষয়ক ড০ হীৰেণ গোহাঁইৰ (সাগৰতলীৰ শঙ্খ)গ্ৰন্থত নীলমণি

ফুকনৰ কবিতাৰ আলোচনা ইমানেই গভীৰতালৈ লৈ গৈছে , যি অসমীয়া কাব্য আলোচনাৰ বিৰল উদাহৰণ হৈ পৰিছে। গ্ৰন্থখনত স্পষ্টভাৱে কৈছে--'সমসাময়িক কবিসকলৰ ভিতৰত ফুকনৰ কবিতাই এক অনন্য মহিমা অৰ্জন কৰিছে। বাকীসকলৰ প্ৰতিভা বা দক্ষতাৰ গৌৰৱ আমি হ্ৰাস কৰিব খোজা নাই। কিন্তু নীলমণি ফুকনৰ কাব্যত এনে এক সমৃদ্ধি আৰু পূৰ্ণতা উপলব্ধি কৰোঁ, যি আমাৰ হৃদয়-মনত এক স্পন্দিত তন্ময়তা, এক বাঙ্ময় নীৰৱতা সঞ্চাৰ কৰে। আমাৰ অনুভূতি, আমাৰ জীৱনবোধত সি এক সৰস গাঢ়তা আনি দিয়ে'।

আমি দেখিছোঁ আজিকালি সকলোৱে কেৱল কবিতাৰ নামত কিবাকিবি লিখে। লিখে হয়, তাৰ একঘেয়ামি ৰূপ-গঠণে আমাক বাৰুকৈয়ে অৱসাদ বা ক্লান্তিকৰ এটা অৱস্থালৈ ঠেলি পঠিয়াই দিয়ে, বহুত আমনিদায়ক, বহুত অস্বস্তিকৰ এটা পৰিৱেশ, ফলত কবিতাক লৈ বহুত জনৰ বহুত বোৰ বেয়া লগা কথা। বিপৰীতে কবি নীলমণি ফুকনৰ কবিতা বুজিবলৈ, উপলব্ধি কৰিবলৈ লাগিব এটা সংবেদনশীল মন। কাৰণ কবিতা কেৱল বুদ্ধিৰে লেখা নহয়। তাত আছে চলমান জগতৰ অৰ্থাৎ আমাৰ দৈনিক জীৱনৰ বহুত ঘটনা-পৰিঘটনাৰ সম্প্ৰসাৰিত প্ৰতিক্ৰিয়া আৰু তাৰ অন্তৰ্লীন আবেগৰ প্ৰৱাহ। চিলিৰ কবি ভিচেন্টি হুইডব্ৰো (Vicente Huidobro) ই কোৱাৰ দৰে, তেওঁ বাস্তৱক কপি নকৰে। চিত্ৰকল্পৰ পাছত চিত্ৰকল্পৰ মালা গাঁঠি কাব্যিক সংবেদনশীলতাৰে বেলেগ বাস্তৱতা সৃষ্টি কৰে। আমাৰ কবি নীলমণি ফুকনৰ কবিতা লেখাটো কেৱল কবিতা লিখিবলৈ নহয়,কবিতা লেখাটো তেখেতৰ বাবে পূজা, আৰাধনা। মহা তপস্যা তুল্য-- তেখেতৰ কাব্য চৰ্চা।তেনেদৰে জি, এচ, ফ্ৰেজাৰৰ মতে-- (The modern in the world literature is simply that which appears in a troubled time to our troubled heart, (the Modern writer and his world) অৰ্থাৎ বিশ্ব সাহিত্যৰ বিচাৰত মানুহৰ বেদনাহত হৃদয় আৰু বিপদজনক সময়ৰ প্ৰতিফলন মাত্ৰ। আধুনিক শব্দৰ অভিধা সেইটোৱেই য'ত চিন্তাৰ নতুন সুৰ আৰু সৃষ্টিক নতুনকৈ সজোৱা হয়।

এইখিনিতে উল্লেখযোগ্য ১৯১২ চনত টি, ই, হিউমৰ মত অনুসৰি ৰোমাণ্টিক কবিতা 'কেৱল' অনুভূতিসুলভ লেখা বুদ্ধিমান পাঠকৰ বাবে বৰ ভাল লগা বিষয় নহয়। কিন্তু কবিতাৰ ভাষা মুৰ্ত আৰু সঠিক হ'ব লাগিব। এনেকুৱা এটা চিন্তাৰ ফলশ্ৰুতিত জন্ম দিছিল ইমেজিষ্ট বিদ্যালয়ৰ। এইখন বিদ্যালয়ৰ ছাত্ৰবোৰে তেওঁলোকৰ 'পোয়েটচ্ ক্লাৱ' ৰ জৰিয়তে পতা আলোচনাৰ বিষয় বস্তু মূলতঃ প্ৰতীকৰ লগতে চিত্ৰকল্পবাদৰ বিস্তৃৰ আলোচনা কৰাতো। খৃষ্টান ধৰ্মৰ প্ৰতি মানুহৰ

সন্দেহ জন্মাৰ সময়ত, উনবিংশ শতিকাত ফৰাচী দেশীয় কবিসকলে, এখন কল্পলোকৰ কথা কৈছিল, য'ত ধৰ্ম নাই বা ৰহস্যময় কোনো কথা নাই। সেইখন কবিতাৰ জড়িয়তে উপলব্ধি কৰা বৈচিত্ৰময়ী জগত। বাস্তৱৰ জগতখনৰ চিনাকি ৰূপৰ কিছু সালসলনি ঘটাই, আদৰ্শ কল্পলোক সৃষ্টি কৰাটোৱেই প্ৰতীকবাদীৰ অন্যতম লক্ষ্য আৰু উদ্দেশ্য। মালাৰ্মেই সেয়ে কৈছে,, আমাৰ কবিতাৰ মাধ্যমত পোনে পোনে ফুলৰ কথা নোকোৱাকৈ ফুলৰ অভিব্যক্তি বা সত্ত্বা জন্ম দিয়াৰ মজা লব খোজো। লগতে এইটোও কব লাগিব, এই ফুলৰ সত্ত্বা, কোনো বাস্তৱ ফুলৰ মাজত বিচাৰি নাপাব। প্ৰতীকবাদী কবিতা বুজি পাবলৈ কঠিন, কথাটো ইয়াতেই নিহিত হৈ থাকে। কবিতাৰ কল্পলোকত সেয়াও সম্পূৰ্ণ ৰূপ নাথাকে, বৰং অসম্পূৰ্ণ ৰূপক প্ৰতিনিধিত্ব কৰে। এনেদৰে প্ৰতীকবাদী কবিতা বা কবিতাত প্ৰতীক বিষয়ক বহুত দীঘলীয়া আলোচনা কৰিব পৰা যায়। প্ৰসঙ্গত এযাৰ কথা- ৰুচিবান পাঠকে অধ্যাপিকা ড০ লোপা বৰুৱা বাইদেউৰ 'আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প'গ্ৰন্থখন পঢ়িলে বহুত কথা জানিব পাৰিব। আমি সততে কৈ অহা এষাৰ কথা, সাম্প্ৰতিক সময় জটিল সময়। ইতিহাসৰ পৃষ্ঠাত পোৱা বহুত ভয়াবহ এন্ধাৰ যুগতকৈ সাম্প্ৰতিক সময় বহুত বেছি এন্ধাৰ। আধুনিক যুগ বা আধুনিক সময়ৰ এইটোৱেই বহুত দুৰ্ভাগ্যজনক কথা।

স্পেইনৰ কবি গাৰ্থিয়া লৰকাৰৰ মত অনুসৰি, Poetry needs a living body. আমাৰ হীৰেন ভট্টাচাৰ্যই কৈছে- 'পাঠে কবিতাৰ পুৰ্ণতা আনে'। কবিতা ভাল পোৱাৰ পৰিণতি নাইবা কবিতাৰ প্ৰতি কাব্যপ্ৰেমীৰ যি আকৰ্ষণ-- সেই আকৰ্ষণৰ ফলস্বৰূপে, আজি আমি প্ৰত্যক্ষ কৰিছোঁ-- কবিতাত প্ৰতীক আৰু চিত্ৰকল্পবাদৰ দৰে কঠিন বিষয় এটা লৈ গৱেষণাৰ কাম হাতত লৈছে, বহুতজন ইতিমধ্যে কৃতকাৰ্য্যও হৈছে। এনেকুৱা গৱেষণা কৰ্মৰ ফলশ্ৰুতিত 'আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প' বিষয়ক এতিয়া ভালেমান কিতাপ প্ৰকাশ পাইছে, সেয়া আমি দেখিছোঁ। কবিতা লিখিব খোজা, কবিতা চৰ্চা কৰা সকলোলৈকে আমাৰ অনুৰোধ, এনেবোৰ কিতাপ সকলোৰে হাতপুথি হওক--কবিতা চৰ্চাৰ ক্ষেত্ৰত। ন- দি ক'ব পৰা কথা, সচাকৈ বহুত উপকৃত হ'ব- (ক) সাগৰতলীৰ শঙ্খ- ড০ হীৰেন গোহাঁই, (খ) আধুনিক অসমীয়া কবিতা- ড০ এম. কামালুদ্দিন আহমেদ (গ) আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প--ড০ লোপা বৰুৱা।

লেখাটো যুগুত কৰোঁতে প্ৰধানকৈ এই তিনিখন কিতাপৰ সহায় লোৱা হৈছে, লগত কেইখনমান আলোচনীও আছে।●

# কবিতাঃ এক অনুভৱ

ড০ মঞ্জু দেৱী পেগু

কবিতা মানৱ অন্তৰৰ সুকুমাৰ অনুভূতি প্ৰকাশৰ এক শক্তিশালী মাধ্যম। প্ৰাত্যহিক জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, আশা-নিৰাশাৰ চিত্ৰ-বিচিত্ৰ অভিজ্ঞতাক সামৰি কবিতাই লাভ কৰে এক আশ্চৰ্য শক্তি। এই পৃথিৱীৰ আকাশ-বায়ু, মাটি-পানী আৰু সাধাৰণ ধূলিকণা এটিও কবিতাৰ মাজেদি অভিনৱ আৰু অসাধাৰণ ৰূপত উদ্ভাসি উঠে।

কবিতাৰ আছে এক যাদুকৰী ৰূপ। চেণ্ট আগষ্টাইনে কোৱাৰ দৰে- 'যাৰ বিষয়ে নুসুধিলে বহুত কিবাকিবি ক'ব পাৰি, অথচ সুধিলে একোকে ক'ব নোৱাৰি।' কবিতাৰ এই যাদুকৰী ৰূপ উদ্ভাসি উঠে-ৰূপ-ৰস, গন্ধ-বৰ্ণ, উপমা, অলংকাৰ, প্ৰতীক, চিত্ৰকল্প আদি আৰু বাছকবনীয়া শব্দ-সম্ভাৰেৰে গঁঠা এধাৰি মালাৰ ব্যঞ্জনাময় আলোকত।

কবিতা মূলতঃ এক সৃষ্টিশীল কলা। কবিৰ সৃজনী শক্তিয়ে কবিতাক এক অনন্য ৰূপত উদ্ভাসিত কৰি তোলে। দেশ,কাল অতিক্ৰম কৰি কবিতা হৈ পৰে যুগান্তৰৰ বাৰ্তাৰে মহিমামণ্ডিত, কালজয়ী চেতনাৰে উজ্জীৱিত। কবিৰ সৃষ্টিৰ গৰিমাৰে কবিতা হৈ উঠিব পাৰে এক আলোকস্তম্ভ। কবিতা এক প্ৰাৰ্থনা। সুখ-দুখ, আশা-নিৰাশা, স্বপ্ন-দুঃস্বপ্ন, প্ৰেম-বিৰহ, প্ৰাপ্তি-অপ্ৰাপ্তি, হিংসা-দ্বেষ,অসূয়া-অপ্ৰীতি আদি জীৱনৰ সমগ্ৰতা- সকলো সমৰ্পিত হয় কবিতাৰ মাজত এক প্ৰাৰ্থনাৰ দৰে হৃদয়ৰ পৰা হৃদয়লৈ প্ৰবাহিত হয় এক ঢৌৰ দৰে।

কবিতা কেতিয়াবা গান-<br>
গীতিময়তাৰে-<br>
হৃদয়ত ঝংকাৰ-<br>
শব্দৰ অনুনাদনেৰে। (internal resonance)।

কবিতা যেন এক আৱাহনী সংগীত। লানি পাতি অহা শব্দবোৰে ভৰুণ

কৰি তোলে কবিতাৰ ডাল-পাত। কবিতা এক শব্দ-শিল্প। নিৰ্বাচিত শব্দ-সম্ভাৰেই কবিৰ স্বকীয় চিন্তাৰ বাহন। 'শব্দ চয়ন আৰু শব্দ বয়নেই কবিৰ নিপুণতাৰ চিনাকি।'

প্ৰখৰ শব্দবোধেই কবিক আন মানুহৰ পৰা পৃথক কৰে। কেৱল শব্দৰ হাত ধৰিয়েই কবিতাই আমাক লৈ যায় এখন অপাৰ্থিৱ পৃথিৱীলৈ; আলোড়িত কৰে হৃদয়। কবিতাই, কেৱল কবিতায়েই উন্মোচিত কৰিব পাৰে অনুভৱৰ এখন অজ্ঞেয় দুৱাৰ অমৃত স্পৰ্শৰে ।

কবিতা যেন এখনি বোৱঁতী নদী। সময়ৰ লগে লগে সোঁত সলায়। ভাঁজে ভাঁজে প্ৰতিভাত হয় নিত্য নতুন বৈচিত্ৰ্য। হয়, সৃষ্টিৰ লগ্নৰে পৰা কবিতাই ন ন পৰীক্ষা-নিৰীক্ষাৰে নিত্য নতুন ৰূপ পৰিগ্ৰহ কৰিছে। কবিতাৰ বিৱৰ্তনত মূলতঃ বিষয়বস্তু, প্ৰকাশভঙ্গী আৰু ভাৱাদৰ্শই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। কেতিয়াবা বিষয়বস্তু, কেতিয়াবা প্ৰকাশভঙ্গী আৰু কেতিয়াবা ভাৱাদৰ্শৰ মহত্ব আৰু অভিনৱত্বৰে ৰসগ্ৰাহী পাঠকক কবিতাৰ নতুন জগতৰ সন্ধান দিছে। যুগে যুগে সলনি হৈছে কবিতাৰ বিষয়-বস্তু আৰু আংগিকৰ লগতে কবিৰ ভাৱাদৰ্শও। নিত্য নতুন বিষয়ে কবিতাক যিদৰে এটা যুগৰ বাহক কৰি তোলে সেইদৰে বিভিন্ন বাদ (ism)ৰ প্ৰভাৱে,নতুন শৈলীৰ উন্মেষে কবিতাৰ বাহ্যিক ৰূপকেই নহয় কবিতাৰ অন্তৰ্ভাগকো সুকীয়া ৰূপ প্ৰদান কৰে। নতুন চিন্তা-চেতনাৰে উদ্দীপ্ত কবিয়ে জীৱনৰ জয়গান গায়; সমাজৰ প্ৰতি অনুভৱ কৰে গভীৰ দায়িত্ববোধ। তাৰ মাজতো কিন্তু এটা চামে কলা কৈৱল্যবাদৰ প্ৰতি থকা আনুগত্যকো সঞ্জীৱিত কৰি ৰাখে।

প্ৰশ্ন হয়- কবিতা এক নিৰ্মাণ প্ৰক্ৰিয়া নেকি?

সম্ভৱ কবি পল ভালেৰিয়েই সৰ্বপ্ৰথম এই প্ৰসঙ্গটো উত্থাপন কৰিছিল। কবি নীলমণি ফুকনে কোৱাৰ দৰে-কবিতা সৃষ্টি আৰু নিৰ্মাণো। নিৰ্মাণ সৃষ্টি প্ৰক্ৰিয়াৰ এটা গুৰুত্বপূৰ্ণ পৰ্যায়। অৱশ্যে কোনো কোনো কবিৰ হাতত সৃষ্টিশীলতাতকৈ নিৰ্মাণে অধিক গুৰুত্ব লাভ কৰা দেখা যায়।

কবি হীৰেন ভট্টাচাৰ্যৰ মতে আকৌ কবিতা স্বতঃস্ফূৰ্ত নহয়। কবিতা নিৰ্মাণ কৰিব লাগে।এই নিৰ্মাণৰ আঁৰত হয়তো আছে এক ধৰণৰ সংৰচিত স্বতঃস্ফূৰ্ততা (Cultivated spontancity)।

যিয়েই নহওক,সৃষ্টিশীলতা আৰু নিৰ্মাণ-এই দুই বিষয়ৰ অগ্ৰাধিকাৰ কবিভেদে নিশ্চয়কৈ ভিন্ন হ'ব। সুগন্ধি পখিলাৰ দৰেই অতি স্পৰ্শকাতৰ আৰু সংবেদনশীল এই কলাক হৃদয় সংবেদী কৰি তুলিবলৈ হ'লে কবিসকলে কবিতাৰ আত্মাক হৃদয়ত ধাৰণ কৰিব লাগিব; প্ৰচুৰ অধ্যয়ন আৰু নিৰন্তৰ সাধনাৰ বেদীত

নিজকে উৎসৰ্গা কৰিব লাগিব। জীৱনমুখী,মানৱীয় প্ৰমূল্যবিশিষ্ট দৃষ্টিভংগীয়েহে বিচিত্ৰ বিষয় আৰু আংগিকৰ বহুমাত্ৰিকতাৰে কবিতাক এটা নতুন মাত্ৰা দিবলৈ সক্ষম হ'ব। কবিতাৰ এই যাত্ৰাপথত আজিও প্ৰাসংগিক-'ৰোমাণ্টিক কবিসকলে মহত্তৰ সমাজ জীৱনৰ প্ৰেৰণাক অৱহেলা কৰি নিজৰ কাব্যক ভাৱ বিলাস মাত্ৰ কৰি তুলিছে, বিপ্লৱী কবিসকলে সমাজজীৱনৰ প্ৰেৰণাত নিজৰ অন্তৰৰ একান্ত অন্তৰংগ সুকুমাৰ অনুভূতিক কিছু পৰিমানে অৱহেলা কৰিছে।এই দুই অনুভূতিৰ ঐক্য আৰু সমন্বয়তহে শ্ৰেষ্ঠ শিল্পৰ সৃষ্টি হ'ব পাৰে।' (ভবানন্দ দত্ত) কবিতা যুগে যুগে চৰ্চিত আৰু বন্দিত। হাজাৰ বছৰ পাছতো কবিতা একেদৰেই ৰ'ব মানুহৰ অপাৰ সম্ভাৱনা আৰু বিস্ময়ৰ অনন্ত উৎস হৈ।

**সাহিত্য চৰ্চা কেন্দ্ৰ, অসম আৰু 'সাহিত্যম'ঃ**

সাহিত্য চৰ্চা কেন্দ্ৰ, অসমে নিজস্ব কাৰ্যক্ৰমণিকাৰে ইতিমধ্যে এটা নিজা পৰিচিতি লাভ কৰিছে। বৌদ্ধিক চৰ্চা আৰু সাহিত্যৰ উত্তৰণৰ প্ৰয়াসেৰে ৰাজ্যৰ বাহিৰতো আলোচনাচক্ৰ অনুষ্ঠিত কৰাৰ লগতে অন্যান্য কাৰ্যসূচী গ্ৰহণ কৰিছে। 'সাহিত্যম'ৰ মাধমেৰে বৌদ্ধিক চিন্তা-চৰ্চাতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। 'সাহিত্যম'ৰ নতুন সংখ্যাটো কবিতা সংখ্যাৰূপে প্ৰকাশ কৰাটো অনুষ্ঠানটোৰ অন্যতম প্ৰশংসনীয় পদক্ষেপ। বিশেষকৈ নতুন কবিসকলক অনুপ্ৰাণিত কৰাৰ লগতে তেওঁলোকক কবিতাৰ মানদণ্ডৰ প্ৰতিও সজাগ কৰি তুলিব বুলি আশাবাদী। বিষয়-বৈচিত্ৰ্য, নৱতম শৈলী আৰু ধ্যান-ধাৰণাৰে সমৃদ্ধ কবিতা সৃষ্টিৰ পথ পদৰ্শক ৰূপে 'সাহিত্যম'এ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰক!

কলমৰ অমোঘ শক্তিৰে স্ৰষ্টাসকলে ফৰকাল দিনৰ সপোন দেখক!

আহক- কবিতাক প্ৰাণভৰি ভাল পাওঁ, কবিতাক বুকুৰ উমেৰে জীয়াই ৰাখোঁ। কবিতাৰ উড্ডীন পতাকাখন লৈ যাওঁ যুগ-যুগান্তৰলৈ

অন্তৰৰ অযুত শুভকামনাৰে।●

# সাহিত্য চৰ্চা কেন্দ্ৰ, সাহিত্যম ইত্যাদি

**ড০ ভৱেশ দাস**

(১)

সাহিত্য চৰ্চা কেন্দ্ৰ, অসমৰ বয়স নিচেই চালুকীয়া। বিগত চাৰিটা বছৰে ড০ দীনেশ বৈশ্য, মুকুল ৰাভা, ড০ পৰিতোষ চক্ৰৱৰ্তী আদিৰ সৱল নেতৃত্বত সাহিত্য চৰ্চা কেন্দ্ৰই নিজৰ কাম-কাজৰ পৰিসৰ ব্যাপ্ত কৰিবলৈ সক্ষম হৈছে।

সাহিত্য চৰ্চা কেন্দ্ৰ, অসমে 'ভাৰতীয় বৈষ্ণৱ সাহিত্য'ৰ এক বিশেষ আলোচনা চক্ৰ অনুষ্ঠিত কৰিছিল মন্দিৰ নগৰী 'পুৰী'ত। ওড়িশা, পশ্চিমবঙ্গ, অসম আৰু মণিপুৰৰ বিশেষ আলোচনাৰে ড০ সন্তোষ কুমাৰ মিশ্ৰৰ সঞ্চালনাত এই আলোচনা অনুষ্ঠিত হৈছিল। ২০১৯ খ্ৰীষ্টাব্দৰ ৩ নৱেম্বৰত অনুষ্ঠিত হোৱা এই আলোচনা চক্ৰত অংশগ্ৰহণ কৰিছিল সাহিত্য চৰ্চা কেন্দ্ৰৰ তদনীন্তন সভাপতি ড০ দীনেশ বৈশ্য, কাৰ্যকৰী সভাপতি মুকুল ৰাভা, যুটীয়া সম্পাদকদ্বয় ড০ পৰিতোষ চক্ৰৱৰ্তী আৰু ড০ ভৱেশ দাস, 'সাহিত্যম'ৰ সম্পাদক ড০ ত্ৰিদীপ চক্ৰৱৰ্তী, বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ দীপ্তিৰঞ্জন পট্টনায়ক, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস্ লক্ষ্মীন্দৰ সিংহ, ড০ কৈলাশ প্ৰধানী (কটক, ওড়িশা), তুৰা চৰকাৰী কলেজৰ অধ্যাপক ড০ অলোক সাহা, ড০ মণিকা সাহা (বীৰভূম, পশ্চিমবংগ), কোচবিহাৰ কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ নৃপেন লস্কৰ, ড০ চিন্তামনি চৌৰাংগী (গোৱালপাৰা মহাবিদ্যালয়), ড০ আলকাশেৰ চৌধুৰী (কাৰ্বি আংলং, অসম), ড০ ৰানু বৈশ্য আৰু মীনা শৰ্মা (বিকালী মহাবিদ্যালয়, অসম)ই। সেই আলোচনা চক্ৰতেই সম্বলপুৰৰ জ্যেষ্ঠ সাংবাদিক তথা বেজবৰুৱা সংৰক্ষণ সমিতিৰ সভাপতি দীপক পাণ্ডাৰে 'উৎকল-কামৰূপ সংহতি বঁটা' আগবঢ়োৱা হয়। পাণ্ডাৰ সৈতে অসমৰ দীৰ্ঘদিনীয়া সম্পৰ্ক এটাই গঢ় লৈ উঠিছিল। তেখেতে সম্বলপুৰত থকা লক্ষ্মীনাথ বেজবৰুৱাৰ কাৰ্যালয় আৰু আৱাসগৃহ দুয়োটাই ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰি অসম আৰু ওড়িশা চৰকাৰক আৱেদন-নিৱেদন কৰি দুয়োটা ঘৰেই

পূৰ্বৰ ৰূপত নতুনকৈ নিৰ্মাণ কৰোৱায়।

ড০ ৰাণু বৈশ্যৰ কণ্ঠত বাজি উঠা শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত বৰগীত এটাৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰা হয়। ড০ পৰিতোষ চক্ৰৱৰ্তীয়ে অভ্যাগত সকলোকে সম্ভাষণ জনাই কয় যে মধ্য যুগৰ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ভাৰতৰ বহু পণ্ডিতে মিথিলাত লগ হৈছিল । সেইসকলৰ গুৰু আছিল বিদ্যাপতি। বৈষ্ণৱ কবিসকলে এক সমন্বয়ৰ ভাষা ব্ৰজাৱলী(ব্ৰজবুলী) ব্ৰজধামৰ কৃত্ৰিম ভাষাৰে সকলোৱে ভগৱান শ্ৰীকৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ প্ৰয়াস কৰিছিল। দ্বৈতবাদ-অদ্বৈতবাদ যিয়েই নহওক তেওঁলোকৰ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ মূল চালিকাশক্তি আছিল সাহিত্য। ভাৰতৰ অন্য প্ৰদেশৰ লগতে অসমতো এই সম্পৰ্কে নতুনকৈ গৱেষণা কৰা হৈ আছে। নতুন গৱেষণাৰ ফলস্বৰূপে ৫০০বছৰো অধিক কাল ধৰি চলি অহা মহাপুৰুষ শংকৰদেৱৰ প্ৰকৃত জন্ম চন ১৪৪৯ নে ১৪৫৯ চন সেই লৈ প্ৰশ্নৰ অৱতাৰণা হৈছে। জন্ম চন পৃথক হোৱা বাবেই মহাপুৰুষগৰাকীৰ জীৱন কাল ১১৯ বছৰ নে ১০৯ বছৰ- সেয়াও সন্দেহৰ আৱৰ্তত সোমাই পৰিল। চৰিতপুথিসমূহৰ প্ৰকৃততে ৰচনা কাল ঊনবিংশ শতিকা নে বিংশ শতিকাৰ - সেই সম্পৰ্কেও পণ্ডিতসকলে নতুনকৈ গৱেষণা আৰম্ভ কৰিছে।

আদৰণি ভাষণ আগবঢ়াই কেন্দ্ৰৰ কাৰ্যকৰী সভাপতি মুকুল ৰাভাই অতি সুন্দৰ ৰূপত, গীতেৰে, কথাৰে বৈষ্ণৱ সাহিত্যৰ কেবাটাও দিশ উন্মোচন কৰাৰ উপৰিও, শঙ্কৰদেৱৰ বিখ্যাত ‘শুন, শুন ৰে সুৰ বৈৰি প্ৰমাণা’ শীৰ্ষক বৰগীতৰ বহল ব্যাখ্যা আগবঢ়োৱাৰ উপৰিও জনজাতীয় সংগীতৰ সুৰ, জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ সুৰৰ সাদৃশ্য বিচাৰ কাৰ্য্য সচাকৈ অতুলনীয়।

সঞ্চালক ড০ সন্তোষ মিশ্ৰৰ বৰ্ণনাৰ বিশেষ দিশটো আছিল নৱম শতিকাৰ পৰা মধ্য যুগলৈ, অসম, পশ্চিমবঙ্গ আৰু উড়িষ্যাৰ বৈষ্ণৱ আন্দোলন, বৈষ্ণৱ সাহিত্যৰ পাণ্ডিত্যপূৰ্ণ ভাষণ। ড০ দীনেশ বৈশ্যই ধৰ্মীয় দিশত গ্ৰন্থসমূহৰ বিশেষকৈ চৰিত পুথিৰ ওপৰত পৰৱৰ্তীকালত চলোৱা নব্যিকৰণৰ দিশটো স্পষ্ট ৰূপত উদঙাব পাৰিছে, মেদিনী মোহন চৌধুৰীৰ লেখাৰ ওপৰত ভিত্তি কৰি। বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত, ইংৰাজী বিষয়ক অধ্যাপক ড০ দীপ্তি ৰঞ্জন পট্টনায়ক চাৰৰ দৰে পণ্ডিতগৰাকীৰ কাকতখনৰ কথা, উপস্থাপন ৰীতি, বৰ্ণনাৰ গভীৰতা ইমানেই সুন্দৰ, সকলোৱে একান্ত মনেৰে তাক গ্ৰহণ কৰাটোৱেই, একেবাৰে কাঁহ পৰি জীন যোৱাৰ দৰে পৰিৱেশ। মীনা শৰ্মাৰ বিষয়টো শঙ্কৰদেৱৰ দৰ্শন শীৰ্ষক।

আলোৱাৰসকল (ব্ৰাহ্মণ)ৰ দাক্ষিণাত্যত ধৰ্ম প্ৰচাৰৰপৰা শঙ্কৰাচাৰ্যকে ধৰি বিভিন্নজনৰ ধৰ্ম প্ৰচাৰকৰ দিশ সমূহ আলোচনা কৰাটো বিশেষ তাৎপৰ্যপূৰ্ণ দিশ, সময় একেবাৰে কম পোৱা স্বত্বেও কম কথাৰে বিশেষ অৰিহণা আগবঢ়াইছে। দিলস্ লক্ষ্মীন্দৰ সিনহাই মনোৰমভাৱে মণিপুৰৰ বিষ্ণুপ্ৰিয়া মণিপুৰী বৈষ্ণৱ ধৰ্মীয় বিষয়ক গীতেৰে-পদেৰে-কথাৰে বহুত সুন্দৰ ৰূপত প্ৰতিভাত কৰিছে। ওড়িশাত জন্মগ্ৰহণ কৰি গোৱালপাৰা মহাবিদ্যালয়ত কৰ্মৰত ড০ চিন্তামণি চৌৰাংগীয়েও এক অধ্যনপুষ্ট আলোচনা আগবঢ়ায়।

সম্বলপুৰৰ মাননীয় দীপক পাণ্ডাই বঁটা গ্ৰহণ কৰি প্ৰত্যুত্তৰত তেখেতৰ চলাই যোৱা সংগ্ৰামৰ চমু আভাষ আগবঢ়ায়। নৱ-নিৰ্মিত সম্বলপুৰৰ ভৱনত সংৰক্ষণৰ বাবে যথেষ্ট সংখ্যক অসমীয়া কিতাপ সংগ্ৰহ কৰিবলৈ প্ৰচেষ্টা হাতত লোৱাৰ লগতে ওড়িশা চৰকাৰলৈ দাবী উত্থাপন কৰিব, সাহিত্যৰথীৰ নামেৰে গুৱাহাটী আৰু সম্বলপুৰৰ মাজত নতুনকৈ ৰে'ল সেৱা প্ৰৱৰ্তনৰ বাবে। ড০ মণিকা সাহাৰ গৱেষণা পত্ৰত আমি কেতিয়াও নভৱা ভাগৱত পুৰাণৰ দৰে গ্ৰন্থত অবৈষ্ণৱীয় দিশসমূহ আধুনিক বাংলা উপন্যাসৰ বৰ্ণনাৰে আগবঢ়াই একপ্ৰকাৰ প্ৰত্যাহ্বান জনোৱাটো এক সাহসিকতাৰ পৰিচায়ক। ড০ অলক সাহাৰ বিষয় ‘চৈতন্য দেৱৰ বৈষ্ণৱ ধাৰণা’। ড০ সাহাৰ প্ৰকাশ ভংগী সুন্দৰ আৰু উপভোগ্য। চৈতন্যৰ পদাৱলী তেখেতৰ মুখস্থ। ড০ কৈলাস প্ৰধানীৰ বিষয় বস্তুৰ মুল কথা ওড়িশাৰ বৈষ্ণৱ সাহিত্য-সংস্কৃতিৰ মূল ধাৰাটো। মন্দিৰৰ বাবে বিখ্যাত ওড়িশাৰ বহুত কেইটা মন্দিৰৰ পৰম্পৰাগত বিষয়ক সুন্দৰ বৰ্ণনা ডেকা গৱেষকজনে দাঙি ধৰিছে। ড০ নৃপেন্দ্ৰ লস্কৰৰ বিষয়- ‘ভাওইয়া গীতত শ্ৰীকৃষ্ণ’। লোক গীতৰ মাজেৰে শ্ৰীকৃষ্ণৰ ছবি কেনেদৰে প্ৰস্ফূটিত হৈছে, তাক গীতৰ সহায়ত দাঙি ধৰিছে। ড০ ত্ৰিদিব গোস্বামীৰ গৱেষণা পত্ৰত অসমীয়া নামঘৰৰ বৰ্ণনা আগবঢ়াইছে।

খ্ৰীষ্টিয় দ্বাদশ শতিকাত এচিয়া, ইউৰোপ আৰু ভাৰতবৰ্ষত ৰাজনৈতিক, সামাজিক আৰু ধৰ্মীয় দিশত পৰিৱৰ্তনকামী এটা বিৰাট ধুমুহা বলিছিল। চেংগিছ খান, কুটুবুদ্দিন, বখতিয়াৰ খিলিজী আদি মুছলমান শাসকসকলৰ সাম্ৰাজ্য বিস্তাৰৰ সৈতে ভাৰতৰ ভক্তি আন্দোলনৰ সম্পৰ্ক আছে। মুছলমানসকলৰ ৰাজ্য বিস্তাৰ আৰু ইছলাম ধৰ্মৰ জাতি-বৰ্ণহীন ব্যৱস্থাই ভক্তি আন্দোলনত প্ৰভাৱ পেলাইছিল।

কোৱা হৈছে চৰিতপুথিসমূহৰ ৰচনা কাল ষষ্ঠদশ শতিকাৰ। পৰৱৰ্তী গৱেষণাই প্ৰমাণ কৰিছে যে প্ৰকৃততে এইবোৰ এয়া উনবিংশ শতিকাৰ ৰচনা । ৰাষ্ট্ৰীয় আলোচনা চক্ৰত এনেবোৰ আলোচনাই সঁচাকৈ আমাক নতুনকৈ বহুত

কথা ভাৰিবলৈ বাধ্য কৰাইছে।

সাহিত্য চৰ্চা কেন্দ্ৰ, অসমে প্ৰতি বছৰে দুৰ্গাষষ্ঠীৰ দিনা 'শৰতৰ দুপৰীয়া' এক অনুষ্ঠানৰ আয়োজন কৰি আহিছে। চলিত বছৰত এই অনুষ্ঠানটোৱে চতুৰ্থ বৰ্ষত ভৰি দিছে। এইবেলি এই অনুষ্ঠানৰ বিশেষ বিষয় হ'ল 'গীতে-মাতে গোৱালপাৰা। ইতিপূৰ্বেও অসম. মেঘালয়, উত্তৰ বংগৰ ভালে সংখ্যক কবি-সাহিত্যিকে এই অনুষ্ঠানত যোগদান কৰিছে। সাহিত্য চৰ্চা কেন্দ্ৰ, অসমে শুক্ৰাচাৰ্য ৰাভাৰ বিষয়ে নীলোৎপল বৰুৱাই লিখা 'শুক্ৰাচাৰ্য ৰাভা যাত্ৰা আৰু মাত্ৰা' গ্ৰন্থখনৰ বাবে তেখেতলৈ 'সাহিত্য বঁটা-২০২০ প্ৰদান কৰে। এইবাৰ এই বঁটাটি লাভ কৰিছে 'ৰূপৰ খাপৰ তৰোৱাল' উপন্যাসখনৰ বাবে ৰক্তিম শৰ্মাই। ৰক্তিম শৰ্মাই মেচপাৰাৰ জমিদাৰ ৰণাৰাম চৌধুৰীৰ জীৱনৰ আধাৰত এই উপন্যাসখন লিখি উলিয়াইছিল।

সাহিত্য চৰ্চা কেন্দ্ৰ, অসমে ২০১৯ বৰ্ষৰপৰা 'ৰাজেন পাম শিল্পী বঁটা' প্ৰদান কৰি আহিছে। ২০১৯ বৰ্ষৰ ২০ জুনৰ দিনা প্ৰথমবাৰৰ বাবে এই বঁটাটি সমৰ হাজৰিকাই দুধনৈৰ 'জনমন্দিৰ'ত আয়োজন কৰা বিষ্ণুৰাভা দিৱসৰ এক অনুষ্ঠানত ডঃ ৰাণু বৈশ্যৰ হাতত তুলি দিয়ে। পৰৱৰ্তী বছৰত অৰ্থাৎ ২০২০ খ্ৰীষ্টাব্দৰ ২৭ ছেপ্টেম্বৰৰ দিনা দুধনৈৰ পৰিদৰ্শন বঙলাত কোভিড প্ৰ'ট'কল মানি আয়োজন কৰা আন এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নাট্যশিল্পী দিলীপ কুমাৰ শৰ্মাৰ হাতত বঁটাটি তুলি দিয়ে প্ৰখ্যাত ভাস্কৰ্য শিল্পী বীৰেন সিংহই। সাহিত্য চৰ্চা কেন্দ্ৰই এই অনুষ্ঠানতে সাহিত্যিক পেঞ্চনাৰ, শিক্ষাবিদ তথা ৰাভাসকলৰ প্ৰবাদ পুৰুষ লিষ্টিৰাম ৰাভাক সম্বৰ্ধনা জনায় আৰু এখন সম্বৰ্ধনা গ্ৰন্থ প্ৰকাশ কৰি উন্মোচন কৰে। সভাত আনন্দৰাম বৰুৱা ভাষা, কলা, সংস্কৃতি সংস্থা (ABILAC) ৰ সঞ্চালক ডঃ দিলীপ কলিতা আৰু সংগীত নাটক অকাডেমীৰ উত্তৰ-পূৱ কেন্দ্ৰৰ সঞ্চালক ডঃ অৰূপ বৰদলৈ বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে।

সাহিত্য চৰ্চা কেন্দ্ৰই ২০১৯ বৰ্ষত গোৱালপাৰা জিলাৰ পঞ্চৰত্নত 'কৃষ্ণচূড়া উৎসৱ' অনুষ্ঠিত কৰিছিল বহুত জাকজমকতাৰে। অসমৰ বিভিন্ন ঠাইৰ ভালেমান শিল্পী, কলা-কুশলী, সাহিত্যিকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। মুকুল ৰাভাৰ পৰিকল্পনা আৰু নেতৃত্বত এই অনুষ্ঠানটো প্ৰকৃততে সাহিত্য চৰ্চা কেন্দ্ৰৰ এক লেখত লবলগীয়া অনুষ্ঠান আছিল। দুৰ্ভাগ্যবশতঃ ৰাস্তা বহল কৰাৰ বাবে গছবোৰ নৃশংসভাৱে কাটিবলগীয়া হোৱাত সেই অঞ্চলৰ নান্দনিক সৌন্দৰ্য নাইকীয়া হয় আৰু ফলত তাৰ পাছৰপৰা এই অনুষ্ঠান পাতিব পৰা নাই।

সাহিত্য চৰ্চা কেন্দ্ৰ, অসমে ডঃ দীনেশ বৈশ্য আৰু ডঃ পৰিতোষ চক্ৰৱৰ্তীৰ জন্মদিন পৰিয়ালৰ সহযোগিতাত পালন কৰে। ২০২০ বৰ্ষৰ ৩ জানুৱাৰীত কেন্দ্ৰৰ

সভাপতি মাননীয় ড০ দীনেশ বৈশ্যৰ ওপজা দিন 'বিজ্ঞান মনস্কতাৰ দিন' হিচাপে দক্ষিণ কামৰূপৰ ৰামপুৰৰ দৰাবিল গাঁৱত পালন কৰা হয়। অনুষ্ঠানত ড০ দীনেশ বৈশ্য, তেখেতৰ পত্নী ড০ ৰাণু বৈশ্য, সাহিত্য চৰ্চা কেন্দ্ৰৰ যুটীয়া সম্পাদকদ্বয় ড০ পৰিতোষ চক্ৰৱৰ্তী আৰু ড০ ভৱেশ দাসৰ উপৰিও তেজপুৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ সুনীল কুমাৰ দত্ত, বৰভাগ মহাবিদ্যলয়ৰ অৱসৰী অধ্যক্ষ ফণীধৰ ডেকা, সোনাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা ড০ মঞ্জু বৰ্মণ, বিকালী মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা ড০ আল্পনা সৰকাৰ ডেকা আৰু অধ্যাপিকা মীনা শৰ্মা, কবি ডাঃ শৰৎ চন্দ্ৰ ৰাভা, চলচ্চিত্ৰ প্ৰযোজক তথা পৰিচালক হিমাংশু প্ৰসাদ দাস, ৰতন কুমাৰ ৰায় হাজং, নিৰ্মল কোচ আদিকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ২০২২ বৰ্ষৰ ৮ আগষ্টৰ দিনা সাহিত্য চৰ্চা কেন্দ্ৰৰ যুটীয়া সম্পাদক ড০ পৰিতোষ চক্ৰৱৰ্তীৰ ওপজা দিন আজাৰাৰ স্কেমিও গ্লোবেল স্কুলত 'পাহাৰ-ভৈয়ামৰ দিন' হিচাবে পালন কৰা হয়। কুমাৰ দীপক দাসৰ সভাপতিত্বত অনুষ্ঠিত সেই সভাখনৰ আঁত ধৰে দিলীপ কুমাৰ শৰ্মাই। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক সদ্যপ্ৰয়াত ড০ প্ৰবীণ চন্দ্ৰ দাসে ড০ পৰিতোষ চক্ৰৱৰ্তীৰ 'কবিতা লিখাৰ কথকতা' গ্ৰন্থখন উন্মোচন কৰে। ড০ আল্পনা সৰকাৰ ডেকাই বন্তি প্ৰজ্জ্বলনেৰে শুভাৰম্ভ কৰা এই অনুষ্ঠানটিত বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি ড০ চক্ৰৱৰ্তীৰ জীৱন চৰ্যাৰ বিষয়ে আলোচনা কৰে।

সাহিত্য চৰ্চা কেন্দ্ৰই ধূপধৰাত ৰূপজ্যোতি সাহিত্য সভাৰ সহযোগত ২০২০ বৰ্ষৰ ৬, ৭ আৰু ৮ মাৰ্চত তিনিদিনীয়াকৈ গ্ৰন্থমেলাৰো আয়োজন কৰিছিল। সেই অনুষ্ঠানত কবি সন্মিলন, সাহিত্যানুষ্ঠান, গ্ৰন্থ উন্মোচন আদি কিছু কাৰ্যসূচীও ৰূপায়ন কৰা হৈছিল। গ্ৰন্থমেলা উপলক্ষে বিভিন্ন কাৰ্যসূচীত সাহিত্য চৰ্চা কেন্দ্ৰৰ সভাপতি ড০ দীনেশ বৈশ্য, কাৰ্যকৰী সভাপতি মুকুল ৰাভা, যুটীয়া সম্পাদকদ্বয় ড০ পৰিতোষ চক্ৰৱৰ্তী আৰু ড০ ভৱেশ দাস, ৰূপজ্যোতি সাহিত্য সভাৰ সভাপতি সদ্য প্ৰয়াত জ্ঞানশঙ্কৰ খাখলাৰী, সম্পাদক নৰকুমাৰ মিশ্ৰ, শিক্ষাবিদ লিষ্টি ৰাভা, নসত্ৰ আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ মাধুৰ্যমণ্ডিত বৰুৱা, ড০ প্ৰবীণ চন্দ্ৰ দাস, ড০ ৰাধাচৰণ ৰাভা, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদব শৰ্মা, যশস্বী শিল্পী মধুসূদন দাস আদি বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ৰূপজ্যোতি সাহিত্য সভাৰ সৈতে যুটীয়াভাৱে পতা গ্ৰন্থমেলাত গুৱাহাটীৰ কেবাখনো গ্ৰন্থবিপনীয়ে অংশগ্ৰহণ কৰে। গ্ৰন্থমেলাত ৰূপজ্যোতি সাহিত্য সভাই 'আকাশ' আৰু 'ৰামধেনু' অনুষ্ঠান নিজাববীয়াকৈ ৰূপায়ন কৰাৰ লগতে সভাৰ মুখপত্ৰ 'ৰূপজ্যোতি'খনো উন্মোচন কৰে

সাহিত্য চৰ্চা কেন্দ্ৰ, অসমৰ আন এক উল্লেখযোগ্য কৰ্ম হ'ল গ্ৰন্থ প্ৰকাশ।

এইবোৰৰ ভিতৰত বৈজ্ঞানিক আৱিষ্কাৰৰ কাহিনী (ড০ দীনেশ বৈশ্য), গোত্ৰ (ড০ ভৱেশ দাস), অমৃতভূষণ দেৱ অধিকাৰী (ড০ পৰিতোষ চক্ৰৱৰ্তী), কুইজ (বিনয় চলিহা), প্ৰাচীন ভাৰতৰ সাধু (নৰকুমাৰ মিশ্ৰ), জাতকৰ সাধু (ড০ ভৱেশ দাস) আদি অন্যতম। তদুপৰি বিগত গ্ৰন্থমেলাত সাহিত্য চৰ্চা কেন্দ্ৰ, অসমে ড০ দীনেশ বৈশ্য ৰচনাৱলী প্ৰথম খণ্ডটিৰ উন্মোচনী অনুষ্ঠানটিৰ আয়োজন কৰিছিল। অনুষ্ঠানত উপস্থিত আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ অখিল ৰঞ্জন দত্ত আৰু প্ৰাগ নিউজৰ মুখ্য সম্পাদক প্ৰশান্ত ৰাজগুৰু।

সাহিত্য চৰ্চা কেন্দ্ৰৰ বৰ্তমানৰ সভাপতি কুমাৰ দীপক দাসৰ নেতৃত্বত নতুনকৈ ইয়াৰ যাত্ৰা আৰম্ভ হৈছে। আমাৰ সদস্যসকলৰ সক্ৰিয় সহায়-সহযোগিতাত এদিন সাহিত্য চৰ্চা কেন্দ্ৰই এক বিশাল অনুষ্ঠান হিচাবে গঢ়ি উঠিব বুলি আমি আশাবাদী।

(৩)

সাহিত্যম সাহিত্য চৰ্চা কেন্দ্ৰ, অসমৰ মুখপত্ৰ। আমাৰ এই সংখ্যাটো ড০ পৰিতোষ চক্ৰৱৰ্তীৰ মুখ্য সম্পাদনাত আৰু দেৱেশ দাসৰ সম্পাদনাত ৮৪ গৰাকী কবিৰ কবিতাৰে সমৃদ্ধ কৰি এই বিশেষ কবিতা সংকলনটি প্ৰকাশ কৰি উলিওৱা হৈছে। সংকলনটিত গোৱালপাৰাৰ লগতে সাহিত্য চৰ্চা কেন্দ্ৰৰ সদস্যসকলৰ কবিতাৰে বিশেষভাৱে সজাই তোলা হৈছে। কেবাগৰাকীও প্ৰথিতযশা কবিৰ কবিতাও এই সংকলনত অন্তৰ্ভুক্ত হৈছে। আমি পোৱা প্ৰায়ভাগ কবিৰ ন্যূনতম একোটিকৈ কবিতা সংকলটিত অন্তৰ্ভুক্ত কৰা হৈছে। ঠাইৰ সংকুলনৰ বাবে কবিতাসমূহৰ আলোচনা আগবঢ়াবলৈ বিচাৰিও আমি থমকি ৰ'বলগীয়া হৈছে। পৰৱৰ্তী কালত বিশেষকৈ গোৱালপাৰাৰ কবিসকলৰ কবিতাৰ এক আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ব।

আশাকৰোঁ আমাৰ শুভানুধ্যায়ীসকলে সাহিত্য চৰ্চা কেন্দ্ৰক আগবঢ়াই লৈ যাব। আমি বিচাৰোঁ অনাড়ম্বৰ কিন্তু বিদ্যায়তনিক কাৰ্যসূচী। আমাৰ সদস্যসকলে উৎকৃষ্ট গ্ৰন্থ প্ৰকাশ, স্থানীয় পৰ্যায়ৰ লগতে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চেমিনাৰ আৰু সাহিত্যৰ আন কাৰ্যসূচী আদি পতাত আমাক সহায় সহযোগিতা কৰিব বুলিও আমি আশাবাদী। আটাইৰে সন্মিলিত প্ৰচেষ্টাত সাহিত্য চৰ্চা কেন্দ্ৰ, অসমে নিশ্চয়কৈ এদিন এক মহৎ অনুষ্ঠানলৈ উন্নীত হ'ব।●

# সাহিত্য চৰ্চা কেন্দ্ৰ আৰু ধূপধৰা গ্ৰন্থমেলা

**নৰকুমাৰ মিশ্ৰ**

কিতাপে আমাৰ বহু সাধকৰ বহু কষ্টলব্ধ জ্ঞান-বিজ্ঞান, ইতিহাস-পৰম্পৰা, সৃষ্টিশীল কলা-সাহিত্য আৰু তথ্য-পাতিক এটা প্ৰজন্মৰপৰা আনটোলৈ কঢ়িয়াই নিয়ে। সেয়ে সভ্যতাৰ বাহক এই কিতাপ অবিহনে যে আমাৰ সভ্যতা বিপদাপন্ন হ'ব তাক নতুনকৈ প্ৰতিপন্ন কৰাৰ কোনো প্ৰয়োজন নাই। কিন্তু ভয় লগা কথাটো হ'ল, সম্প্ৰতি অধ্যয়ন বিমুখিতাই আমাৰ সমাজক খুলি খুলি খাইছে। সৰহ সংখ্যক মানুহৰ বাবে এতিয়া কিতাপ হ'ল আটাইতকৈ অপ্ৰয়োজনীয় আৰু গুৰুত্বহীন বস্তু। এনে উপলব্ধিৰে ইতিমধ্যে হাড় পকোৱা এইখিনি মানুহক বুজাবলৈ আমাৰ একো ভাষা নাই, কৰিবলৈও একো নাই।

কিন্তু যিসকল মানুহ এইখন পৃথিৱীলৈ নতুনকৈ আহি সম্প্ৰতি অসমৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ত অধ্যয়নৰত, আৰু যিসকল মানুহ এই ধৰাধামলৈ নতুনকৈ আহিব, তেওঁলোকৰ মনত কিতাপৰ মহত্ব প্ৰতিষ্ঠা কৰাটো নিশ্চয় এই জটিল সময়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আহ্বান। এই কাম কিতাপক ভালপোৱা আমিবোৰেই কৰিব লাগিব।

অসমৰ আন বহু ঠাইৰ দৰে গোৱালপাৰা জিলাৰ ধূপধৰাতো বিৰাজ কৰিছে এই একেই বন্ধ্যা পৰিৱেশ। বাৰন্নখন গাঁৱৰে বিকালী মৌজা। ইয়াৰ সদৰ ধূপধৰা। অঞ্চলটোৰ ৰাজধানীৰ লেখীয়া। ধূপধৰাৰ অৱস্থিতিও মন কৰিবলগীয়া। ১৭ নম্বৰ (পূৰ্বৰ ৩৭ নম্বৰ) ৰাষ্ট্ৰীয় ঘাই পথেৰে গুৱাহাটীৰপৰা পশ্চিমলৈ গোৱালপাৰা অভিমুখে ৭৫-৮০ কিলোমিটাৰ আহিলে ধূপধৰা ঠাইখন পোৱা যায়। ৰাষ্ট্ৰীয় পথেৰে কামৰূপ গ্ৰাম্য জিলাৰ শেষ গাঁৱখন অতিক্ৰম কৰিলেই গোৱালপাৰা জিলাৰ প্ৰথমখন গাঁও ধূপধৰা। সম্প্ৰতি ই চহৰাঞ্চলৰ ৰূপ পৰিগ্ৰহ কৰিছে।

হাতত ধন-বিত থাকিলে ভোগৰ সকলো সামগ্ৰী এতিয়া ধূপধৰাত সহজলভ্য। কিন্তু পোৱা নাযায় কিতাপ-আলোচনী। গ্ৰন্থ বিপনীৰ সংখ্যা কমি কমি

এতিয়া তিনিখনমানত লাগিছে। সেইকেইখনো বাছি আছে পাঠ্যপুথি, সহায়িকা আৰু ষ্টেচনাৰী সামগ্ৰীক ভৰষা কৰি। বাতৰি কাকতৰ প্ৰচালন সংখ্যা হুৰাহুৰে কমিছে। যি সীমিত সংখ্যক কাকত আহে, সেইবোৰৰ গ্ৰাহক বুঢ়া বা আদহীয়াসকল। সম্প্ৰতি এখন আলোচনীও ধূপধৰাৰ লৈ নাহে। অথচ অঞ্চলটোত আছে প্ৰায় এশ নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়, প্ৰায় একডজন হাইস্কুল, একাধিক কলেজ। ইয়াৰে বিকালী মহাবিদ্যালয়খন অসমৰ এখন আগশাৰীৰ কলেজ। বিজ্ঞান, কলা আৰু বাণিজ্য শাখাত প্ৰায় তিনিহেজাৰ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত অধ্যয়ন কৰে। শিক্ষকৰ সংখ্যাও প্ৰায় চাৰিকুৰি। ভাবিলে আচৰিত লাগে, তেওঁলোকেও কিতাপ বা আলোচনী এখনৰ অভাৱ অনুভৱ নকৰেনে ? যদি নকৰে, কিয় নকৰে ? এই প্ৰজন্মৰ মানুহখিনিৰ কিতাপৰ স'তে সম্পৰ্ক স্থাপনেই নহ'ল নেকি ? উপজি নিজ নিজ ঘৰখনত আৰু সমাজখনত তেওঁলোকে কিতাপৰ উমাল সান্নিধ্য নাপালেই নেকি- যাৰ ফলত তেওঁলোকে কিতাপৰ মহত্বৰ বিষয়ে উপলব্ধি কৰাত বিফল হ'ল আৰু কিতাপৰ সংগসুখৰ পৰা বঞ্চিত একো একোজন দুৰ্ভগীয়া হৈ জীৱন নিৰ্বাহ কৰিবলৈ বাধ্য হৈছে।

অৱশ্যে এই পৰিৱেশটো কেৱল ধূপধৰাত বুলিলে ভুল কোৱা হ'ব, সম্প্ৰতি অসমত সৰ্বত্ৰ কম-বেছি পৰিমাণে একেই পৰিৱেশে বিৰাজ কৰিছে। ৰাজ্যখনত পুথিভঁৰালসমূহৰো যি অৱশিষ্ট ৰৈছেগৈ, সেইবোৰেও এতিয়া ধূলি ধূসৰিত হৈ মৃত্যুৰ ক্ষণ গণি আছে।

এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিততে ধূপধৰাত এখন নিয়মীয়া গ্ৰন্থমেলা আয়োজন কৰাৰ চিন্তা-চৰ্চা চলিছিল আৰু ধূপধৰাৰ ৰূপজ্যোতি শাখা সাহিত্য সভাৰ উদ্যোগত আৰু গুৱাহাটীৰ সাহিত্য চৰ্চা কেন্দ্ৰৰ সহযোগত ৬, ৭, ৮ মাৰ্চ ২০২০ খ্ৰিষ্টাব্দত তিনিদিনীয়াকৈ অনুষ্ঠিত হৈছিল প্ৰথম বাৰ্ষিক ধূপধৰা গ্ৰন্থমেলা।

২০১৮ বৰ্ষৰ আৰম্ভণিতে ধূপধৰাৰ ৰূপজ্যোতি শাখা সাহিত্য সভাৰ সম্পাদকৰ দায়িত্ব আমাৰ ওপৰত অৰ্পিত হৈছিল। বিশিষ্ট লেখক, সাহিত্যিক পেঞ্চনাৰ সদ্য প্ৰয়াত জ্ঞানশংকৰ খাখলাৰী আছিল সভাপতি। সম্পাদক হিচাপে মই শাখা সভাখনক জড়তা ভাঙি গতিশীল কৰাৰ পৰিকল্পনা কৰিছিলোঁ, আৰু সেই উদ্দেশ্যে এখন বিস্তৃত কৰ্মসূচী প্ৰণয়ন কৰি শাখা সভাৰ কাৰ্যনিৰ্বাহত উত্থাপন কৰিছিলোঁ। কিন্তু সাংগঠনিক দূৰ্বলতা আৰু জনবলৰ অভাৱত সেই আঁচনি ৰূপায়ণতো বাদেই, সম্পূৰ্ণ ৰূপত অনুমোদন কৰাৰ সাহসেই কৰিবপৰা নাছিল। ময়ো উপলব্ধি কৰিছিলোঁ- ভাবিবলৈ সহজ, কৰিবলৈ টান।

মুকলিকৈ ক'বলৈ হ'লে- আজি বহু বছৰৰপৰা সাহিত্য সভাৰ প্ৰায়বোৰ শাখাতে নতুন তেজৰ আমদানী হোৱা নাই, সেয়ে সৰ্বত্ৰ গতিশীলতাৰ অভাৱ ঘটিছে। পুৰণি মানুহখিনিয়েই শাখাবোৰ কোনোমতে চলাই আছে, দুই-এজনক বাদ দি নতুন চামে সাহিত্য সভাৰ প্ৰতি যেন আকৰ্ষণ অনুভৱ কৰা নাই বা আমিয়েই হয়তো সেইটো কৰোৱাত ব্যৰ্থ হৈছোঁ। এই কথা ইয়াত উনুকিওৱা নিস্প্ৰয়োজন যে, এই পৃথিৱীখন চলি থাকে ধাৰাবাহিকতাত আবৰ্তিত হৈ। পৃথিৱীৰপৰা এচাম গুছি যায় আৰু আন এচামে আহি সেই ঠাই পূৰায়। যদি ঠাই পূৰাবলৈ কোনো নাহে, তেতিয়া তিল তিলকৈ গঢ়ি উঠা আমাৰ প্ৰগতি, আমাৰ সভ্যতা সংকটাপন্ন হোৱাটোৱেই স্বাভাৱিক।

সেয়ে আমাৰ দ্বাৰা প্ৰস্তাৱিত বছৰেকীয়া গ্ৰন্থমেলা এখন ধূপধৰাত আৰম্ভ কৰাটো একেবাৰে সৰু কথা নাছিল। আৰম্ভ কৰাতকৈও ডাঙৰ কথা তাক ধাৰাবাহিকভাৱে চলাই নিয়াটো। কিন্তু সভাপতি জ্ঞানদা আছিল নাচোৰবান্দা। মোৰ প্ৰস্তাৱিত কৰ্মসূচীৰ আটাইকেইটা দফা জ্ঞানদাই পাহৰি পেলালে, কিন্তু নাপাহৰিলে ১২ নম্বৰ দফাত থকা গ্ৰন্থমেলাৰ কথা। মুঠতে গ্ৰন্থমেলা এখন হ'বই লাগিব। তাৰ বাবে যদিও কোনো পৰিৱেশ ধূপধৰাত গঢ়ি উঠা নাই, দেধাৰ প্ৰতিকুলতা, সেইবোৰৰ সমাধানসূত্ৰ তেওঁৰ হাতত নাই, কিন্তু তেওঁৰ এটা যেন শিশুসুলভ জেদ, গ্ৰন্থমেলা তেওঁক লাগিবই! তেওঁৰ যুক্তি, ধূপধৰা আৰু আগৰ দৰে সৰু হৈ থকা নাই, বহুত ডাঙৰ হ'ল। ইয়াৰ মানুহৰ জীৱনশৈলী ইতিমধ্যে যথেষ্ট উন্নত হৈছে। ডাঙৰ ডাঙৰ দোকান-পোহাৰ গঢ়ি উঠিছে, সকলো ধৰণৰ সভা-মেলা, খেলা-ধূলা, উৎসৱ-অনুষ্ঠান ধূপধৰাত সফলতাৰে অনুষ্ঠিত হৈ আছে, তেনেহ'লে ইয়াত নিয়মীয়াকৈ বছৰি গ্ৰন্থমেলা এখন কিয় হ'ব নোৱাৰে? এই কাম আমি আৰম্ভ নকৰিলে কোনে কৰিব? মই তেওঁৰ স'তে একমত আছিলোঁ যদিও সাংগঠনিক দুৰ্বলতাৰ বাবে মই কিছু পৰিমাণে শংকিত হৈ পৰিছিলোঁ। আনফালে এই অঞ্চলটোত কিতাপ-আলোচনীৰ পুতৌলগা বিক্ৰীৰ খতিয়ানে মোক কিছু চিন্তাত পেলাইছিল। জ্ঞানদাই কিন্তু মোক শান্তিৰে থাকিবলৈ দিয়া নাছিল। তেওঁ মোক প্ৰায়ে কৈছিল- 'তই দায়িত্বত থকাৰ পিছতো যদি গ্ৰন্থমেলা নহয়, তেনেহ'লে গ্ৰন্থমেলাৰ বাবে আমি আৰু বহুকাল অপেক্ষা কৰিব লাগিব।'

কিন্তু সংশয় আঁতৰিছিল গুৱাহাটীৰ সাহিত্য চৰ্চা কেন্দ্ৰৰ সহযোগিতাৰ আশ্বাসত। সাধাৰণ সভাত গ্ৰন্থমেলা পতাৰ সিদ্ধান্ত লোৱা হ'ল। ইয়াৰ বাবে এখন উদযাপন সমিতিও গঠন কৰা হ'ল। গুৱাহাটীৰ সাহিত্য চৰ্চা কেন্দ্ৰই আগবাঢ়ি আহি নিঃচৰ্ত সহযোগিতা আগবঢ়োৱাত এই কামত ডাঙৰ সহায় হ'ল। পৰ্যায়ক্ৰমে

কাৰ্যসূচীও যুগুত কৰা হ'ল আৰু ৬, ৭, ৮ মাৰ্চ ২০২০ খ্ৰিষ্টাব্দত অনুষ্ঠিত হ'ল প্ৰথম বাৰ্ষিক ধূপধৰা গ্ৰন্থমেলা।

প্ৰথমদিনা পুৱা সভাপতি হিচাপে জ্ঞানদাই সাহিত্য সভাৰ পতাকা উত্তোলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। আবেলি সাহিত্য চৰ্চা কেন্দ্ৰৰ সভাপতি ড০ দীনেশ বৈশ্য ডাঙৰীয়াই বন্তি প্ৰজ্বলনেৰে এই গ্ৰন্থমেলা মুকলি কৰে। সিদিনাৰ অনুষ্ঠানত বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য সভাৰ সভাপতি দিলস্ লক্ষ্মীন্দৰ সিংহৰ উপৰিও সাহিত্য চৰ্চা কেন্দ্ৰৰ যুটীয়া সম্পাদকদ্বয় ক্ৰমে ড০ পৰিতোষ চক্ৰৱৰ্তী আৰু ড০ ভৱেশ দাস উপস্থিত থাকে। সিদিনা ছখনকৈ গ্ৰন্থ উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপক সদ্য প্ৰয়াত ড০ প্ৰবীণ চন্দ্ৰ দাসে। দ্বিতীয় দিনা আগবেলা মহিলাৰ অনুষ্ঠান আকাশ আৰু আবেলি অনুষ্ঠিত হয় এখন কবি সন্মিলন। তৃতীয় দিনা পুৱাৰ ভাগত শিশুৰ প্ৰতিভা বিকাশৰ অনুষ্ঠান কুঁহি, দুপৰীয়া 'গ্ৰন্থ অধ্যয়নৰ আগ্ৰহ' শীৰ্ষক এখন আলোচনা চক্ৰ আৰু আবেলি মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাখন উদ্বোধন কৰে সাহিত্যিক পেঞ্চনাৰ লিষ্টি ৰাভাই আৰু সেই সভাত মুখ্য অতিথি হিচাবে যোগদান কৰে নসত্ৰ আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপত ড০ মাধুৰ্যমণ্ডিত বৰুৱাই। শাখা সাহিত্য সভাৰ মুখপত্ৰ ৰূপজ্যোতিৰ এটা বিশেষ সংখ্যাও উন্মোচন কৰা হয়।

কিন্তু অনাকাংক্ষিত লকডাউনটোৱে যেন গ্ৰন্থমেলাখন শেষ হোৱালৈকে অপেক্ষা কৰি আছিল। গ্ৰন্থমেলাৰ চামিয়ানা ভালদৰে সামৰিবলৈ নাপালোঁৱেই, ২৪-৩-২০ৰপৰা আৰম্ভ হ'ল ভাৰতব্যাপি কৰোনা প্ৰতিৰোধক লকডাউন। প্ৰথমটো লকডাউনতে জ্ঞানদা যি ঘৰৰ ভিতৰ সোমাল, তেওঁ আৰু ওলাই আহিবলৈ নাপালে বুলিয়েই ক'ব পাৰি। পৰৱৰ্তী বছৰতো, অৰ্থাৎ ২০২১ বৰ্ষতো পুনৰ আৰম্ভ হ'ল লকডাউন। এই সামাজিক অস্থিৰতাৰ মাজতে যোৱা ২০২১ বৰ্ষৰ ২৪ মে' দিনা আকস্মিকভাৱে আমাক এৰি জ্ঞানদা গুছি গ'ল।

যিয়েই নহওক, জ্ঞানদাৰ তীব্ৰ আকাংক্ষা, সাহিত্য চৰ্চা কেন্দ্ৰৰ সৰ্বাত্মক সহযোগিতাত প্ৰথম বাৰ্ষিক ধূপধৰা গ্ৰন্থমেলা সফলভাৱে অনুষ্ঠিত হ'ল। সাহিত্য চৰ্চা কেন্দ্ৰৰ সহযোগিতা অবিহনে সেয়া হয়তো সম্ভৱ নহ'লহেঁতেন। ইয়াৰ বাবে সাহিত্য চৰ্চা কেন্দ্ৰ, অসমৰ সভাপতি ড০ দীনেশ বৈশ্য আৰু বিশেষকৈ ইয়াৰ যুটীয়া সম্পাদকদ্বয় ড০ ভৱেশ দাস আৰু ড০ পৰিতোষ চক্ৰৱৰ্তী ধন্যবাদৰ পাত্ৰ।●

# মোৰ ঘৰৰ মজিয়াত

**নৰেন বৰুৱা**

মোৰ ঘৰৰ মজিয়াৰ প্ৰতিটো কোণত
টিপ চাকিবোৰ জ্বলি থাকক
জ্বলি থাকক
চিকমিকাই থাকক শিখাবোৰ
নদীখনৰ পানীত নাচি থাকক
ফিছাবোৰ নচুৱাই নচুৱাই
মাছবোৰ
পাৰৰ ফুটুকানিডৰাত
ফুলবোৰ ফুলক- ফুলি থাকক
উৰি অহা ৰেণুবোৰ মোৰ নাকত সোমাওক
মোৰ নাকত সোমাওক- ৰেণুবোৰ
খাতাত লিখক - সময়ৰ হিচাপ
নৈখন বৈ থাকক - সৰ্পিল গতিত
এপাৰে খানক
সিপাৰৰ ভাঁজে ভাঁজে
বলুকা পৰক
বলুকাত গজি উঠক সেউজীয়া ঘাঁহ
গজি উঠক অৰণ্য
অৰণ্যই মোক হাত বাউলি দি মাতক,
গছ গছনিৰ মাজে মাজে
চৰাই চিৰিকটি, পখিলাবোৰ উৰি উৰি ঘূৰি ফুৰক।
আৰু জ্বলি থাকক
মোৰ ঘৰৰ মজিয়াৰ প্ৰতিটো কোণত
টিপচাকিবোৰ।●

# জীৱন-এষণা

**ফনীন্দ্ৰ কুমাৰ দেৱচৌধুৰী**

জোখমাখবিলাক সকলো ঠিকেই থকা যেন লাগিলেও ক'ৰবাত যেন কিবা খেলিমেলি হৈ যায়।
পথাৰত ভৰি দি খোজ দিবলৈ প্ৰয়াস কৰোঁ।
মুখ মেলি নিমন্ত্ৰণ কৰোঁ সূৰ্যৰ আলোক।

'বহু বছৰ আগতে ভিয়েনাৰ গীৰ্জা এটাৰ সন্মুখত এহাল দম্পতি দেখিছিলোঁ । ক'ৰবাত স্মৃতিত ৰৈ গৈছিল। আজি হঠাতে কিয় জানো মনলৈ আহিল।'

গীৰ্জাৰ বাহিৰত ঈশ্বৰ

গীৰ্জাৰ ভিতৰৰ অপূৰ্ব ভাস্কৰ্য চাই
শূন্যতে ওপঙি ওপঙি আহিছোঁ পৰ্যটকৰ ভিৰৰ মাজেৰে
বাহিৰত এহাল দম্পতি
মানুহজনে চকু মুদি বেহেলা বজাই আছে
কণমানি এটাই নাচি আছে আপোন ভঙ্গিমাৰে
কেনভাছত ৰং
হাতত তুলিকা লৈ থকা তৰুণীজনীয়ে চকুৰে মাতিলে
এক পাউণ্ড
দুই মিনিটৰ ছবি
পোৰ্ট্ৰেইট এখন আঁকি দিওঁ

আজিৰ দিনটো কৰি দিওঁ অবিস্মৰণীয়
দুই পাউণ্ড দিম
ঈশ্বৰৰ পোৰ্ট্ৰেইট এটা আঁকি দিয়া
নাকটো কপালখন মুখখন সাইলাখ তোমাৰ দৰেই আঁকিব পাৰিম
তোমাৰ মনটো কেনেকৈ আঁকিম
মনটোৱে ঈশ্বৰ
অসীমক কিদৰে সসীমৰ ৰেখাত বন্দী কৰিম

ইমান ধুনীয়াকৈ হাঁহিলে তাই
হাঁহিটো
বেহেলাৰ সুৰটো
কণমানিৰ নাচোন
সকলো  সমুদ্ৰৰ ঢৌৰ দৰে
গীৰ্জাৰ বাহিৰত
ঈশ্বৰ হৈ অসীম।●

# শাওনৰ আকাশ

**অনুভৱ তুলসী**

**(১)**

শাওণৰ আকাশ মোৰ পঢ়াশালি
বোকা দিয়া পথাৰ মোৰ পাঠ্য বিষয়

বিজুলী শিঙাল
গোঁৰাৰ গাজনি
মেঘ সভাৰ
অভিজাত আয়োজন
বৰষুণৰহে
দেখা দেখি নাই

এই শূন্য
শূন্য হৈও
অসহনীয়।

**(২)**

# জীৱিত কৱিতা

হিমচেঁচা আৰু শুধ নৈঃশব্দ্য
মৃত আৰু জীৱিতৰ
প্ৰিয় বিচৰণভূমি

মৃতৰ মুখৰ হাঁহি
জীৱিতৰ বাবে প্ৰেৰণা আজীৱন

মৃতই জীৱিতক বৰ ভাল পায়
যাবৰ পৰত সেয়ে
নিজৰ চকুৰ তৰা
জীৱিতক দি যায়

সেয়েহে হয়তো জীৱিত
আন্ধাৰতো জিলিকি থাকে। ●

# মৃত্যুৰ ইপাৰে সিপাৰে

**ড০ নন্দ সিং বৰকলা**

জীৱনৰ গতিময় প্ৰগতি মৃত্যুৰ স'তে সীমাৰদ্ধ... মৃত্যু হ'লেই
ঠিক যেন নদীৰ দুপাৰ কোনো দিনেই লগ হ'ব নোৱৰা বিষাদ

সম্বন্ধ সম্পৰ্ক প্ৰাচীন প্ৰকৃতিৰ বুকুৰে মহীয়সী ৰূপ প্ৰশস্ত
মন্দিৰৰ ঘণ্টা ধ্বনি বাজিলেই উদ্বেলিত হয় সমস্ত আধ্যাত্মিক ৰূপমন্ত্ৰ

হিংসা, অপমান, ষড়যন্ত্ৰত হেৰাই থাকে সম্বন্ধ-সম্পৰ্ক
কোনেও সময় নাপাই সেই সম্পৰ্ক স্পৰ্শ কৰিবলৈ
ডাৱৰৰ পানীগছাত চকু তিতিলেই
সাগৰৰ বুকুৰ ৰং ভাঙি বিদীৰ্ণ কৰে ঢৌৱে
তেনেকৈয়ে- মানুহে মানুহে অপমান, অহংকাৰৰ পাহাৰটো ওখ হৈ যায়।

মাটিৰ প্ৰতি প্ৰচচ্ছ আত্মিকতা জীয়াই ৰাখিছোঁ
ৰাখিছোঁ জীয়াই গছৰ বাবেও, শইচৰ পথাৰখন
চৰাই, অৰণ্য, পাহাৰ, সংগীত, ছবি, পৰিব্ৰাজক, পৰ্যটক অনেক মানুহৰ বাবে
জীয়াই ৰাখিছোঁ প্ৰেম, ভালপোৱাৰ, বিশ্বাস আৰু শ্ৰদ্ধা
দিহিঙে দিপাঙে... নৈ দৰে বৈ বৈ

মৃত্যুৰ সিপাৰত মৃতদেহ নাজানে- তুমি ছটিওৱা ফুলৰ ৰং কি?
তোমাৰ চকুৰ পানীয়ে ধুই নিছে নে বুকুৰ ষড়যন্ত্ৰ... নেদেখে মৃতদেহে
মৃত্যুৰ এই পাৰেই দুহাত জুৰি মাতিব পৰাহেঁতেন ৰ'দক
জোন, তৰা, জোনাক আৰু বৰষুণক... হয়তো ধুই নিলেহেঁতেন বুকুৰে

সাঁচি ৰখা যাতনাত তিতা বেদনাৰ অপমান।

এখন কৰুণ হাত বিপদত কান্ধত ধৰি মাতিব পাৰি নে?
সম্পদত অনেক হাত চাপৰিতকৈ সেই হাত গুণৱান, যশস্বী স্বাভিমানী হে...

ষড়যন্ত্রবোৰ দলিয়াই প্রেমত তিতিব পাৰিলে
অনানুংকৰিত এজাক শিশুৰ অৱশিষ্ট হাঁহিয়ে ৰ'দত জিৰাব পাৰিব
চৌপাশে গুঞ্জিত হৈ বিয়পিব কেঁচা-কুঁহি গোন্ধ
মৃত্যুৰ এই পৰেইআহাচোন সাজো সেঁতু
নৈত সিটো পাৰক চাবলৈ, মাজৰ পানীৰ প্রবাহে উৎসাহ পাব বুলিয়ে
আহা পশ্চিমে জীৱনৰ অল্পজান শুহি নিঃশেষ কৰাৰ আগেয়ে
দলিয়াই দিওঁ যতমানে কপটতা, অবিশ্বাস, ঘৃণা...
আমাৰ অনুশোচনা শেষ কৰোঁ আহা।

মৃত্যুৰ পিছত তাৰ হিচাব কোনেনো ৰাখিব, কোনেইবা পাব গম
বুকুত বলি থকা গাজনি, ঢেৰেকণি, আন্ধাৰৰ কপটতাৰ ঢৌ
আহা দুহাতলৈ নমাই আনি শ্রদ্ধা প্রণাম কৰোঁ ইজনে-সিজনক
য'ত য'ত এৰি থৈ আহিছোঁ হৃদয়

প্রেম ভালপোৱা, মাটিৰ সুঘ্রাণ, বৰষুণৰ মাদকতা
বেয়াপোৱা অনেক বিষাদ থুপ খাই থকা বুকুবোৰক তিতাও আহা প্রেমেৰে

মুখাৰ তলত থকা মুখ
মুখৰ তলত থকা কথা
আহা বিনিময় কৰোঁ- পশ্চিমে আন্ধাৰ কৰাৰ আগেয়ে
জীৱনৰ ৰামধেনুৰ ৰঙৰ বাৰংবাৰতা।●

# সোণালী বৈভৱ

**ফণীভূষণ দাস**

হৃদয়ত অহৰহ বাজি থাকে
নিৰ্জন নিসৰ্গৰ সুৰদী তাল
পাষাণময় এই তপত আৰেষ্টনী ফালি
গুচি যাম যেন
ছায়াস্নিগ্ধ বননিৰ বুকুৰ উম লৈ
উশাহত ল'ম ঢৌ খেলা বিৰিণা-বতাহ
দেও-ডৰিকৰ সুগন্ধি মাতৰ স্বচ্ছতা
শুনি ৰ'ম সৰাপাতৰ মৃদু মৃদু মৰ্মৰ ধ্বনি
মুগ্ধ বন ৰেণুৰ মৌ মিঠা মাত
উঁইচিৰিঙা জিলীৰ মাতে পোহৰাব মন
ফৰিং পখিলাই বুকুত সানিব হেঙুল
চুই চাম আদৰমালতীৰ লাজুকী পাহি
বিৰিখ পাতত ৰান্ধনি বেলিৰ মায়াজাল
দুচকুত উঠিব ভাঁহি
বৰষুণৰ ছন্দত কিদৰে স্পন্দিত হয় গছ-বন
নাচি উঠে ফুল-পাত, কীট-পতংগ

শিলাময় এই ৰুক্ষ মহানগৰীত
বন্ধ হ'ব খোজে উশাহ
গুচি যাম যেন
তাহানি এৰি অহা সুৰীয়া নৈৰ
বালিচন্দা যেন বলুকাৰাশিলৈ

সোণবৰণীয়া ৰ'দৰ গুণগুণনি শুনি
বুটলিম সোণামুৰা শৈশৱৰ সুৰ
সাজিম ভাঙিম হেঁপাহৰ বালিঘৰ
শুনি ৰ'ম উৰি ফুৰা গঙাচিলনীৰ মাত
ঝাও গছৰ মধুৰ জিৰজিৰণি
বালিমাহীৰ নাচোনৰ চেৰে জুৰাব মন
আকাশপটত আঁকিম দীঘলীয়া সুহুৰি এটি
অহৰহ বাজি থকা
নিৰৱ বীণাৰ তাল বুটলি বুটলি
ভ্ৰমি ফুৰিম মই
শস্যময় বহু পথাৰ প্ৰান্তৰ
সাগৰ সৰু সৰু অৰণ্যানিৰ দুৰ্গম পথ
আৰু অনুভৱ কৰিম
নৈসৰ্গৰ নিয়ত উশাহ
নান্দনিক গোপন ছন্দময়তা
যি মোৰ প্ৰাণৰো প্ৰাণৰ
সাঁচতীয়া সোণালী বৈভৱ।●

# একপক্ষীয় ভাৱে

**জয়ন্ত বল্লভ শৰ্মা**

**(১)**

এখন প্ৰকাণ্ড সামুদ্ৰিক জাহাজৰ তলি ফুটিছে
বিশালকায় তিমি মাছেই ঘটনাৰ কাৰণ  নহ'বও পাৰে
সমুদ্ৰৰ তলিত হেনো ওখ পাহাৰো থাকে

তিমি
নে
সমুদ্ৰৰ তলিত থকা ওখ পাহাৰ

কোনে যে খুন্দিয়ালে
তলি ফুটি হোৰ-হোৰাই পানী সোমাইছে
ক্ৰমশঃ জাহাজখন তললৈ বহি গৈছে
একপক্ষীয় ভাৱে দোষ তিমি মাছকে দিয়া দেখা যায়
দুৰ্ঘটনাৰ উৎসত এটা তিমি মাছ আৰু সমুদ্ৰতলিৰ
এখন অদৃশ্যায়িত পাহাৰ

বিশালকায় তিমি মাছেই ঘটনাৰ কাৰণ নহ'বও পাৰে
সমুদ্ৰৰ তলিত হেনো ওখ পাহাৰো থাকে।●

## (২)
# এদিন এই খিৰিকীৰে

মনৰ অভ্যন্তৰত একোখন লুক্কায়িত খিৰিকী থাকে- থকাটোৱেই স্বাভাৱিক কথা
অনেকেই মুখ খুলি ক'বলৈ সংকোচ কৰে- ক'ব পাৰিবনে কোনোবাই
এবাৰ হ'লেও সেই খিৰিকীখন খুলি চোৱা নাই

খিৰিকী এখন মোৰো আছে

হাতেৰে চুই চাওঁ- দুই-এঠাইত ঘূণে ধৰিছে- ধৰিবই
ঘূণে ধৰা খিৰিকী- সময়ত সুলকি পৰে-পৰিবই

মন গ'লে কেতিয়াবা খিৰিকীখন খুলি বাহিৰলৈ চাই পঠিয়াওঁ
আৰু নিজান পথ এটিৰ দৰে
গুণগুণাওঁ

এদিন এই খিৰিকীৰে

এটি মুক্ত বনৰ গোলাপ- অৰণ্যখনে মোক উপহাৰ দিছিল
মই অনুগৃহীত হৈ ৰৈছিলোঁ কাৰণ গোলাপৰ সেই ভালপোৱা
উশাহৰ এফাল হৈছিল

খিৰিকীখন খুলি বাহিৰলৈ চালোঁ তাহানিতে দেখা প্ৰাচীন আকাশখন একেই আছে
একেই আছে- ৰৌদ্ৰস্নাতা প্ৰকৃতিৰ মনোৰমা ৰূপৰ জিলিঙনি অথচ আজি
মোৰ শীৰ্ণ দুহাতত এটা হেৰোৱা সপোনৰ বিননি

আজিকালি খিৰিকীখন নোখোলাকৈয়ে ৰাখো কাৰণ কাণ পাতিলেই শুনো
ছাঁই বৰণীয়া দুৱাৰত অৰণ্যৰ বিষন্ন টহল আৰু এনেকৈয়ে

সাঁচি থৈ দিওঁ শূন্যতাৰ আপোন কোলাহল

মেঘ-বৰষুণৰ দৰে  আকাশখনেৰে হেৰোৱা নিৰ্যাস ওলমি পৰে
ক'বলৈচোন মোৰ একোৱেই নাথাকে- যদিওবা বন্ধ খিৰিকীত
পৰিত্যক্ত ক্ষণে আহি- কি জানো ক'ব খোজে

এদিন এই খিৰিকীৰে
মনৰ অভ্যন্তৰত একোখন লুক্কায়িত খিৰিকী থাকে-থকাটোৱেই স্বাভাৱিক কথা
অনেকেই মুখ খুলি ক'বলৈ সংকোচ কৰে- ক'ব পাৰিবনে কোনোবাই
এবাৰ হ'লেও সেই খিৰিকীখন খুলি চোৱা নাই

পুণশ্চঃ

একাকীত্বত শুই থকা শব্দৰ নীৰৱতাত কিমান যে প্ৰশ্নৰ অৱতাৰণা হয়
অথচ প্ৰশ্নবোৰ সকলোৱে নিজস্ব- উত্তৰবোৰো নিজস্ব
ক'বলৈ গ'লে- জীৱনটোৱেই যে এক প্ৰশ্নবোধক চিহ্নমাত্ৰ।●

# আহিবনে ঘূৰি

**পদ্মবাহাদুৰ গুৰুঙ**

**(১)**

অচিন মায়াবীৰ
অদৃশ্য হাতৰ পুতলা হৈ
নাচো, আমি নাচি আছোঁ
বিবেক বেচিছোঁ
জীয়াই থকাৰ তাগিদাত
দৈনন্দিন --

পালতৰা নাৱৰ গুৰি বঠা
কাৰ হাতত নাজানো
উজাই যাওঁ ভটিয়াই চাওঁ
গৈয়েই আছোঁ উজনি-নামনি হৈ
অবিৰত যাত্ৰা লক্ষ্য বিহীন--

কিহৰ প্ৰয়োজনত আন্দোলন
প্ৰতি-আন্দোলন
বন্ধ-হৰতাল আমৰণ অনশন
কৰিব লাগে বাবেই কৰা হয় নেকি?
শূন্যত ওলমি ৰয় ফলাফল
ফুটুকাৰ ফেন পৰাধীন ----
জীৱনৰ প্ৰমূল্যবোধ

সাহস-সততা, গৌৰৱ জহি-খহি যায়
ইতৰ আৰু নৰতনু জীৱন
আছেনে অমিল-- কোনোবাখিনিত।
আহিব জানো ঘুৰি
আই অসমীৰ হৃত গৌৰৱ

আছেনে ক'ৰবাত খামিডাঠ বনুৱা ক'বহি আহি--
মোৰ দেশ মোৰ মাটি
মোৰ আই মোৰ জাতি ।

বিনাশী এন্ধাৰ দিয়া আইক
অবিৰত গতি উন্নতিৰ সোপান
প্ৰতিদিন, প্ৰতিনিয়ত।●

## (২)
## কৱিতা

কবিতাই মনৰ বতৰা আনে
কবিতাই মনৰ বতৰা বিলায়,
আপোনজনৰ মাজত সাদৰে
আদান প্ৰদান অফুৰন্ত ভাৱনাৰ কল্পনা প্ৰসূত চিন্তাৰ
উন্মুক্ত প্ৰকাশ
কবিতাই শব্দৰ জখলা বগায়
খুপি খুপি খোজ পেলায়,
জানোছা পিছলে শব্দৰ অতপালি,
ভৰি পিছলিলে দুখ পায়
মন পিছলিলে চকুলো নিগৰে নীৰৱে

কবিতা কবিৰ বিপ্লৱী কণ্ঠ প্ৰতিবাদী কণ্ঠ প্ৰতিবাদী মনৰ উন্মীলন নৱ- চেতনাৰ,
কবিতা চৰাই হৈ উৰে গগনব্যাপী নীলিমাৰ পৰিধি ভাঙি
ছবি আঁকি ভাল পায়
সেউজবুলীয়া পাহাৰ ভৈয়াম
হৰষিত চিত্তে আদৰে
সাগৰৰ নীলা,
গীত গায় বিশ্বজনীন মানৱতাৰ
চৰণ ধুৱায় মাতৃভূমিৰ
চৰণ ধুৱায় নিতে ভাষা জননীৰ।●

# তুমি মোৰ জীৱনলৈ নহালৈকে

অনুপমা বসুমতাৰী

তুমি মোৰ জীৱনলৈ নহালৈকে
বিচ্ছেদ অথবা বিদায় কোনোটোৱে মোক
এনেদৰে আঘাত দিয়া নাছিল

যিদিনাৰে পৰা তুমি আহিলা
প্ৰতিটো বিদায় মূহুৰ্তই
মোৰ বাবে হৈ পৰে একোটা বিচ্ছেদ
আৰু প্ৰতিটো বিচ্ছেদতেই
মোৰ মৃত্যু হয়

তুমি মোক জীৱন দিছা
লগতে দিছা মৃত্যুৰ শোকাবহ
এই বিদায় যন্ত্ৰণা

তোমাৰ পৰা বিদায় নোলোৱাকৈ
জীৱনটোক যাপন কৰিব পৰাকৈ
দীঘলীয়া মূহুৰ্তৰ প্ৰাৰ্থনা কৰোঁ
পাম নে?●

(২)

## থাকিলেও থাকক

থাকিলেও থাকক
দুচকু ভৰি পানী
আহিলেও আহক নামি
দুকুল ভাঙি বৈ
লুনীয়া নিজৰা হৈ

থাকিলেও থাকক গোপনে
বুকু ভৰি দুখ
পাৰ ভাঙি উপচি পৰক
নিশ্বাসে নিশ্বাসে
মোৰ অমূল্য সম্পদ হৈ

মই যে মৰমৰ আজন্ম কাঙাল
তোমাৰ পৰা ভিক্ষা কৰোঁ
কেৱল এবুকু মৰম
দুখত কাতৰ হৈ কান্দিবলৈ
তোমাৰ দুবাহুৰ আশ্রয় বিচাৰোঁ

তোমাকতো কৈছোঁৰেই
কান্দিবলৈও লাগে
কাৰোবাৰ মৰম ভৰা বুকুৰ আশ্রয়।●

# জালুকবাৰীত গধূলি

**অতনু ভট্টাচাৰ্য**

জালুকবাৰীত মোৰ এটা সান্ধ্য ভ্ৰমণৰ বাসনা থাকি যায়
বতাহে যেতিয়া উন্মাদ কৰি তোলে কৃষ্ণচূড়াৰ ডাল,
মই ভোকাতুৰ হৈ উঠোঁ,
জালুকবাৰীৰ এগিলাচ গধূলিৰে মোৰ যেন পিয়াহ নপলায়

দিনৰ ব্যস্ততা শেষ হ'লে জালুকবাৰী অকলশৰীয়া হয়
ইউনিভাৰ্ছিটিৰ বুকু উদং কৰি গুচি যায় ছাত্ৰ-ছাত্ৰী, নিষ্ঠাবান প্ৰফেছাৰ
গাড়ীৰ আহ-যাহ কমি আহে, খলকনি শেষ হয়,
তীব্ৰ বেগেৰে গুচি যায় আজাৰাৰ মিনিবাছ, নিপুণ কেণ্টাৰ

জালুকবাৰীৰ ফুটপাথে-ফুটপাথে মোৰ এক সান্ধ্য ভ্ৰমণৰ বাসনা থাকি যায়

ৰৈ যায় এক অদম্য অভিলাষ 'মাৰ্কেট' ত জুম পতা এজাক ল'ৰাৰ
সান্ধ্য আড্ডাৰ মাজে মাজে খোজকাঢ়ি ফুৰাৰ

হোষ্টেলৰ কোনো অভ্যস্ত আবাসীৰ দৰে মই কেণ্টিনত সোমাওঁ আৰু ৰোমাঞ্চিত
হৈ উঠোঁ,

বন্ধুৰ মুখামুখি হওঁ
মাত লগাই গুচি যায় বাছৰ চালক, চিনাকী কণ্ডাক্টৰ

গধূলি যেতিয়া চঞ্চল হৈ উঠে জালুকবাৰীৰ যৌৱন

মই মোৰ নিজৰ প্ৰেমত পৰোঁ,
চকুৰ পানীত যেন ডুবি যায় মোৰ বেদনাকাতৰ মন

জালুকবাৰীৰ অলিয়ে গলিয়ে মোৰ এটা সান্ধ্য ভ্ৰমণৰ বাসনা থাকি যায়
মই ভেগাবণ্ড্ হৈ ঘুৰি ফুৰোঁ, ষ্টেট বেংক চ'কৰ পৰা
আৰ. ছি. ছি. ফ'ৰ, ব্যগ্ৰ হৈ শুনো সুন্দৰবড়ীৰ কোনো
গৰখীয়া ল'ৰাৰ সুঁহুৰি।●

# একুকি কৱিতা

**বিমল বাৰৈ**

গান গালে

চৰাই পখিলাৰ দৰে উৰি ফুৰে
অলপ মৰম পালে
শিলৰ দৰে নিঃস্তব্দ হৈ পৰে
আঘাত অধিক পালে
ফলাফল বেছি ভাল
অনুপ্ৰেৰণা পালে

আপুনি জানে নে নাজানে
ডাঙৰ কথা নহয়
বুকুখন পাতল হয়
চিএঃৰি গান গালে।

ফুলক ফুলিবলৈ দিয়া

এই যে তোমালোকে ভাল পোৱা বেয়া পোৱা
দৰাচলতে তাৰ বাবে,
ময়েই জগৰীয়া
অহোৰাত্ৰ ময়েই মোৰ,
একান্ত লগৰীয়া

সাময়িক তোমালোক,
ক্ষণিকৰ কাষৰীয়া
তাকৰীয়া হ'লেও সান্নিধ্য মধুৰ হ'ব পাৰে
যদি সেয়া আন্তৰিক নিবিড় নিয়মীয়া
মানুহৰ এটা মহত্তম দায়িত্ব মানুহক ভালপোৱা
ভাল পোৱাৰ অৰ্থ ফুলক
বুলিবলৈ দিয়া।

কবি

কবি ষড়যন্ত্ৰী নহয়
নীচতা সংকীৰ্ণতা কবিৰ বাবে নহয়
নাজানে কবিয়ে কৰিব কাকো
অশোভন উৎপীড়ন

কবিয়ে জানে
কৃতজ্ঞতাৰ ঋণ স্বীকাৰ কৰা ভাল
কবিয়ে ভাল পায় ফাগুনৰ পছোৱা
আনন্দ--লহৰী
প্ৰভাতৰ মৃদু সমীৰণ
বিহগৰ মিঠা গুঞ্জন
কবিয়ে বেয়া পায়
অনৰ্থক আস্ফালন
অৰ্থসৰ্বস্ব অনৈতিক জীৱন

তোমাৰ হৈছে কি?

মোৰ মুখখন গোমোঠা দেখি
সুধিলে চৰাইজনী
তোমাৰ হৈছে কি?
কলোঁ, ‘কষ্ট পালে হাঁহিব জানো পাৰি’
ক’লে পুনৰাই মিচিকিয়াই হাঁহি
আছেনো আমাৰ কি!
নাথাকিলেও নাথাকো কঠুৱা মুখ কৰি’

আৰু ক’লে উৰি উৰি---
‘তোমালোক বৰ স্বাৰ্থান্বেষী
ক্ষুদ্ৰ আঘাতত বিকট চিঞৰ
আকাশখন ফালি’।●

# নাঙল

**কৌস্তুভমণি শইকীয়া**

পিৰালিৰ পৰা বেৰলৈকে হেলনীয়াকৈ আঁউজি
ভৰ দুপৰৰ ভাগৰত পুঁৰতি নিশালৈকে তই শুই থাক
মোতকৈ তই দুবছৰে ডাঙৰ
পিতায়ে আইক পলুৰাই অনা বছৰত
তই আছিলি গছ এজোপাৰ গাত
বৰ পিতায়ে গা-গছ বগাই কাটি আনিলে তোক
এৰাবাৰীৰ পাহুৱাল ডালবোৰৰ ভিতৰত
তয়েই আছিলি চকুত লগাকৈ আঁকোৰা
তই বৰ অহংকাৰী আছিলি
এজাৰৰ সঁচতো! লেকেচীয়া আৰু চকু থকা
তোৰ বুকুত বাইচ্ বহুৱাব নোৱাৰি
বাঢ়ৈৰ ওঁঠত ফুটিল অবাইচ মাত
পিছত তই বশ হ'লি
নতুন সঁজুলি হৈ পথাৰত নামি জিনিলি আঁওচ
চিক্ চিকিয়া ফালৰ জিভাৰে তই মাটিৰ মঙহৰ জুতি লৰ
বুকুত সোমাই ঈহমাৰিয়ে সাৱটে তোক
যুঁৱলিৰ লগত তোৰ এৰাব নোৱৰা সম্পৰ্ক গৰুহালে জানে
শলমাৰিৰ মাজত সোমালে সিহঁতৰ আমনি নৰজে

তই বৰষুণৰ নাচ ভাল পাৱ
বিজুলী মাৰিলে উচপ খাই উঠা জনকক
অভয় দি ঠিকনা শুনাৱ মেঘৰ

কেঁচু কুমটি আৰু পানী পৰুৱাই
চকুপাৰি দেখিব নোৱাৰে তোক
পানীঘোলা পথাৰত কমাই ফুৰা মাছবোৰে
বদনাম ৰটে তোৰ
তোৰ প্ৰিয় ৰং সেউজীয়া
তাকে চাবলৈ মতলীয়া হোৱা
তোৰ ভাঁজত থকা চকুহাল সদায় বেলিমুখীয়া।●

## (২)
## জন্ম যন্ত্ৰণা

কবিতা এটা লিখি উঠিয়েই
মই এসোঁতা কান্দো
কন্দাটোৰেই মোৰ সুখ
মোৰ অসুখ কি মই জানো
সকলোকে বুজাব খোজা
এক নিবিড় আকাংক্ষাত
দীৰ্ঘ দিন ধৰি মই অধৈৰ্য

কবিতা এটা লিখি থাকোঁতে
আখৰে আখৰে মই ভাবোঁ
কবিতাটো কোনোবাই এদিন পঢ়িব
শব্দ চৰ্চাত সেয়েহে বাৰে বাৰে
অবিৰতভাৱে মই দায়বদ্ধ
মানুহৰ বাবে প্ৰাণ পাই উঠা
কবিতাই মোক সপোন দেখুৱায়
ভাৱৰ সতে মধুযামিনী কটাওঁ
গা-ভাৰী হৈ ক্ৰমে ক্ৰমে

বাঢ়ি আহে সি বগা কাগজৰ পৃষ্ঠাত
ছপাৰ মুখলৈ বাট চাই বহুদিন
কবিতাটো পৰি থাকে সম্পাদকৰ টেবুলত
কেতিয়াবা অপাঠ্য আবৰ্জনা বুলি
পেলনীয়া কাগজৰ বাকচত সোমায়

তথাপি জীৱনৰ মায়া যুঁৰলিত
কবিতা আত্মাৰ দৰে অবিনশ্বৰ।●

# অস্বীকৃতি

**প্ৰণবেন্দ্ৰ শৰ্মা**

তলৰ কবিতাটোৰ কোনো জীৱিত বা মৃত, ঐতিহাসিক বা অনৈতিহাসিক, নৈতিক বা অনৈতিক, ব্যক্তিৰ লগত সংস্পৰ্শ বা সম্বন্ধ নাই। কোনোবাই যদি বিচাৰি পায় তেনেহ'লে তেওঁৰ কল্পনা অতি সাৰুৱা আৰু ভৱিষ্যতে সেই সাৰুৱা মগজুৰ পৰা ৰাইজে নিশ্চয় আৰু অনেক আমোদৰ খোৰাক পাব।

কবিতাটো লিখোঁতে কোনো পশু-পক্ষীৰ, বিশেষকৈ বুলবুলি চৰাইৰ, কোনো ধৰণৰ ক্ষয়-ক্ষতি কৰা হোৱা নাই। অৱশ্যে মোৰ চৌঠেঙীয়া সঙ্গী স্কুবীৰ এই কথাটোত দুৰ্ঘোৰ আপত্তি আছে। কবিতাটো লিখাৰ সময়ত অৱহেলিত হৈ মানসিক অশান্তি পোৱা বুলি সি হেনো PCTA ৰ ওচৰত ন্যায় বিচাৰি গোহাৰি জনাব। অৱশ্যে যদি মই এখনৰ সলনি দুখন বিস্কুট তাক এতিয়াই দিওঁ তেনেহ'লে সি বিষয়টো গভীৰভাৱে বিবেচনা কৰিব পাৰে বুলি ইঙ্গিত দিছে।
গতিকে ইমানেই।

*কবিতাটো লিখোঁতে প্ৰয়াত Robert Frost 1 The Lockless Door নামৰ কবিতাটোৰ সহায় লোৱা হৈছে।*

দুৱাৰখন বন্ধ কৰিবলৈ
নাছিল কোনো বাদুলি-সঁচাৰ,
বহুবছৰ অপেক্ষাৰ মূৰত
দুৱাৰত পৰিল এটা টোকৰ;

হাতত সাৰে ভৰিত সাৰে
দুৱাৰখনৰ কাষলৈ আহি,

দুয়ো হাত তুলি ওপৰলৈ কৰা
প্ৰাৰ্থনাৰ শব্দ আহিল ভাঁহি;

লাহেকৈ নুমাই ম'মবাতিডাল,
কাণপাতি শুনিলোঁ মই দুৱাৰত,
হ'লহেঁতেন যদি খিৰিকিখন বহল
দেৱাল বগাই ওলালোঁহেঁতেন বাহিৰত;

সেয়া শুনিছোঁ দুৱাৰত আকৌ টোকৰ,
লাগে কি, নিদিয়া কিয় মোক শান্তি
আহিছোঁ জনাবলৈ মাথোঁ আমি ইয়াকেই,
সঁচাৰবিহীন দুৱাৰখনৰ নাপালোঁ সঁচাৰ-কাঠি।

তাৰ পাছত যেতিয়াই দুৱাৰত শুনো টোকৰ,
কল্পনাৰ সাগৰত নাও মেলি যাওঁ মই উটি,
চিচিম ফাঁক হৈ কাৰাগাৰৰ চাল মেল খাই যায়,
বুলবুলিৰ পাখীত উঠি ঘৰলৈ মই যাওঁ উৰি।

বহুদিন হৈ গ'ল নোপোৱা বিচাৰি সঁচাৰ-কাঠি,
কোনো কথা নাই নোৱাৰে দিব বাধা মোৰ কল্পনাক,
বহুযুগ পাছত পঢ়া যদি মোৰ বীৰত্বৰ কাহিনী,
মইনাহঁত নুদুষিবা মোক, দুষিবা গজমূৰ্খ লেখকক।

লিখি থৈ যোৱা নাই মই কোনো কাল্পনিক কাহিনী,
সঁচাৰ-কাঠি নোহোৱা দুৱাৰেৰে সোমালো কেনেকৈ,
খাইছিলে কোনে বাৰু ভাং জানানে মইনাহঁত,
গজমূৰ্খ লেখকে নে আদেশ দিয়া শাসকবৃন্দই?●

# মোৰ পলম হৈছিল

**ডাঃ শৰৎ চন্দ্ৰ ৰাভা**

মই উভতি আহোঁতে পলম হৈছিল
গোটেই বাটত সিদিনা সৰিয়হফুল ফুলিছিল
মোৰ হাতৰ তলুৱাৰে সিৰসিৰকৈ বৈ গৈছিল
নিয়ৰৰ টোপাল

দেশখনে সিদিনা বিচাৰিছিল
মই উভতি অহা

মোৰ পলম হৈছিল
উপলব্ধিৰ এটা সময় আছে বুলি ভবাটো
মোৰ ভুল আছিল

নদীখনে কান্দিছিল এজাক বৰষুণৰ বাবে
ধূলি ধূসৰিত পাহাৰখনে সৰাপাতৰ খৰ-মৰণিত
হামৰাও কাঢ়িছিল
কুঁৰলিয়ে ঢাকি ধৰিছিল ওৰেটো পথ

মোৰ পলম হৈছিল
কেঁকুৰিটো পাৰ হওতে
ইতিমধ্যে মানুহবোৰৰ মূৰবোৰ থেতেলি গৈছিল
কেঁচা পাতবোৰ লেৰেলি গৈছিল
পথাৰবোৰ চিৰাল ফাঁট দিছিল

সিদিনা মোৰ আত্মীয়বোৰে বিচাৰিছিল
মই উভতি অহা
শত্রুবোৰেও বিচাৰিছিল মই জী উঠা
আন্ধাৰবোৰে কান্দি আছিল আন্ধাৰতে
কুকুৰাটোৰে সময়মতেই ডাক দিছিল
কিন্তু আন্ধাৰবোৰ পাৰ হওতে
কেঁকুৰিটো পাৰ হওতে
মোৰ পলম হৈছিল।●

# শৰতৰ চিম্ফনি

প্ৰহ্লাদ বড়ো

বিথোভেনৰ ‘চিম্ফনি নং- ৫’ চাইছোঁ,
সংগীত পৰিচালকৰ
মাৰি আৰু হাতৰ আঙুলিৰ বুলনিত
বাদ্যযন্ত্ৰীৰ বাদনত মুখৰিত
প্যঁনতমৰ পৰা শীৰ্ষতম স্বৰৰ মায়াময় ঐক্যতান,
কিন্তু,
এটা’ম ছোনাটাত মধু-গুঞ্জন মুখৰ মাথোন
স্বৰগমৰ মধ্যম ‘মা’ৰ দৰে
বিশেষ আৰোহ-অৱৰোহহীন
কৰ্ণমধুৰ যন্ত্ৰ-সংগীত ধ্বনি ।

সাহিত্য-কলাৰ নবৰসৰ শান্তৰসৰ দৰেই
ঋতুৰ ৰূপান্তৰত - শৰৎ
প্ৰকৃতিৰ এক অতি নান্দনিক
নিটোল প্ৰশান্ত অভিব্যক্তি,
যেন, মানৱ জীৱনৰ শান্তিৰ সূত্ৰ সন্ধানৰত
অৰণ্যে-দৰণ্যে ঘূৰি ফুৰা সিদ্ধাৰ্থৰ
বোধিদ্ৰুমৰ তলত পোৱা
নিৰুদ্বিগ্ন সৌম্য সৰগী বুদ্ধৰূপ ।

নেৰানেপেৰাকৈ বৰ্ষণ হোৱাৰ পিচত
ছেগা-ছেৰেগাকৈ হৈ আছে বিৰতি,

গ'ল ৰাতি
বিজুলীৰ আঁক-বাঁকহীন আকাশত দেখিছিলোঁ
জলজল পটপট কৃষ্ণপক্ষৰ জোন
দিকচৌ, চৌদিশ আদি-গন্তব্যাপ্ত
মাথোন মায়াময় ৰাংপাতাবৰণী জোনাক।

পুৱাতে দেখিলোঁ একলা-দুকলাকৈ ঠন ধৰা
আইমণি ডাঙৰ হওঁ হওঁ হোৱাৰ দৰে
চোতালৰ কাষৰৰ
নুৰুৰাকৈ হোৱা মালতীবোৰ দেখোন
ফুলমতী হ'বলৈ গৈ আছে
ইয়াৰ মানেই
লাহে লাহে এঙামুৰি দিবলৈ লৈছে
শৰৎ ।●

# প্ৰেমে ধৰি ৰাখিছে জীৱনৰ দহ-দ্ৰাঘিমা

**ৰুদ্ৰ সিংহ মটক**

**(১)**

বোকাৰপৰা উঠি অহা তৰা-ফুল দুপাহ
সীৰলুৰপৰা উঠি অহা জীৱন

জোনাকৰ পথাৰৰ মোকতোল মোকতোল
এদোনমান শইচ্

গন্ধমাদনৰ অৰণ্যানী পাৰ হৈ আহিলোঁ ;
জোনাক-ফুটুকীয়া ৰাতিৰ তৰাবোৰে অক্ষৌহিনী জাগ্ৰত প্ৰহৰীৰ দৰে
ৰখি আছে প্ৰেমৰ হৃদয়  নে নীল আকাশৰ দহ-দিগন্ত... ?

প্ৰেমৰো কি আশ্চৰ্য যাদু !

ধ্ৰুৱই নাভিমূলত আকাশ ধৰি ৰখাৰ দৰে প্ৰেমে ধৰি ৰাখিছে
জীৱনৰ দহ-দ্ৰাঘিমা মোৰ মানুহৰ বহল  পৃথিৱীখন

আহাঁ আমি বেলিৰ দহো আঙুলিৰ ৰ'দ
হালি পৰা কবিতাৰ আকাশ আপোন কৰি লওঁ

বসন্তৰ ৰ'দে-গোন্ধে আমোলমোলাওক
হৃদয়ৰ সাতোখন বাগিচা মোৰ সভ্যতাৰ
আগচোতাল।●

(২)

## উশাহত গুৰুজনাৰ বৰগীতৰ মধুগুঞ্জৰণ

ঢৌ ভাঙি ঢৌ, ফুটা-নুফুটা অনন্ত শব্দৰ মুকুল
নে মোৰ নাভিমূলত  চৈতন্যৰ নীলপদ্ম এপাহি

কি উজ্জ্বল, সুন্দৰ...নয়নাভিৰাম এই নীল নিসৰ্গ
সুন্দৰ উত্তৰ-দক্ষিণ পূৱ-পশ্চিম মোৰ দৃষ্টিৰ আকাশ
দহ-দিগন্ত !

সাঁচতীয়া বকুৰ সাতোটাকৈ টোম উদি কৰি
হৃদী পথাৰখনে সাতো ব্ৰহ্মাণ্ডৰ বোকা-সীৰলুত
হাঁহি হাঁহি কোনজনা ব্ৰহ্মাই বাৰু ৰোপন কৰিছিল-

সেই সোণালী শব্দৰ বীজ
সুধাভৰা নামৰে কঠীয়া

শব্দ নাম যে অমিত আশাৰ শীহ, হৰিৎ তেজৰ
ৰং-ৰূপ-পৰশ-প্ৰেম, ৰূপাতীত ৰ'দৰ নিফুঁট বৰ্ণ-বাক

শব্দৰ চিত গলি গলি তেজৰ তলিৰপৰা
উঠি আহে নজহা নপমা সুৰৰ সেউজীয়া তৰা
নে মোৰ উগুল-থুগুল মুগ্ধ হিয়া গুৰুজনা আত্মাৰ  বৰগীত
এফাঁকি-
"তেজৰে কমলাপতি পৰভাত নিন্দ
তেৰি চান্দ মুখ পেখো উঠৰে গোবিন্দ..."
ব্ৰহ্মাণ্ডৰ পাৰ ভাঙি অমিয়া গোন্ধ এছাটি
সোমাই আহে মোৰ পদুমৰঙী পুৱাৰ
উমসনা  উশাহত।●

# পাইকান

**নির্মল কোচ**

**(১)**

হাব্ৰাঘাটৰ উতনুৱা ডেকা বকুত কঢ়িয়াই
সন্ধ্যা, ললিতা, কান্তা
তোমাৰ ওঁঠত অহৰহ
এডালি কালজয়ী সুহুৰি
সংগীতসূৰ্য জীতেন ডেকাৰ গীত
'অ স্ৰোতস্বিনী গঙ্গা
তই হ'বগৈ নালাগে ভল্গা
গঙ্গা হৈয়েই থাক'।

বহু শুকুলা ঘোঁৰা পাৰ হ'ল।
পাইকান,
বহু গাভৰুৰ কেঁচা সপোনবোৰ
তোমাৰ দুচকুৰ নিমিষতে বাঢ়ি আহে লহপহকৈ।

গাৰো চৰ্দাৰ আব্ৰাছেনৰ চিঞৰত
কঁপি উঠে টুক্ৰেশ্বৰীৰ কপিকুল
শ্ৰীসূৰ্যত গধূলি লুকায়।

পাইকান সাৰে থাকে নৈশবাছৰ যাত্ৰীবোৰেৰে
তোমাৰ আতিথ্যত নিঃপালি দিয়ে এটি প্ৰভাতৰ গুণ গুণ।

পাইকান তুমি বকুৰ বান্ধৱ
পাহাৰ ভৈয়ামৰ সম্প্ৰীতি
পাইকান
পাইকান হৈয়েই থাক।●

*পাইকান- পাহাৰ আৰু ভৈয়ামৰ অৰ্থাৎ অসম আৰু মেঘালয়ৰ সংযোগী স্থল।*

## (২)
## অৰণ্যৰোদন

কোনেও নুশুনে আমাৰ কথা
কোনেও নাজানে আমাৰ ব্যথা
নজহা নপমা অৰণ্যৰ স'তেই
আমাৰ দিনলিপি, নিত্য নৈমিত্তিক।

কিনো আছে অৰণ্যত?
আকাশলংঘী গছ, লতা
নেত্ৰবিহীন বিশাল প্ৰস্তৰ
প্ৰতিটো খণ্ডত খোদিত
পূৰ্বজৰ প্ৰস্তৰীভূত অস্থি।

মন্দশৈলৰ মন্দেহবোৰ
মদিৰাৰ ৰাগীত উত্তাল
গৰুড়ৰ পাখিত অৰণ্যৰ গান
ৰামায়ণৰ কিষ্কিন্ধ্যাকাণ্ডৰ কলতান।

আমাৰ কান্দোন অৰণ্যৰোদন

আমাৰ হাঁহিবোৰ আলসুৱা মেঘ
আমাৰ আশা আকাঙ্খা
নৃত্য পটিয়সী তটিনীৰ সোঁত
বিষাদবোৰ উৰে নিৰন্তৰে
এসোপা কজলা ডাৱৰৰ দৰে।

আমি কান্দিব জানো
হাঁহিবও জানো
বন মানুহৰ বন্যতাৰ ক্ৰন্দন
আমাৰ ভোক আছে
আৰু আছে পিয়াহ।

সূৰ্যৰ নিদাঘ জুইত জাপ দি মৰোঁ
চন্দ্ৰৰ মায়াময় কোলাত নিহালি লওঁ
কাইটীয়া আঁচোৰবোৰ
বনদৰবৰ প্ৰলেপ সানি
সুস্থ সবল দেহ গঢ়ি পিটি লওঁ।

আমাৰ সংগ্ৰাম মাথো জী উঠাৰ
আমাৰ সংগ্ৰাম কোনো
জাতি, ধৰ্ম, ভাষা, সংস্কৃতি
অথবা মতৰ বিদ্বেষী নহয়
অৰণ্যত সেইবোৰ তেনেই অবান্তৰ, অপলাপ।

অৰণ্যত বাস কৰা মানুহবোৰ - অৰণ্যমানৱ
আৰু কান্দোনবোৰ- অৰণ্যৰোদন।●

# নিজা কামৰ শুভাৰম্ভণি হওক

**গজেন মিলি**

বাৰিষাৰ শুভাৰম্ভণিত মাছৰ কণী ফুটি পোনা ওলায়
পোনাবোৰ চৰি ফুৰে পাৰে পাৰে
পিতনি যিমানেই ডাঙৰ নহওক কিয়
ওলাই যাব বিচাৰে কৌতুহলি পোনাবোৰে
অন্য এখন জলাশয়লৈ
চুই চাব বিচাৰে নতুন পৃথিৱী- নতুন আকাশ
ঘূৰি চোৱাৰ অৱকাশ নাই আনে কি কৰিছে

এসময়ত পোনাবোৰ ডাঙৰ হয়
সাঁতুৰি ফুৰে পিয়াহৰ পাৰ ভাঙি
বুজি উঠে পানীৰ গভীৰতা
অভিজ্ঞ হয় নিজা ধৰণে

আমাৰ মানুহে কি কৰিছে
মূল্যায়ন কৰি নেচায় এবাৰো
পিটিকি পিটিকি হ'লে চায় আনে কি কৰিছে
নকল কৰি ভাল পায় আনে কৰা ভাল কামবোৰ
বেয়া যেন লাগিলে পৰুৱা মেলি দিয়ে আনৰ গাত

আহকচোন নিজস্ব অভিজ্ঞতাৰে চুই চাওঁ অন্য এখন নতুন আকাশ

নিজা নিজা কামৰ শুভাৰম্ভণি হওক।●

# তুমি পুনৰ আহিবা

*(সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ স্মৃতিত)*

**ডাঃ হেমন্ত কুমাৰ গোস্বামী**

তোমাক আমি বিদায় দিব নোৱাৰোঁ,
কাৰণ আমি তোমাক ভাল পাওঁ;
আমাৰ পৰা আঁতৰি যাব নোৱাৰা তুমি,
কাৰণ তুমিও আমাক ভালপোৱা;
ভালপোৱা এক মায়াৰ বান্ধোন,
যি বান্ধোনৰে বান্ধ খাই আছোঁ আমি ।

তুমি পাহৰিব নোৰৱা তোমাৰ জন্মভূমি,
পাহৰিব নোৰৱা তোমাৰ কৰ্মভূমি,
পাহৰিব নোৰৱা তোমাৰ সাংগীতিক সামগ্ৰী ।
ৰসৰাজৰ আশীৰ্বাদ আৰু
জ্যোতি-বিষ্ণুৰ স্পৰ্শ ,
প্ৰিয়ম্বদাৰ প্ৰেম আৰু কল্পনাৰ সান্নিধ্য,
কেনেকৈ পাহৰিবা তুমি ?
আৰু তোমাৰ গীতৰ হেজাৰ শ্ৰোতাক
তুমিতো বিমুখ কৰিব নোৱাৰা !

আমি আজিও হাহাকাৰ কৰোঁ তোমাৰ বাবে,
আকুলতাৰে অপেক্ষা কৰোঁ তোমাৰ এটা নতুন গীতৰ বাবে,
অপেক্ষা কৰোঁ তোমাৰ কথাৰ বাবে, সুৰৰ বাবে,
যি সুৰত বান্ধ খাই আছে আমাৰ শৈশৱ আৰু কৈশোৰ,

যি সুৰে উতলা কৰি ৰাখে আমাৰ যৌৱন আৰু জীৱন ।
কান্দিবলৈও তোমাক লাগে,
হাঁহিবলৈও তোমাক লাগে,
আকাশত জুই জ্বলাবলৈও লাগে তোমাক,
ৰিমঝিম বৰষুণ জাকৰ বাবেও লাগে তোমাক!

সেইবাবে কিবা অভিমানত তুমি আতৰি গ'লেও,
মৃত বুলি চকুৰ পানীৰে তোমাক বিদায় দিলেও,
শ্ৰাদ্ধ-পিণ্ডৰে তোমাক দূৰলৈ পঠালেও
তুমি পুনৰ উভতি আহিব লাগিব ।

মৌনতাৰ সূতাৰে বোৱা বিমূৰ্ত নিশাটিৰ দৰে,
অথবা শেৰালি কোমল পুৱাটোৰ দৰে,
উৰণীয়া এটি মৌৰ দৰে,
অথবা এজাক বনহংসৰ দৰে,
অগ্নি যুগৰ ফিৰিঙতিৰ দৰে,
অথবা ৰিবৰিব মলয়া বতাহৰ দৰে,
তুমি আমাৰ লগতেই থাকিব লাগিব
চিৰদিন-চিৰকাল।●

# কথাৰ সিন্ধু মথি

ড০ সোমনাথ বৰা

অনন্ত কোটি ব্ৰহ্মাণ্ড জীয়ালোঁ।
ব্ৰহ্মাণ্ড মানেনো আৰু কি!
ব্ৰহ্ম অণ্ডহে।
আমিতো কথাৰ লাচতে কৈয়েই থাকোঁ--
'ব্ৰহ্ম টেঙা', 'ব্ৰহ্ম তিতা' - মানে অতিপাত।
এই অণ্ডটোও ব্ৰহ্ম
ইয়াতো পানী আছে, পানী জীৱৰ প্ৰাণ
অণ্ডৰ আকাৰ আকৌ ঘূৰণীয়া,
পৃথিৱীৰ আকাৰো।
সেই কাৰণে পৃথিৱী ঘূৰে,
নদীবোৰো বোৱাৰ নামত ঘূৰে আৰু ঘূৰে
নদীৰ আন এটা নাম বোলে - সিন্ধু
আমি সিন্ধু মথোঁ - মানে পানী ঘোলা কৰোঁ।
তাৰ পিছত আমাৰ পল, জাল জুলুকীত যি উঠে।
টৌ চাই ৰৌ মাছলৈ জাল মাৰোঁ
অণ্ডৰ মাজৰ পানীতে জীৱ- প্ৰাণ
আমাৰ ঘোলা পানীৰ মাজত
নিশাৰ আহাৰৰ জুতি।
আহাৰ খাই শুই থাকোঁ, ৰাতি পৃথিৱী ঘূৰে
আমি ভাবো পোহৰ হয়, আচলতে নহয়
ব্ৰহ্মাণ্ড ঘূৰে বাবে সিন্ধু ঘূৰে
কথাৰ সিন্ধু মথি পৃথিৱী জীয়াওঁ
নে ঘোলা কৰোঁ
ৰৌ ধৰো নিশাৰ সাজৰ বাবে...।●

# আধৰুৱা কাহিনীৰে এদিন...

**এডোৱাৰ্দ স্তেদি সাংমা**

এদিন তোমাৰ গাঁৱলৈ যাম
মাথোঁ তোমাক জনাইহে ওলাম
.
সেতুৰ তলত এবুকু পানী হৈ ৰম
আৰু তুমি মাছ হৈ আহিবা
.
এটা অসম্পূৰ্ণ কাহিনীৰ আকৌ অলপ পাতনি মেলিম
সাধুকথাৰ দৰেই হ'ব আমাৰ চৰিত্ৰ আৰু কথাবোৰ
.
এটা আধৰুৱা কাহিনীৰ অসমাপ্ত পৰিণতিৰ অন্তত
আমি দুয়ো পুনৰ উভতিম একোটা আধৰুৱা চৰিত্ৰ হৈ
.
এনেদৰেই আগবাঢ়িলেই নহ'ব জানো
আমাৰ জীৱনৰ ৰঙ-বিৰঙবোৰ সুখ-দুখৰ ঘটনা-পৰিঘটনাবোৰ...

এনেদৰেই আমি সুখী নহ'ম জানো!
মই জানো, তুমি আজিও মৌন হৈয়ে উত্তৰ দিবা!
সঁচা কথা এটা কওঁ ৰ'বা- আমি অসুখী হৈও, খুবেই সুখী - নহয় জানো!

ব'লা, সন্ধিয়া লগাৰ আগতেই থৈ আহোঁগৈ
ঘৰলৈ গৈ কথাবোৰ ভাবি নেথাকিবা

পৱিত্ৰ পৃথিৱীখনত সেউজীয়াই ভালপোৱালৈকে
আমিও দুটা অমল ফুল হৈ ফুলি থাকি।●

# কিহৰ ৰাগিত তুমি আদিৰ পৰা ইত্যাদিলৈ

**নিৰলা ইংহিপী**

আজিও তোমালৈয়ে বৈ আছোঁ
কোৰ্হাল নিনাদৰ বিনিময় হাটত
মৌনতা তোমাৰ প্ৰিয় ছন্দ হৈও
কিহৰ ৰাগিত তুমি আদিৰ পৰা ইত্যাদিলৈ ।

ভ্ৰমিছোঁ তোমাৰ আকাশত শব্দৰ পাখি লগাই
এটি যাযাবৰী হৃদয় হৈ
শুনিম বুলি থ'লোঁ কাণ পাতি
তোমাৰ ধানে বানে কৰা বুকু
তুমিহে শুনিলা মোৰ
তেজ ফাটি ওলাই অহা ঢেকীৰ বিননি
আচলতে সেয়া মোৰ হৃদৰোগ কম্পনৰ চিকাৰ ।

ভাল পোৱা মোৰ এটি চিহ্ন তাজমহল
কি ৰেখা আঁকি দিছিলা মোৰ বাবে তাত
আছিল জানো সেয়া মোৰ বাবে প্ৰয়োজন
তাতোকৈ হৃদয়তে মোক চুলিৰ সমান একোণত
পৱিত্ৰ কৰি ৰাখা
শিলে শিলে নামি আহি বৈ যাব
মোৰ জিৰ্ জিৰ্ সজল নিজৰা
তোমাৰ দুটি ৰঙা কলিজাৰ কাণে কাণে।●

# আকাল

**মনোজ কুমাৰ দেওৰজা**

**(১)**

ৰ'দত পোৰে মঙহ
মাংসাহাৰী পক্ষীৰ সভাত
ভোগালী উৎসৱৰ কোলাহল

গছৰ গুৰিটো চাফা কৰাৰ কথা কওঁতেই
জাঙুৰ খাই উঠিল ৰজা

ফুলৰ স্বাৰ্থতে আহ্বান কৰা হওক
এজাক বৰষুণ
এঙাৰ গেছেৰে ভৰি পৰিছে
গাৰ কাষৰ বতাহ।

**(২)**

বিষৰ পোৱালি

মোৰ চোতাল পোনাই আহিছিল ষোড়শী জোন
দুচকুত মাঘৰ সপোন

বাটত
উদং পথাৰখনে মেলি দিছিল জাল

কুঁৰলীৰ
বন্দী হৈছিল জোন

উচুপি উঠিল শীতত তিতা গছবোৰ
কামচৰাই এটাই হেৰুৱাইছিল বাট

মকৰা এটাই মোৰ চোতালত নাচিছিল
চোতাল জুৰি গাঁঠিছিল এখন জাল

মই উচুপিব খুজিও নোৱাৰিলোঁ উচুপিব কাৰণ
মোৰ কলিজাত মকৰাটোৱে মেলি দিছিল
অনামী এজাক বিষৰ পোৱালি।●

# হেজাৰবোৰ উচ্চ শব্দ

**কবীন্দ্ৰ ডেকা**

হেজাৰবোৰ উচ্চ শব্দৰ মাজেৰে
আমিচোন মাটিত পৰি থকা
জখলাডাল বগাইছোঁ।
এনেকৈ আৰু কিমান উধাম ! !
        সভ্যতাৰ জনজননিত
        জনঅৰণ্যৰ চিকাৰবোৰে
        অনুভৱ কৰা অস্বস্তিত
        জখলাডালে চোন খোপনি ৰাখিব পৰা নাই।
আৰু কিমান দিন
শব্দবোৰ সত্য হ'বলৈ . . .
        যদি পাৰো, আহাচোন আমি
        চকুবোৰ দূৰবীণ কৰোঁ
        মূৰবোৰ মগজু কৰোঁ
        কলিজাবোৰ হৃদয় কৰোঁ
        ধমনীৰ তেজত মিহলাওঁ
        জখলা বগোৱাৰ সাহস।●

# তোমালৈ চিঠি

**জয়চন্দ্ৰ নাথ**

বহুদিন তোমালৈ  চিঠি লিখা নাই
আজি কালি পোষ্ট কাৰ্ড,
ইনলেণ্ড কাৰ্ডৰ ব্যৱহাৰ
নোহোৱা হ'ল--
এক সাঁথৰলৈ ৰূপান্তৰিত হ'ল
ঠিক তোমাৰ দৰেই ।
তোমাৰ দেশত চাগে
হোৱাটচ্এপ, ফেইচবুক
একো নাই--
নহ'লেতো অন্ততঃ
ফ্ৰেণ্ড ৰিকুৱেষ্ট এটা হ'লেও
পালোহেঁতেন।

তোমাৰ চাগে মনত আছে
আজিৰ তাৰিখতে তোমাক
এখন শুভ্ৰ বস্ত্ৰৰে  আপাদমস্তক
ঢাকি ৰাখিছিলোঁ---
চিৰ শান্তিৰ
নিদ্ৰা ভগ্ন নহওক বুলি ।

ক'ব নোৱাৰাকৈয়ে ন-বছৰ
বাগৰি গ'ল,

মানুহে কয়--
চকুৰ আঁতৰ হ'লে,
মনৰো আঁতৰ হয়--
কিন্তু ক'তা?
হয়তো তুমি মুক্ত বিহঙ্গম
তোমাৰ ধৰাত ।
আৰু আমি?
প্ৰতি নিয়ত
হৃদয়ত পুঁহি ৰাখিছোঁ তোমাৰ প্ৰতীকী মূৰ্তি।

তুমি অবিহনে আমি অৰ্থহীন
তুমি বিনে আমি দিক্‌ভ্ৰষ্ট
তুমি বিনে উদং ঘৰখন
সকলো আছে অথচ একো নাই
ঘৰ আছে মানুহ নাই
ফুলনি আছে সৌন্দৰ্য নাই
সৌন্দৰ্য আছে উপভোক্তা নাই

বহুতো লিখিলোঁ,
চিঠিখন পোৱা-নোপোৱা
ঠিকনা নাই,
তথাপি লিখিলোঁ,
ৰাতি বহু হ'ল,
টোপনিৰ শিকলিডালে
বান্ধিব ধৰিছে,
আজিলৈ সামৰোঁ।
ইতি।●

*মৰমেৰে --শ্ৰদ্ধাঞ্জলি প্ৰিয়জনলৈ*

## পহু

### যশোৱন্ত নিপুণ

পহুবোৰৰ দোষ
এইটোৱেই আছিল যে,
সিহঁতে এদিন
বাঘবোৰ তৃণভোজী
হ'ব পাৰে বুলি বিশ্বাস কৰিছিল--
অন্ততঃ শান্তিদূতবোৰৰ কথাবোৰত
সিহঁতে সদায়েই এনেদৰেই ভোল গৈছিল ।

আচলতে হিংস্র কুকুৰনেচীয়াবোৰৰ
নখবোৰ বেছিহে দীঘল
আৰু দাঁতবোৰো
অধিক তীক্ষ্ণ হৈ আহিছিল।
আৰু ঈশ্বৰেও পহুবোৰৰ
ডিঙি ইমানেই ক্ষীণ
কৰি আনিছিল যে--
সিংহবোৰে সিহঁতৰ ডিঙিত দাঁত
বহুৱাই দিয়াটো
বৰ সহজ হৈ পৰিছিল ।

সিহঁতৰ শিংবোৰো
অলংকাৰৰ দৰে ওলমি থাকিবলৈ
আৰম্ভ কৰাৰ বহু যুগ হ'ল,

দুৰ্বল ঠেংবোৰে সিহঁতক
ৰাং কুকুৰৰ দলৰ
পৰা বেছি দূৰলৈ এতিয়া লৈ যাব নোৱৰা হ'ল--
সিহঁতৰ সম্মুখতে সিহঁতৰ পোৱালিবোৰক
ফালি-চিৰি ভক্ষণ কৰাটোও
নিয়ম হ'ল ।

আৰু আপত্তি কৰোঁতে ঈশ্বৰেও কৈছিল পৃথিৱীখন
ঘূৰি থাকিবলৈকে সিহঁত এনেদৰেই মৰিব লাগিব,
সেই স্বৰ্গীয় বিধানৰ শুধৰণি বিচৰাটো অন্যায় ।

গতিকে যেতিয়া সিহঁতক সিহঁতৰ উপত্যকাৰ পৰা খেদি
পঠোৱা হৈছিল,
ক'তো এজাক বতাহো বলা নাছিল,
মাত্ৰ বুদ্ধিজীৱিসকলে মাংসাহাৰীবোৰৰ অধিকাৰ
সম্পৰ্কে দীঘল দীঘল
ভাষণ দি ঘূৰি ফুৰিছিল।

পৃথিৱীৰ ধুনীয়া হোটেলৰ ধুনীয়া ধুনীয়া সভাবোৰত,
কবিসকলে বহুতো শোকভৰা কবিতা লিখিছিল--চিকাৰীবোৰৰ দুখত চকুলো টুকি টুকি ।

ইফালে আজিও উত্তপ্ত সূৰ্যই চেপি অনা পহুবোৰে
মৰুভূমিৰ তপত বালিত পানী বিচাৰি ফুৰে,
সিহঁতলৈ পৃথিৱীৰ বুদ্ধিজীৱিসকলৰ সময় নাথাকে,
এখন উপত্যকা হেনো এদিন পৃথিৱীৰ স্বৰ্গ আছিল ।●

মনো মাজৰা, জুগ্গা আৰু অভিশপ্ত ৰে'লগাড়ী

# মনো মাজৰা, জুগ্গা আৰু অভিশপ্ত ৰে'লগাড়ী

**জুৰি ভট্টাচাৰ্য**

**(১)**

*(“এ ট্ৰেইন টু পাকিস্তান” কিতাপখন পঢ়ি বাক্ৰুদ্ধ হৈ পৰিলোঁ। সৰু সৰু মানুহৰ আৱেগ-অনুভূতি-প্ৰেম আৰু বিশ্বাস ৰাজনীতিৰ সমীকৰণত দেশ বিভাজনৰ সময়ত কেনে হ'ব পাৰে কিতাপখন নপঢ়িলে বুজা অসম্ভৱ)*

লেলপেল্ ৰেলগাড়ীখনে বেলিঘড়ীৰ উমান দিয়ে ।
কেঁচুৰা,বোৱাৰী আৰু সোঁতমোচ লগা আইতাজনী !
নিৰ্বিকাৰ সময়ৰ আলিৰে সদায়  অহাযোৱা কৰে ।
তাতে
দুবেলা পিঠি খজুৱাই
সুত লাগি বহি থাকে..
দুটা মছজিদ আৰু এটা গুৰুদ্বাৰ ।
এয়া শতদ্ৰুৰে বহিব নিদিয়া মানুহ
একেথোৰত বন্ধা বেঙেনাৰ দৰে ..
একেলগে--
মনো মাজৰাত ।

তাতে ছয়ফুটীয়া জগ্গুৰ বহল বুকুত ঢৌ তোলে
ক'লা দেহৰ
জিকমিক্ চকুৰ নুৰানে .. নুৰজাহানে ।
তাক শিকাই জীৱনক ভাল পাবলে

জীয়াই থাকিবলে ।

এই মনো মাজৰাত
স্বাধীনতা যেন--
ইঞ্জিন সলোৱা ৰেল
অস্বাভাৱিক গতি।
কেতিয়াবা দিনৰখন ৰাতি--
ৰাতিৰখন দিনত ।

হেনসময়ত হুকুমচাঁদৰ আসক্তিত
চেপেটা লাগি ৰয় নিৰ্লিপ্ত কুমাৰী ।
নিৰ্লিপ্ত হয় ভোলাৰ ঘোঁৰাগাড়ী ।
চিপাহী চন্তৰী..

নিৰ্জু মিৎ সিঙ, ইকবাল, ইমাম আৰু লেতেৰা পোচাকৰ গাঁৱবুঢ়াৰ মনত জুই লগাই এটা সমীকৰণে।

ৰে'ল এখন ৰখে
কেৰাচিন কাঠেৰে পোৰা অচিন গোন্ধত
গাঁৱত নিস্তব্ধ কোলাহল উঠে ।

লাহে লাহে মছজিদৰ সুত লগা পিঠিত পোৰণি উঠে ।
গুৰুদ্বাৰে চকুলো টোকে ।
বিদায় বা ক'লৈ দিছে
বা কিয় নাজানে ।
শতদ্ৰুৱে নাজানে

টালি টোপোলাৰ হাজাৰ হাহাকাৰত লুকাই পৰে দুমহীয়া পেটৰ নুৰান !
জগ্নু আহি পোৱাৰ  আশাৰে. টোপোলা এটাৰে ।

মনো মাজৰাৰ অভিশপ্ত ৰে'লখন !
জগ্নুৰ প্ৰেয়সী বহা ৰে'লখন !
শতদ্ৰুৱে একেলগে সামৰিব খোজা ৰেলখন
সুকলমে পাৰ হয়
চিন্ন ভিন্ন এটি ছয়ফুটীয়া দেহৰ ওপৰেৰে ।
জীয়াই থাকিবলে ।

জীয়াই ৰাখিবলে সকলোকে
সকলোৱে নজনাকে ।

অপৰাধী জগ্নুৰ ,
প্ৰেমিক জগ্নুৰ ,
ফাঁচী কাঠত ওলমা পিতৃৰ
দস্যু পুত্ৰ ,জগ্নুৰ সাহেৰে ।●

(২)

## দ্ৰৌপদী

*('মহাশ্বেতা দেৱী'ৰ অনেক গল্পৰ মাজত মোক আকৃষ্ট কৰা 'দ্ৰৌপদী' নামৰ গল্পটোত নাৰীৰ  অতি শক্তিশালী দিশটোৰ ছবিখন  মোৰ অনুভৱেৰে প্ৰকাশ কৰিলোঁ ।)*

এক অহংকাৰৰ নাম দ্ৰৌপদী। ৰূপৰ নাম দ্ৰৌপদী ।
সাহসৰ নাম দ্ৰৌপদী ।
সেয়ে আজিও ইতিহাসৰ পাতৰ পৰা নামি আহে সতী হাবিতলীয়া সমাজলৈ ।

লচমী  পাৰবতী অহাৰ দৰে ।
কুন্দত কটা থুতৰি ,
দীঘলচানেকিয়া চকু আৰু পিতল বৰণৰ
ইষৎ ওলমা  বুকুৰে দ্ৰৌপদী মুণ্ডা ...সুগঢ়ী ।
সুগঢ়ী...দুখন ভোটা নখৰ হাত,
অথচ কঠিন কণ্ঠত অনবৰতে লাগি থাকে
এসাঁজ যোগাৰ নথকাৰ অজুহাত ।
ভৰা কলহত বেলিটোৱে মুখচোৰা সময়ত
তাইৰ বুকুৰ লহৰ চাই মুখ খজুৱাই উদ্ভট আদহীয়াকেইটাই ।
সুখ দুখৰ সংজ্ঞাই তাইক নোচোৱে, কৰ্কশ প্ৰেমৰ স্পৰ্শত  শোৱে -জাগে ।
খৰি বোটলা সময়তে কথা পাতে ৰূদ্ৰপলাশৰ  স'তে ।
কেইপাহমান লগতো আনে ।
বিধ্বস্ত সময়ৰ বেতেৰিত চেপাখাই  দ্ৰৌপদী পিষ্ট হয়
চূৰ্ণ হয় ।
নিমখীয়া সুঁতিয়ে তিয়াই কাণৰ লতি ।
ছিগি যায় কোচাকোচি
জোঁট নভঙা জুটুলা  চুলি ।
ছাঁ হেৰোৱা অৰণ্যত এজাক শিয়ালৰ দাঁতে নেফানেফ কৰে উৰ্বৰতা ।
তাহানিৰ  দ্ৰৌপদীৰ প্ৰাৰ্থনা তেওঁ  শুনিছিল
কিন্তু  কদম গছবোৰৰ এডালতো সিদিনা তেওঁ  নাছিল ।
দ্ৰৌপদী মৰা নাছিল.. ৰক্তস্নাত  দুভৰিৰে  ঠিয় হৈছিল ।
ক'লা দেহটো ভৌতিক যেন লাগিছিল ।
পেটভৰা  জাকটোৰ শেষৰটোৰ মুখত তাই হেঁচি ধৰিছিল
শিলহোৱা  বুকু এটাৰে ..
চোচা লৈছিল ..
সিহঁত পিছুৱাই গৈছিল ..
দ্ৰৌপদীৰ মৰা চকুযোৰত আঙঠা জ্বলিছিল ।
জোনটো মৰিছিল...।●

*বিশেষ দ্ৰষ্টব্য - দ্ৰৌপদী নামটো অভিশপ্ত নাছিল ।*

## বন্ধক

### জাহ্নৱী ভূঞা

কেতিয়াৰ পৰা -
ঠিক মনত পেলাব পৰা নাই
ৰাতি মোৰ গভীৰ টোপনিত
প্ৰায়ে ব্যাঘাত জন্মাই আহিছিল
আৰু মোৰ শৰীৰ হৈ পৰিছিল অৱসন্ন..
চুকে কোণে কত যে কীট-পতংগৰ চলা ফুৰা!
ঘৰৰ বাটাম আৰু চৌকাঠত
সিহঁতে বাস কৰে আপোন মনে..
এতিয়া নতুনকৈ
ভেটি সলনি হৈছে -
শেঁতা আৰু ক'লা দাগ পৰা
চকুহালিৰ
ক্ৰমান্বয়ে উজ্জ্বলতা বাঢ়িছে ,
হৈ উঠিছে সজীৱ ...
ভংগুৰ সময়ৰ বিনম্ৰ আহ্বানত
সেই দুই জ্যোতিষ্ক
লাহেকৈ বন্ধকত ৰাখিব পৰা হ'লোঁ -
নিৰাপদে, এঠাইত !
নিৰ্ভয়ে...!!
মোৰ ভেটি সলনি হ'ল,
হ'ল সুদৃঢ় -
বিশ্বাস হৈছে..
এতিয়া নিদ্ৰা হৰণকাৰী একোলৈকে
হয়তো ভয় কৰিব লগা আৰু নাই ●

# বাকৰুদ্ধ

সূৰ্য্য শৰ্মা

কোনে কি বুজিছে মই নাজানো
মই হ'লে একো বুজা নাই।
নানা মুনিৰ নানা মত
নিজৰ মতত অলৰ-অচৰ
আমিবোৰ নীৰৱ শ্ৰোতা দৰ্শক।

আইৰ মুখৰ মাতষাৰক লৈ
টনা-আজোৰা ;
নিজৰ মতত-- পৰীক্ষাগাৰত আৱদ্ধ আইৰ মাত ।
মেকুৰীৰ আৰ্জিত পিঠাখন
বান্দৰৰ তুলাচনিৰ কামোৰত
এফালৰ পৰা নোহোৱা হ'ল ।
পক্ষাঘাতত পৰি থকা আইৰ
ক্ষয় হৈ অহা শীৰ্ণ দেহৰ
সুৱদি সুৰীয়া মাতষাৰ বেবেৰিবাং হৈ হৈ
নোহোৱা হওঁ হওঁ ।

আমি অবোধে ঘেৰি ধৰি
ছিঞৰিছোঁ মাথো
আই মোৰ আই।
প্ৰতিধ্বনিত হৈ বাজিছে মাথো
ভঙা পঁজাৰ বেৰত।●

## বুকুৰ যন্ত্ৰণা

**সতীন্দ্ৰ হাজং**

প্ৰিয় পাঠক, ভুল নুবুজিব
আপোনালোক যেনে, ময়ো তেনে
সাধাৰণ মানুহ এজন - তেজ মঙহেৰে গঢ়া
আপোনালোকৰ আছে যেনে, মোৰো আছে তেনে

স্বাভাৱিক ভোক-পিয়াহ, ভাগৰ-নিদ্ৰা,
হা-হুমুনিয়াহ, আশা-নিৰাশা ।

প্ৰিয় পাঠক, ভুল নুবুজিব
আপোনালোক যেনে, ময়ো তেনে
সাধাৰণ মানুহ এজন -
সুখত হাঁহো, দুখত কান্দো,
নিভৃতে, নিৰলে নিৰৱে -

প্ৰিয় পাঠক, ভুল নুবুজিব
আপোনালোকে ভবাৰ দৰে নাভাবিব
এই সাধাৰণ কবিৰ একো নাই, থাকিব নোৱাৰে

মোৰ ভাৱ-অনুভৱ, অভাৱ-অভিযোগ কেৱল কবিতা-
প্ৰিয় পাঠক, ভুল নুবুজিব
মোৰ অভিব্যক্তি কেৱল কবিতাই নহয়
কবিতা বুলি ভবাবোৰ - মোৰ একো একোটা বুকুৰ যন্ত্ৰণা।●

# ভ্ৰম নহয়নো কি

দৈব্যা নাথ

ল'ৰাহঁতে যাক বাঁহী বুলি বজাই আছিল
আচলতে সেয়া বাঁহী নাছিল
আছিল আবেলি এটাৰ বিষাদ

সিহঁতে নাজানে
এই একেই বিষাদত ডুবি সিহঁতেও এদিন বাজি উঠিব
আৰু ভোক-পিয়াহ নোহোৰা দুপৰীয়াবোৰৰ গছকত
সিহঁতৰ চকুৰ টোপনি মাজৰাতিৰ খিৰিকীৰে পলাব

ল'ৰাহঁতে যাক বাঁহী বুলি বজাই থাকে
আচলতে সেয়া কোনো সুৰেই নহয়
ওঁঠ টিপিলেই বাজি উঠে
বতাহৰ হাঁহি
ভ্ৰম নহয়নো কি।●

# সময়

**পবিত্ৰ কুমাৰ নাথ**

সবল হাত এখন
উদ্ধত কৰি আগবাঢ়ি অহাজনক
আগতে দেখা নাছিলোঁ

মই সোমাই যোৱা দোকানখনৰপৰা
ওলাই আহিছিল তেওঁ

তেওঁ বহা চকীখনত
মই বহিছোঁ
চকীখন কাৰ বাবে
দোকানীয়ে নাজানে।

ঋতু পৰিৱৰ্তনৰ লগে লগে
সলনি হয় ৰুচি

দোকানখনত ভীৰ বাঢ়িছে
ক্ৰমশঃ

ওলাই যোৱাজন আহিব বুলি
ৰৈ নাথাকে
সময়।●

# চহৰখন গাঁৱলৈ লৈ নাহিবা

ৰণ্জিত গগৈ

কোনোটোৱে ক'তো একে হৈ থকা নাই
খতিখন হীনভাৱে বলিয়েই আছে চিনাকী বতাহজাক  অচিনাকী হৈ

পুৰণিকলীয়া মানুহবোৰ এজন এজনকৈ ধূলি আৰু ধোঁৱাৰ স'তে
হঠাৎ নোহোৱা হোৱাৰ পৰাই  বুকুখন ক'ৰবাত কেনেকৈ
শূন্যতাই বহলাই বহি ল'লে বুজাব নোৱাৰোঁ।

গাঁওখনৰ বুকুৰপৰা গাঁওখন গুচি গৈছে ক'ৰবালে
কেতিয়াবাৰেপৰা। চহৰৰপৰা ক্ৰমে গাঁওমুখী হোৱালে  চাই
এনে  লাগে মানুহমখাকে হেৰুৱাই পেলাম কাহানিবা
মৰিলেও জীৱলেও সঁচ নাভাৰি আৰুনো কি ভাৰিব পাৰি?

জীপাল আৰু উমাল মানুহবোৰে এদিন ঠাহ খাই থকা গাঁওবোৰৰ
কোনোবা কোনত বহিও সজীৱ আৰু দূৰন্ত ডেকাৰ দৰেই
মেৰাই মহতিয়াই আছিল প্ৰতিজন আৱাল বৃদ্ধ-বণিতা।

চহৰৰ বুকুত নিতে ওখ ওখ হৈ অহা কংক্ৰিটৰ ঘৰবোৰত মুকলিমূৰীয়া মানুবোৰৰ
উশাহবোৰ পোহনীয়া বিদেশী কুকুৰবোৰৰ দৰেই
ক'ৰবাত বন্দী হৈ ৰয় চেগা-চোৰোকাকৈ। চকু চাট মাৰি অহা চৌখিন চিখ্লাজনীৰ
দৰেই সাজিছে আৰু সজাইছে নিজকে নিজে
ফালি চিৰি এটা সপোন। উহ্ যি আছিল কিমান আপোন।
যান্ত্রিকতাই চেপি খুন্দি কেউফালে আহোতে আহোতে

আমিমখাচোন ক’ত এদিন চেদেলি-ভেদেলি হৈ
নিচ্ছিন্ন হৈ পৰিম বুজাব লাগে নে বুজিব লাগে?

বাৰুকৈয়ে বতাহ এজাক বুকুলৈ বলা নাই বুলি
কেনেকৈ নভবাকৈ নিবোকা হৈ থাকিব পাৰোঁ
থৰথৰণি এটাই যেতিয়া বুকুত অহৰহ কঁপনি এটা তুলিয়েই থাকে

জীয়া কেঁচা যন্ত্রণাৰ শৃংখল এটাৰে লুতুৰি-পুতুৰি হৈ
এই পাৰ হৈ আহিলোঁ কি নাই, জীৱনৰ নতুন আদি পাঠ এটা লৈ
আমি জানো পোহৰ হ’ব পাৰিম নে পোহৰাই ৰাখিব পাৰিম
কাৰোবৰ জীৱনৰ এফাল
কোনো আঁচনি নাই আমাৰ জীৱনৰ তুলাচনীত

গাঁৱৰ পদুলিবোৰত সেমেকা ধুলিৰ গোন্ধ এটাই
বুকুত সৰিয়হ ফুলা পথাৰৰ ছবি এখন হৈ
চিকচিকিয়া কৰি তোলে আবেলি আবেলি।●

# অনা অসমীয়া

**দ্বীপৰাজ**

বৰঘৰত যদিহে আছে সাহসৰ সাৰথি মুখচোতাল কি এনে বস্তু যে
বকলিয়াই আছা চকুত ফিটা মাৰি
টেটুঁ নে নলী সেয়া
(অজীৰ্ণ কামোৰৰ বেঙবেঙনি)
চেতন নে চেতকৰ উদ্ভট কিৰিলি সেয়া ৰিণি ৰিণি...
বজাৰত জুই লাগিলে আকাশ ৰঙা হ'ব পাৰে বুলি
সম্ভৱতঃ এটা চিৎকাৰত কোনোবা এজনে কৈছিল।

লোপামুদ্ৰাৰ ইয়ো এটা কাৰক - কণা ফৰ্মূটি
টিঘিলঘিলাই ঘাতক মানে - খৰ মাৰিছে মঙল মাটিত।
এয়াচোন নীলা জুইহে
জুইৰ ৰং পাহৰি পেলোৱা নাইতো মই...

আহা - কেপকেপাই থকাতকৈ এটা পদ্য মাতো
অসম বুলিবলৈ গৈ আকৌ অ-খ-ম নক'বা
মাতত পয়া লাগিছে যদি হেমকোষ পঢ়া

(এং কৰি বেং কৰি, ওলাই আহা লাহে কৰি...)
যদি এইটোও নাজানা এটোপ গিলি লোৱা
তাৰ পিছত শ্লোগান, অৱৰোধ আৰু বহুতো
নহ'লে কাপোৰসাঁজ সলাই পাণ এটা চোবাই চোবাই

বুজিব নালাগে গামোছাৰ অভিমান। নিচা থকালৈকে তোমালোক অসমীয়া
আইনাখন চোৱাচোন
ৰাং কুকুৰৰ আঁচোৰত কি দাগ লাগিছে মুখত।●

# হঠাৎ ৰাৱণ হঠাৎ শান্তি

**ধীমান বৰ্মন**

ক'ৰবাত যদি বুদ্ধ আছে
সিও ভাগৰুৱা
যিহেতু যুদ্ধবোৰ হ'ল
সীমাত
মনত

মুখপুথিত মুখচুপতি মাৰি থাকোতে
হস্পিতেল ভাঙি যোৱা খবৰে আমাকো
যোদ্ধা কৰি তুলিলে ভিতৰি
যদিও আমি পিন্ধি থকা মুখাখনে
বুদ্ধৰ কথাকে ক'লে বাৰে বাৰে

ক'ৰবাত যদি যুদ্ধ চলে
তাত এতিয়াও বুদ্ধ মৰে

ক'ৰবাত যদি বুদ্ধ আছে
তাতো যুদ্ধ চলে তলে তলে

হঠাতে ৰামলালৰ পৰিল মনত
ৰামলীলাত ৰাৱণ হ'বলৈ
তাকো দহোখন মুখা লাগিব

# হঠাৎ ৰাৱণ হঠাৎ শান্তি

**ধীমান বৰ্মন**

ক'ৰবাত যদি বুদ্ধ আছে
সিও ভাগৰুৱা
যিহেতু যুদ্ধবোৰ হ'ল
সীমাত
মনত

মুখপুথিত মুখচুপতি মাৰি থাকোতে
হস্পিতেল ভাঙি যোৱা খবৰে আমাকো
যোদ্ধা কৰি তুলিলে ভিতৰি
যদিও আমি পিন্ধি থকা মুখাখনে
বুদ্ধৰ কথাকে ক'লে বাৰে বাৰে

ক'ৰবাত যদি যুদ্ধ চলে
তাত এতিয়াও বুদ্ধ মৰে

ক'ৰবাত যদি বুদ্ধ আছে
তাতো যুদ্ধ চলে তলে তলে

হঠাতে ৰামলালৰ পৰিল মনত
ৰামলীলাত ৰাৱণ হ'বলৈ
তাকো দহোখন মুখা লাগিব

# শিল কথা
## কুমাৰ বিভূতি

শিলক লৈ বাঢ়ি যায় কৌতূহল
প্ৰাগ ঐতিহাসিক কিম্বা ঐতিহাসিক সময়ৰ সাক্ষী হৈয়ো
নীৰৱ নিঠৰ হৈ পাৰ কৰে দিনৰ পাছত দিন।

শিলে খামুচি ধৰে মাটিত
শিলে সাৰটি লয় পানীক ।

ওপঙা শিলৰ মায়াবী কাঠিত
শিলৰ চুবুৰীত
গভীৰ নিজম ৰাতি
ঢৌৰ মাজত দেখো অলেখ খলকনি।

শিলত খোদিত কৰা ঈশ্বৰৰ আত্মাই
কোৱা নাই কাহানিও
যুগান্তৰৰ যুগজয়ী কথা
খোদিত ইতিহাসে দোহাৰে মাথোঁ
স্বৰ্ণময় সময়ৰ বৰণীয়া আশা।

শিলে দেখে
শিলে লেখে
আমাৰ প্ৰপিতামহৰ বুকুৰ ভাষা।

শিলৰ সাঁকো গঢ়ে
শিলৰ ভাস্কৰ্য গঢ়ে পিতে পূজে
যুগে যুগে নতুন পুৰুষে।

শিলক লৈ চলে নিৰন্তৰ আৰণ্যক যাত্ৰা
শিল বিচাৰি সূৰ্যৰ পোহৰত দিনে দিনে উন্মেষিত
যাযাবৰী নৰ নৰ চিন্তা।●

## যুদ্ধৰ পাছৰ দিনবোৰ

**মানস প্ৰতিম দত্ত**

যুদ্ধৰ পাছত পৰি থকা মৰাশবোৰত
মাজে মাজে পৰেহি
এজাক বগা ৰঙৰ ক'লা কাউৰী।

এই যে যুদ্ধৰ পাছত পৰি থাকে
সৈনিকৰ নিথৰ দেহবোৰ, মৃত তেজৰ চেকুৰাবোৰ
সেইবোৰত মই কোনোদিন দেখা নাই দেশ-বিদেশৰ ৰং।

আচলতে শান্তিৰ নামত হোৱা অশান্তিবোৰত
জ্বলি যায় ৰঙৰ ঘৰ
শিখা-লেলিহান ।

যুদ্ধই - ভোকত ভাত দিয়া নাই
যুদ্ধই - মুখৰ মাত কঢ়া নাই
যুদ্ধই - ৰাতিবোৰ চুৰ কৰা নাই
যুদ্ধই - জোন ভাঙি বেলি পতা নাই।

অৱশ্যে কাউৰী আৰু বগলীৰ
ৰঙৰ পাৰ্থক্যও থাকে - চৰাইৰ বাদে।

মানুহৰো - কাউৰী থাকে
মানুহৰো - বগলী থাকে

মন গ’লেই ভাঙিব পাৰে চৌকাৰ মাটি
জুহালৰ পানী
বৰষুণ বেয়া পোৱা ৰাতিবোৰে ভাল পায়
- শিয়ালৰ হুৱা
-কুকুৰৰ ভুকভুকনি

অথচ শিয়ালবোৰ বৰফ নহয় - গ্ৰীষ্মৰ
চুৱেটাৰ নহয় - শীতৰ

যুদ্ধৰ পাছত মৰি থাকে দেশ
পৰি থাকে ভেশ
পাহৰি থাকে - ৰাতিয়ে দিনৰ সাধু
- দিনৰ ৰাতিৰ সাধু

আমি নাপাহৰোঁ
আমি গৈ দেখো - শগুনৰ শাওত বুঢ়া গৰু নমৰে।●

# স্মৃতিৰ অৱশেষ

ড০ ৰিমঝিম বৰা

মোৰ অন্তৰ্জীৱনৰ
অত্যুজ্জ্বল সোণালী ভেঁটিত
উচ্ছাসময় প্লাৱনৰ গুটি মালী
প্ৰাণৰ তন্ত্ৰী মোৰ বান্ধি ৰাখিছোঁ
তেওঁৰ অনিৰ্বচনীয় সৌন্দৰ্যৰে ভৰপূৰ
হৃদয়ৰ সৈতে

অচিন অজান কল্পলোকত
অনুভৱ কৰিছোঁ - স্নিগ্ধ সুগন্ধি বতাহ

বতাহজাকে কোমলকৈ চুইছে মোক
উতনুৱা কৰিছে
ভাৱোদ্দীপক সুৱাগমণি বাসনাক
মনোহৰ-নিসৰ্গ দৃশ্যৰাশিক
কোনসতেৰে অৱৰুদ্ধ কৰোঁ
গোপন অন্তেষপুৰত
অম্লান মনচক্ষুত
অন্তহীন সৌন্দৰ্য আৰু বিস্ময়কৰ ৰূপ-বৈচিত্ৰ্যৰ উন্মত্ত ধাৰা
মন-মগজুৰ পোতাশালত
বৈয়েই থাকক চিৰ-প্ৰবহমান সুখৰ এই অনন্ত ধাৰা

বিধিলিপিত দেখোন
কাম্য আৰু ৰমণীয় ভাবধাৰাৰ ভগ্নাৱশেষ
নিঃসীম নীলাকাশৰ স্বৰ্ণপুঞ্জত
সঞ্চাৰিত হৈ থাকক কেৱল স্মৃতিৰ অৱশেষ।●

# পাহৰাৰ গান

**প্ৰাঞ্জল প্ৰতীম**

**(১)**

মৌনতাত বৰষুণ নমা ৰাতিপুৱা এটাত বিচ্ছেদৰ কবিতা!
তোমাৰ শব্দবোৰেৰে মোৰ ভালপোৱাৰ শ্মশান যাত্ৰা; উভতি নহাৰ এখন শপতনামা।
যি কথা তুমি নক'লা সেই কথাৰে,
মই মোক বুজি পোৱাৰ লেহেমীয়া গতি!
ভালপোৱা কোন বাটেৰে সৰিছিল ?
আজি একো নকওঁ
আজি একো নুশুনো
মাথোঁ কলিজাৰ দুয়োপাৰে লিখি ৰাখিম কিছু গান
তোমাক পাহৰি যোৱাৰ ।

**২)**
নক'লেও বুজি পোৱা কথাবোৰেৰে

যি কথা নক'লেও তুমি বুজি পোৱা
সেই কথাবোৰৰ নামেই ভালপোৱা ।
ওঁঠৰ বিজ্ঞাপনত লিখা নাথাকে সম্বন্ধৰ চুক্তি;
অথচ ওঁঠৰ পদূলিয়েদি নামে বিশ্বাসৰ ৰং ।

ভালপোৱা মানে তোমাৰ লাজৰ হাঁহি আৰু মোৰ বুকুৰ ধপ-ধপনি;
সেউজীয়া কেনভাচ্।
লগ পোৱা বা নোপোৱাটো ভালপোৱাৰ দ্বিতীয় চৰ্ত!
হৃদয়ৰ সুবাসত হৃদয়ে হাঁহিলে;
আমি আমাৰ হ'লো।

দূৰত্ববোৰ কমি আহিল -হৃদয়ৰ
দূৰত্ববোৰ বাঢ়ি গৈ থাকিল-সময়ৰ
আজি আমি ওচৰত থাকিও বহু দূৰৈত ।
পাহৰণিৰ ইতিহাসত হয়তো ভূমুকি মাৰিম স্মৃতি হৈ
কেতিয়াবা গোপনে
তোমাৰ বুকুৰ ব্যাকৰণ আওৰাবলৈ।●

## সহানুভূতিৰ হাত
**চফিক্ উজ জামান**

এতিয়া জানিবলৈ নাই মোৰ মুঠেই আগ্ৰহ
তুমি হিন্দু নে মুছলমান কোন ধৰ্মৰ
আদি ভেটি ক'ত
আদান-প্ৰদান কৰা ভাৱ
কি ভাষা-কোন শব্দত

ভোকত পেটৰ পোৰণি যে কি
হাড়ে হাড়ে পাওঁ বুজি
আৰু বুজি পাওঁ জীৱন-জীৱিকা
প্ৰাণৰ মমতা
সেয়ে তোমাৰ মাজত যেতিয়াই
মোক মই পালোঁ বিচাৰি
মোৰ মনৰ লোলুপ-হিংস্ৰ
বাঘ-সিংহ
গ'ল যেন সকলো আঁতৰি

মানুহ হিচাপে তোমাক ভাল পাই
মনৰ অজানিতে শিকিলোঁ
মানুহ হৈ মানুহক ভালপাবলৈ
সেয়ে হিংসা-বিদ্বেষক কৰি উপেক্ষা
হিয়া উজাৰি তোমাক ভালপাওঁ
ভালপাওঁ নিৰন্নজনক

হাবাথুৰি খাই ফুৰা বিপন্ন প্ৰাণক

প্ৰিয়, নেপেলাবা হতাশাৰ হুমুনিয়াহ
ভয়খাওঁ বঞ্চিত-ব্যথিতৰ দীৰ্ঘ শ্বাসৰ ধুমুহা
নাজানো কাৰ প্ৰাসাদ, বৈভৱ-প্ৰাচুৰ্য্যৰ চাল
উৰাই নিয়ে কোন কেতিয়া

উঠক উজলি
চমকনি
আনন্দৰ বিজুলীত বিষাদ আঁতৰি
মোৰ সাহসত হয় যদি হওক
উদ্ভাসিত ফৰকাল আকাশ তোমাৰ বুকুত
পাওঁ যে মই
অসহায়-আৰ্তজনৰ মুখৰ হাঁহিত
হিয়াৰ প্ৰশান্তি বিচাৰি।●

# প্ৰেম আৰু প্ৰলাপ

**গিৰিশ দাস**

সকলোবোৰ সুখ দুখৰ পিছত
আমনি জিৰণিৰ মাজত
মামাহঁতৰ ঘৰলৈ মই তাঁতবাতি কাঢ়ি ভাল পাওঁ
কাৰণ তাৰ পৰাই মোৰ আইয়ে
লৈ আহিছিল এটি গৰ্ভ মোৰ বাবে
হয়তো মোৰ জন্মও হৈছিল তাতেই
চকু মেলি দেখিছিলো আইতাৰ জধলা মুখ
প্ৰত্যেকৰে প্ৰিয়জন মামা
বাল্যকালৰ তীৰ্থ মোমাইদেউৰ ঘৰ
তথাপি কংসক কিয় কলুষিত কৰা হ'ল
শনিৰ দৃষ্টিৰে চিগা হ'ল গণেশৰ মূৰ
অধৰ্মৰ পৰাজয়ৰ বাবে
শকুনিক কৰা হ'ল পাশাখেলৰ ঢাল
মোমাইৰ ডিঙি কাটি গঢ়া হ'ল খ্যাতি
মোমাই কটা গড়

য'ত মামা-ভাগিনক বাঘেও কৰে ভয়
সেয়েহে মনত বাৰেপতি সংশয়
মামাৰ নামত কোনে ৰুলে গোলাপ
ফুলতকৈ কাঁইটেই ভাল
কোনে একাকাৰ কৰিলে
প্ৰেম আৰু প্ৰলাপ!

(২)

## বিষয় পানী

পিতাৰ শেষ মূহুৰ্তত, উপস্থিত মুখিয়ালজনে কৈছিল
মুখত অকণ পানী দিয়া - পিতা জী নুঠিল

কুঁৱাৰ পৰা তুলি অনা পৱিত্ৰ পানী চতিয়াই
আইৰ মুখত চিৰদিন শুনিছিলোঁ
ঈশ্বৰক মতা
তেৰাৰ ছাঁটোও নেদেখিলোঁ

পানীৰ নদী এখন লৈ অহা দেখো ওঁঠত
যি নেতা হ'ব খোজে
কলহবোৰ লৈ আমি ৰৈ থাকো ঘাটত
আইয়ে চকুপানীৰে ধুই
আঁউসীৰ জোনটো ঢালি দিয়ে পাতত
'বৰ কষ্টত দিন গ'ল আইৰ'

হাতে হাতে কোৰেৰে পানীৰ নলাটো বোৱাই আনিছিল তেৰাসৰে
পানী ওপচিল অন্য ফালে দেখহঃ শুনহঃ কওতাই ক'লে
আমি শিকিছো পানীপিয়া চৰাইৰ মাত
আইসকলে কি কয়-ভাল
বাপুসকলে কি কয়-ভাল
ল - চেনিচম্পা কল

পানীৰ বেজীৰে সী লোৱা দেখিলোঁ - বাবাই পিন্ধে ককাৰ উৰলা কামিজ
মোৰ উদং পিঠিত নাচে কালপুৰুষৰ হেৰোৱা তাবিজ।●

## উষাৰৰ ফচল

**দীপক শৰ্মা মেধি**

শিমলুৰা বতাহজাক পাৰ হৈ গ'ল
ধূলিয়ৰি জপনা দেই বৰষাৰ পদুলিলৈ সোমাই আহিল বাসন্তী
ৰিমঝিম এজাক বৰষুণ আৰু
বৰষাৰ ঊষাৰ চোতালত তগ্ বগাই উঠিল
চিকুম মাটিৰ চিনাকী গোন্ধ

বাসন্তী আৰু বৰষা দুয়ো পথাৰলৈ যোৱাৰ কথা
পাহোৱাল একোটা গঞাই চহ কৰা পথাৰ
মৈয়াই থোৱা পথাৰৰ বোকাৰ সুবাসে মন আকুল কৰি তোলে,
আহ !

শ্যামলী হোৱাৰ বাসনাৰে বাসন্তী ব্যাকুল
দিয়া সিঁচি সোণৰ সঁচ হালি-জালি নাচি উঠক ৰোৱনী পথাৰ
থোক্-থোক্ সোণৰে সোণালী হওক দাৱনী পথাৰ
উপচি উঠক ভঁৰাল সোণ গুটিৰে, কৰ্ম বিমুখজনৰ বাবে

আঘোনটো যে বুকুৰ বৰ আপোন
মাঘৰ দাপোনত জাতিটোক চাই যাব পৰা হ'লে
মেঘাচ্ছন্ন আকাশত সূৰ্য্যৰ আৰু কিছু উত্তাপ থকা হ'লে
নিৰন্নজনৰ কথা ভাবিলে
মাঘৰ উৰুকালৈ বৰকৈ মনত পৰে........ ।●

# কবি, কেথেৰিণা আৰু আনুষঙ্গিক

**গোপাল শৰ্মা**

**কবি**

প্ৰতিদিনে কবিয়ে কবিতা বিচাৰি যায়। কঠিন মাটি, মৰা শিলগুটিৰ বাটেৰে কবিৰ মৰণ পণ খোজ

বাট বহুদূৰ

বাটৰ দুয়োকাষৰ শিলত ডাঠ শেলুৰৈ, ফাঁকে ফাঁকে অচিন গছ, আৰু বিষাক্ত কীটৰ দেওধনী ।আগেয়ে নুশুনা পতঙ্গৰ চিঞৰত কান টাল মৰা আৰহাৰা

বহুদুৰ বাট

পাহাৰৰ ওখ টিলাটো বগাই উঠোতে কবিৰ বুটজোতাৰ গোৰোহা খুলি যায়, কলাফুলৰ শিৰা টানি ধৰে, আঁঠুৰ মাখিছাল চিগে ।

**কেথেৰিণা**

লুঙলুঙীয়া বাটেৰে কবিয়ে যেতিয়া পাহাৰৰ পৰা নামি আহে, নিজৰাৰ পাৰত ল'গ পায় কাথেৰিণাক ।

পানী খেলি উজ্জ্বল হৈ পৰা কেথেৰিণাৰ কলাফুলত ৰ'দৰ প্ৰতিচ্ছবি, বুকুত জিৰ জিৰ বতাহৰ শৰদ ।টনা টনা দুটা চকুৰ মণিত দুখন পাহাৰৰ ডাঠ সেউজীয়া, দুহাতত নিজৰাৰে বৈ অহা পাহাৰীয়া ফুল আৰু বিনন্দীয়া প্ৰকৃতি ।

দুচকুত দুটুকুৰা শুকুলা মেঘ লৈ কেথেৰিণাই নিজৰাত মুখ চায় ।

**আনুষংগিক**

কবিয়ে সোধে- কবিতাৰ ঠিকনা

কেথেৰিণাৰ ওঁঠত উজ্জ্বল ৰ'দৰ প্রতিবিম্বত সুস্পষ্ট হৈ উঠে দুখন সেউজীয়া পাহাৰৰ আকুল প্রেমৰ অমৃতগাথা
হঠাৎ
ৰিমঝিম এজাক বৰষুণ নামি আহে, চৰাইবোৰ মাতাল হৈ উঠে, কিচিৰমিছিৰকৈ চৰাইজাকে গছে গছে উৰি ফুৰে, গছবোৰে পৰস্পৰে পৰস্পৰক সাৱটি ধৰে, ময়ূৰৰ নাচোনত কঁপি উঠে বন, নিজৰা হৈ পৰে চঞ্চলা, এহাল হৰিণা উদ্বাউল হৈ উঠে ।

কবিৰ জোলোঙাত খিলখিলাই উঠে সদ্যোজাত শিশুৰ কলৰৱ
মুৰৰ টুপীটো ঈষৎ হাউলি পৰে আৰু তৃপ্ত কবিয়ে খোজ লয়
পাহাৰৰ নামনিলৈ ।

**এটা বেসুৰা গান**

এটা গানৰ তেজত চেঁকুৰিছে এজাক তেজাল ঘোঁৰা
ৰ'দে ৰ'দে ৰাউচি জুৰিছে আকাশ নীলা অলেখ পতাকা
উজ্জ্বল ৰ'দত জিলিকিছে প্রতি টোপাল তপত ঘাম
মানুহবোৰৰ তেজত কিহবাই কিলবিলাইছে

এয়া শাওনমহীয়া গান
ক্রমে ডাঠ সেউজীয়া হৈ এদিন পথাৰ আৰু আকাশে আলিংগন কৰিব
চোতালত বাহৰ পাতিব এচমকা আশাৰ ৰেখা

পথাৰ আমাৰ আয়ুস ৰেখা

আঘোণৰ চোতালত
কাৰোবাৰ পদধ্বনি শুনি গানবোৰ ৰোদন হ'ব
আৰু আমি মৰি থাকিম

এইদৰে দিনবোৰ গৈ থাকিব
প্ৰপিতামহৰ পৰা পিতামহলৈ
পিতামহৰ পৰা অনাগত ভৱিষ্যতলৈ

আমি জীয়াব নাজানো বাবে মৰি মৰি
মৰি যাওঁ
হাড়ত অচিন বন এজোপা লৈ উচপিচাই থাকো
অন্য এটা জীৱনলৈ

সাতামপুৰুষৰ দিনৰ পৰা এনেদৰে জীৱনে ঘূৰি আছে
চক্ৰৱৎ, চক্ৰৱৎ
খেতিয়কৰ জীৱনত জীৱন নাথাকে
থাকে মেটমৰা শ্ৰমৰ সম্ভাৰ
যি সম্ভাৰৰ ঐশ্বৰ্যৰে ঐশ্বৰ্যশালী হৈছিল প্ৰপিতামহ, পিতামহ

আজি মই
হয়তো কাইলৈ মোৰ সন্তানেও।●

# হোমেন বৰগোহাঞিৰ প্ৰশস্তি

**হৰগোবিন্দ দাস**

অসমীয়া জাতিৰ অতন্দ্ৰ প্ৰহৰী
হোমেন বৰগোহাঞি তুমি
পাহাৰ- পৰ্বত, অৰণ্য ,
নৈ-জান-জুৰি সমন্বিতে
তোমাৰেই সুকীৰ্তিৰ গান
অসমৰ আকাশ-বতাহতো বাজে
তোমাৰেই নাম
তুমিতো নহয় এজন ব্যক্তি মাথোন
তুমি সুদীপ্ত মিছন অভিযান
নাৰিকল যেন
খোলাটোহে টান
অন্তঃভাগ সুস্বাদু, কোমল, অম্লান
দৰিদ্ৰ- ৰোগাক্ৰান্তৰ পৰিত্ৰাণ
অসমীয়াৰ তুমি অতিকে মহান ।

তুমিয়ে দিলা
পৰি পৰি পৰি উঠাৰ-
হাৰি হাৰি হাৰি যুঁজাৰ
অকৃত্ৰিম মনঃস্তত্ত্ব
চকুত আঙুলি দি দেখুৱালা
প্ৰাচ্য- প্ৰাশ্চাত্য, সমগ্ৰ বিশ্ব

জীৱন উদ্‌যাপনৰ মহামন্ত্ৰ
জীৱনৰ অনুপম স্বত্ব
দিলা তুমি
অসমীয়া জাতীয়তাবাদৰ তত্ত্ব
বিকশি-প্ৰকাশি উজ্বলা তোমাৰ মহত্ত্ব।
শিৰা- উপশিৰা, তেজৰ ধমনীত
তোমাৰেই উশাহ তৰঙ্গ
হিয়াৰ আমঠু  তোমাৰ নিৰ্মীত
অতুলনীয় শব্দ শিল্প
বিচাৰি পাওঁ জীৱনৰ স্বপ্ন-অৰ্থ
ভ্ৰূক্ষেপ নাই আনৰ ভ্ৰূকুটি
প্ৰতি অসমীয়াৰ প্ৰাণে প্ৰাণে
সমুজ্বল হৈ থাকিব জিলিকি
তোমাৰ জীৱন কীৰ্তি
তোমাৰ জীৱন কীৰ্তি।●

# এদিন জোনাকী ৰাতি কবিতা আৰু মই

**মদন দাস**

কবিতা
গোপনে গোপনে দেখোঁ সপোন, তোমাৰেই
জোনাক জোনাক লগা জোনাকী ৰাতি
সুখ নিদ্ৰাৰ শেতেলি এৰি
চোতালতে বহি
বিলীন হওঁ ৰাতিৰ নৈঃশব্দত
তোমাক বিচাৰি
এই যে স্নিগ্ধ জোনাকৰ তৰা ভৰা আকাশ
আৰু
তৰাই সজোৱা দীঘলকৈ বাট, য'ত অযুত তৰাৰ নিবাস
নাম যাৰ হাতীপটি
চলাথ কৰোঁ তাতো বিচাৰি
কত সূৰ্যোদয়ৰ কিৰণ, কত সূৰ্যাস্তৰ আভা
হৃদয়ত সানিলোঁ
নয়নভৰি কৰিলোঁ পান
বিচিত্ৰ প্ৰকৃতিৰ কত ৰস ,
তথাপিচোন নাপালোঁ তোমাক বিচাৰি
তুমিনো থকা ক'ত !

কবিতা
তুমিতো নজনা
কেনে আছোঁ মই

বহু কথাই আছিল ক'বলৈ
পোৱা-নোপোৱা, দিয়া-লোৱা
আৰু, মোৰ শুকান হৃদয়ৰ কথা ।

কবিতা
তুমিতো শুনা নাই মোৰ অসুখৰ খবৰ
বাহিৰত নেদেখা, ভিতৰি খুলি খুলি খোৱা
মোৰ অসুখৰ খবৰ !
ৰসাল হৃদয়খন গলি গলি নিৰস হ'ল অ' কবিতা
ৰসহীন হৃদয়ত নাই ভোমোৰাৰ গুণ গুণ
সেয়ে - ৰাতিৰ শেতেলি এৰি দুযাৰ কথাকে পাতিলোঁ
ৰিক্ত হৃদয় মোৰ শাঁত পৰক বুলি !

কবিতা
তুমিয়েই কোৰানা
তোমাক এৰি
এই মায়াৱী ৰাতিৰ মায়াজাল ফালি
কিদৰে দীঘল দি পৰোঁ মই নিদ্ৰাৰ শীতল পাটীত!
কিদৰে আদৰোঁ আৰু এটি প্ৰভাতী পুৱা!
অথবা
আৰু এটি ধূপ ধূনাৰ গন্ধহীন গধূলি!
এনেদৰেই পাৰ হয়চোন বিনিদ্ৰ ৰজনী।

কবিতা!
বৰ অসহায় অসহায় অনুভৱ কৰিছোঁ অ'
আৰু কিমান বিনিদ্ৰ ৰজনী পাৰ কৰিম
তোমাক বিচাৰি!●

# কাইলৈ নিজৰ বাবে ভাবিম

**ৰাধেশ্যাম নাথ**

কাইলৈ নিজৰ বাবে ভাবিম
আজি তোমালোকৰ বাবে
এই আশাৰে আৰম্ভ হয়
প্ৰতিটো প্ৰভাত
তোমালোকৰ গণবেশ
আমি পিন্ধাবোৰ ঠিকে থকা যেন অনুভৱ কৰো
কাইলৈ নিজৰ বাবে ভাবিম
আজি তোমালোকৰ বাবে
আমিটো গাব নোৱাৰো
দৰমহাৰ গান
কিবাকৈ পুৰণা বাকী
শোধাব পাৰিলেই
নতুন গণবেশ আনিম
জাৰৰ দিনত তোমালোকৰ ফটা জোতাবোৰ
আমাৰ হাৰাইবোৰ জোতা হৈ পৰা যেন লাগে
কাইলৈ নিজৰ বাবে ভাবিম
আজি তোমালোকৰ বাবে
আশা কৰিম
তোমালোকে নিজৰ বাবে ৰাখিবলৈ চেষ্টা কৰিবা
আজিৰ দিনটো।●

# ঘৰ

জগবন্ধু কলিতা

এজাক বৰষুণৰ সিপাৰে মোৰ তিতা ঘৰ
সময় পালে কেতিয়াবা আহিবাচোন
পদূলিতে ফুলি আছে সমস্যা জৰ্জৰিত
নানা ৰঙৰ গোলাপ তগৰ

বৰষুণলৈ মোৰ ভয় নাই
ভয় বাঢ়নী পানীলৈহে
জানোচা দুৰ্বল ভেটিটোকে
উছন কৰি থৈ যায় নিমিষতে

বৰষুণেতো পুৱাই সন্ধিয়াই
মোৰ ঘামৰ শৰীৰ ধুৱায়
সমস্যাত সিক্ত ফুল কেইজোপাক ৰান্ধি বাঢ়ি খুৱাই
কাল ধুমুহা জাকেহে অথন্তৰ ঘটায়

এজাক বৰষুণৰ সিপাৰে মোৰ তিতা ঘৰ
কেতিয়াবা ধুমুহাৰ বিক্ষোভ
কেতিয়াবা বানৰ ধৰ্মঘট
তথাপিওচোন বুকুৰ চোতালত জিলমিলাই
মহাজীৱনৰ এচেৰেঙা সোণালী ৰ'দ।●

# অভিশপ্ত দিনবোৰ

**মুবীন ৰাভা**

মোৰ হৃদয়ৰ খোলাত
জুইৰ এটুকুৰা অঙঠা
কোনোবাই থৈ গ'ল
যাৰ বাবে আজি মই
কাঁড় বিন্ধা পখীৰ দৰে
চট্ ফটাবলৈ লৈছোঁ
পিয়াহত পানী,
উশাহত শীতল বতাহ,
জিৰণিত গছৰ ছাঁত
শৰতৰ মলয়া পৰশ
মোৰ সমস্ত গাত লাগিছে
তথাপি,
জুইত ঘিউ জ্বলাদি বিষাক্তহে
হৈ পৰে।●

# শাৰদী প্লাৱন

ডাঃ জয়ন্ত দাস

সময়ৰ গভীৰতাৰে ছালত লাগিল  শাৰদী কোমল ভাৱ
আশাৰ ঋণত মনটো নতুন পৰশেৰে  - প্লাৱিত কেনিবা হ'ল
হয়তো জীয়া দিনৰ আগমন হিয়াত বাজি ৰ'ল ।
জীৱন জীয়ায়
জীৱনে ধিয়ায়
তাৰ মাজতেই  সৰ্বত্ৰে দোভাগ নিশাৰ কৰুণ ছাঁয়া
নিশা গলিবোৰে সাৰ পায়
দুহাতৰ মাজতেই সময় অতীত হয় ।
আজি দেখোন দেখিছোঁ
শাৰদী কোমল আভাৰ পণ - এতিয়াও সপোন দেখাৰ মন
এখন পৃথিৱী গঢ়াৰ মন ।
বিভৎসতাৰ বুকু খন এৰি আকাশৰ বিশাল
কোমলতাত উৰি হেজাৰ সান্নিধ্য ভগোৱাৰ মন - তাতেই জীৱন গঢ়াৰ পণ ।
সময় তুমি আহিবা, কাষলৈ আহিবা
সপোন চক্ৰত দুৰ্বাৰ আশালৈ তুমি  অনায়াসে আহিবা
দিঠকৰ বুকু ত এঘুমটি মাৰি  হৃদয় গঢ়াৰ মন্ত্ৰ নিশ্চয়  শিকিম
এই শাৰদী প্লাৱনতে সৰা পাতবোৰ গাঁঠি দিম
সেউজীয়া গছবোৰ আনন্দতে কঁপি উঠিব, পুলকিত হ'ব মন
নাঙলত নাচিব হাবিয়াসী ধন
এৰা, তোমাৰ বুকুৰ উমলৈ সৰা পাতবোৰ
শৰততে গাঁঠি দিম ।●

# চিয়াঁহী

**দিপালীমা দত্ত**

নিসংগ এটি দুপৰ বেলা
জিলমিল দুটোপাল চিয়াঁহীত
সূৰুযৰ গাঁথা।

সেইয়া
কাৰ আঙুলিত
চিয়াঁহীৰ প্ৰলেপ
সিঁচৰতি হয়
হাঁহি কান্দোনৰ দৰে

এডাল উলম্ব ৰেখা
আৰু এটোপাল চিয়াঁহী।
ৰেখাডালত এটোপাল চিয়াঁহী পেলাই দিলে
নিজ লক্ষ্যত উপনীত হ'ব
চিয়াঁহী টোপাল
তুমি কিবা কোৱাৰ আগতেই।

মাজে সময়ে মই
ক'লা চিয়াঁহীৰে কিছুমান আঁক-বাঁক আঁকি
আপোন পাহৰা হওঁ।

এদিন সেউজীয়া চিয়াঁহী বিচাৰি থাকোতে
হঠাৎ বেসুৰা গীত এটাই বৰকৈ আমনি কৰিছিল
বৰ্ষা ঋতুত সৰিছিল শুকান পাতবোৰ
আৰু ঠিক তেতিয়াই ৰঙা চিয়াঁহীৰে
ধুই দিছিলোঁ, পাতবোৰৰ চকুপানী।
নীলা চিয়াঁহীবোৰ থুপ খাইছিল
আকাশ আৰু নদীত
মোক আপোন কৰি।

অৰ্থহীন
সংগতিহীন
নোটবুকৰ চিগা পৃষ্ঠাৰ ভগ্নাৱশেষ
টোপটোপকৈ সৰে সংগ্ৰামী চিয়াঁহীত।
গুটিমালি ফুলজোপাৰ তলত গোটমৰা
চিয়াঁহীৰ টোপালবোৰত গীত হৈ সুৰ হৈ
মই মোকেই হেৰুৱাও
মই মোকেই বিচাৰোঁ!!

নিধন নহয় চিয়াঁহী
পাৰ হওঁ
উভতি আহোঁ, শস্য শ্মশানৰ অস্থিমজ্জাৰে ।
চিয়াঁহী ছাঁ
চিয়াঁহী সাঁকো
এপাহ ফুলত
এডৰা মেঘত
কোনো মৃত নগৰৰ কবিতা লিখিব পৰাকৈ
দাসত্ব মুক্ত মোৰ কলমৰ চিয়াঁহী!!●

# উজনিৰ উক্তি

**গিৰিজা শৰ্মা**

নন্দেশ্বৰ পাহাৰৰ নান্দনিকতাই
শুক্ৰাশাকৰ দলনিত এসোঁতা জিৰায়
কি জানো বিচাৰি কবিতাই কঠিয়া পেলায়

দিনবোৰ বহেমিয়ান
উজাগৰী ৰাজপথেদি উজাই আহে
জাকে জাকে উজানৰ মাছ
সম্ভাৱনাৰ বীজে সমৃদ্ধ কৰে দলনিৰ দলিচা
মাছে পোনা মেলে
কাৰ বুকুৰ বহীত হিচাপে বেহিচাপী খেল খেলে !

মন্দিৰৰ শংখধ্বনিৰ স'তে নীৰৱ সংকল্প
সি দুধনৈ নৈক পেঘেনিয়াই
লুকুৱাই ৰখাখিনি ওভতাই দে

সেই যে ৰ'দ বিচৰা দিনৰ আকুতি

বটজোপাই সাক্ষী দিব
সাক্ষী দিব পাহাৰে-পথাৰে
শাওণৰ সেউজীয়া সানি সখীয়তী কেনি গ'ল
গো-বাটৰ ধূলিৰ বেলিত
কাৰ কুমলীয়া কলিজাৰ বোল।●

# কবি নীলমনি ফুকনৰ প্ৰতি
**গীতাৰ্থী ঠাকুৰ**

যুৰীয়া শিমলুৰ তলৰ তোমাৰ পঁজাৰ পৰা কৈছোঁ
সেন্দূৰী পমাৰ সখীয়তীৰ দেওজাপ চাই
মই মোহময়,
তন্ময়।
মই সেই গেলাবিলৰ পাৰতে আছোঁ, সেই গেলাবিল,
যি কেতিয়াও গেলাও নাছিল, বিলো নাছিল।
শীতত শীৰ্ণ, বাৰিষাত ডকা-চাকনৈয়া,
পকনীয়া হামোৰণি,
কতটা ভাঁজ কেঁকুৰি
ডোবা-ডঁৰিয়লি,
কতটা পানীতোলা ঘাট, পাৰঘাট।
মেটেকা ফুলৰ তলত লুকাই থকা ভোটাইৰ লগত মোৰ নিৰলস কথা,
চন্দ্ৰাৱলী অভিসাৰ।

'কেলেই ফুলিলি মদাৰ ঐ'
তুমি ৰ লাগি শুনা নাৱৰীয়াৰ
গীতফাঁকিয়ে
মোৰো দুওঁঠ কঁপায়।
পানীযুঁৱলিত শাৰী পাতি নবহে এতিয়া মণিয়ৰি কণামুচৰি।
মেঘকাগজত নেদেখা ৰেখা টানি বলাকাও নুৰা হ'ল।
মাছ্ এটিও

নপৰা হ'ল পৰঙি জালত।
গঙা-চিলনীৰ পাখিৰ চোঁচোৰনিত,
তোমাৰ দুপৰীয়াৰ
নিজান ঘাট এতিয়া নাই।
নিজাৰ পৰা এজাৰ !
সৃজনৰ বলিয়া আবেগত
নৈখন নৈ হৈ থকা নাই।

কিন্তু,
মৰি সুঁতি হোৱা নাই এতিয়াও
তোমাৰ বুকুৰ নৈ।
এতিয়াও শুই আছে
পলসুৱা মাটিৰ তলত
নির্যাতিত ৰক্তিমতা,
এতিয়াও আছে সেউজীয়া,
মই দেখিছোঁ সেই বাট,
সেউজীয়াৰ পৰা সূৰ্যলৈ যোৱা।●

# নাৰী-সত্তাৰ ছবি

**গায়ত্ৰী চক্ৰৱৰ্তী শৰ্মা**

(১) শূন্যতাৰ পাত্ৰটি পূৰ্ণতাৰে উপচাই পাৰ ভাঙি বৈ যোৱা নামেই নাৰী।
জ্যামিতিৰ কোণবোৰত ঘৰ সাজি সমীকৰণ পতাত সিদ্ধহস্ত নাৰী।

ভগ্নস্তুপৰ মাজৰপৰা
সপোনবোৰ বুটলি আনি
জখলা বনোৱা-গৰাকীয়ে নাৰী।

দুই ওঁঠৰ মাজত হেঁপাহবোৰ বন্ধকীত থৈ
সহনশীলতা, উদাৰতাৰ হাঁহি বিলোৱা গৰাকীয়েই নাৰী।●

(২) ধাননি পথাৰ,
উদং ঘৰৰ মজিয়াৰপৰা
বুটলি অনা শৰ-দেহবোৰো
যে নাৰী।

আশাৰ লাম-লাকটি বুকুত বান্ধি দুৱাৰ-দলিৰ চাউল গচকি,
আকৌ উভতিবলৈ বাধ্য হোৱা দুৰ্ভগীয়াজনীও নাৰী।

নিলগাই এটি দিন কিহলৈ - প্ৰটিটো দিনেই নাৰীৰ।
সেয়ে সৌভাগ্যত নাৰী, প্ৰেমত নাৰী, বিষাদত নাৰী, মমতাত নাৰী
অৰ্ধ-সংসাৰ জুৰি নাৰী।●

# এটি শব্দৰ সন্ধান

**বিপুল নাথ**

তোমাক নাম এটা দিব পৰা হ'লে ভাল আছিল।
যিবোৰ শব্দৰে তোমাৰ নাম ৰখা হৈছে সেইবোৰ যেন তোমাৰ সৈতে অমিল।
সেয়ে
এটি শব্দৰ তাড়নাত হাহাকাৰ কৰিছোঁ
বিচাৰি চলাথ কৰিছোঁ অভিধানৰ পৃষ্ঠা তোমাক নতুন নাম দিবলে।

ৰ'দত পুৰিছোঁ দেহ
শীতত কপিছোঁ
অৰণ্যৰ ভিতৰ সোমাই
সেউজ পাতেৰে মুখ মচিছোঁ
বনৰীয়া ফুলৰ সুবাস লৈছোঁ ।
পাহাৰ বগাই কমলা বাগানত ঘুৰি ফুৰিছোঁ
মূৰত লুংখী লৈছোঁ
সাগৰ সাঁতুৰি ডলফিনৰ স'তে খেলিছোঁ
এটি শব্দক কৰায়ত্ব কৰিবলে।
বিমূৰ্ত বিবৰ্ণ শব্দৰ বিৰামহীন সন্ধানত মই মোক নিয়োগ কৰিছোঁ।

আচলতে তোমাৰ অসুখ হ'লে
বিবৰ্ণ হৈ পৰে প্ৰভাতী সূৰুয
তোমাৰ মুখত হাঁহি নাথাকিলে
মলিন হয় জোনৰ বাসন্তীমুখ।
কথা নক'লে পৃথিৱী হৈ পৰে নিশ্চুপ।

তোমাৰ নামৰ বাবে সেই শব্দ
যি এক সাগৰীয় সত্বা
আকাশী উদাৰতা
হিমালয়ী অটল অংগীকাৰ
পাশুপাতৰ দৰে অমোঘ বাণ
সুকুমাৰ কলা সমৃদ্ধ
বৈকালৰ দৰে গভীৰতা।

তুমি কবিতা পদ্য গদ্য
তুমি শ্যায়েৰী হাইকু পয়েম
তুমি কাব্য মহাকাব্য
মোৰ বাবে তুমি এইবোৰ নোহোৱা
এক নতুন অসংপৃক্ত সাধনা
অন্য এক বিবৰ্ণ অভিনৱ
নতুনতকৈয়ো যি নতুন।●

# বিক্ৰমাদিত্য আৰু বেতাল কথা

**ৰাজীৱ দত্ত**

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্যই
পুনঃ নমাই আনে প্ৰেতাত্মাই ভৰ কৰা
শতাব্দীৰ সমস্যা জৰ্জৰ
সেই শৱদেহ ।

সকলো ক্লেদাক্ততা নেওচি
পুৰাতণ যন্ত্ৰণাৰ শৱদেহ
কান্ধত লৈ নিৰ্বিকাৰ বিক্ৰমাদিত্য।

পুনঃ শ্মশান যাত্ৰা
কত শৃগালৰ আৰাও
জিলিৰ চিচিয়নি

পথৰ দুকাষে অভিশপ্ত
প্ৰেতাত্মাৰ কিৰিলি।

হাতত উন্মুক্ত কৃপাণ
মনত প্ৰতিজ্ঞা অবিচল
অন্তহীন অবাৰিত এইযাত্ৰা।

‘হে ৰাজন, পথক্লান্তি দুৰ হওঁক তোমাৰ
কওঁ এটি সাধু, দিয়া মন
সমস্যাৰ বোজা বেতালেও

মাত দিয়ে।
এনেদৰে সাধু এটিৰ আৰম্ভণি

এনে কত সাধু শুনি যায় বিক্ৰমাদিত্যই
বেতালৰ   চালাকিত  হাবুডুবু খায়।

অৱশেষত কোনোমতে বেতালক
নিয়ে আঁতৰাই ।

তথাপিও যেন মুক্তি নাই
কৰ্তব্য আৰু দায়িত্বৰ
বেতাল বোজাই কোঙা কৰি ৰাখে
বীৰ  বিক্ৰমাদিত্যক ।

বেতালৰ বব নোৱাৰা বোজাত
তেওঁ  কোঙা, নিৰ্বাক
জনতা জনাৰ্দনৰ বাবে
সমৰ্পিত তেওঁৰ জীৱন ।

বেতাল কথাই হৰি নিয়ে
সমস্ত তন মন
জীৱনৰ সমস্ত শুভ ক্ষণ।

দুশ্চিন্তাৰ বিষয়  বেতাল আখ্যান
নিঃস্ব জনতাৰ আশা
বিক্ৰম আদিত্য!!

হেঁপাহৰ সূৰুয হৈ
ভাস্বত হওক।
বেতাল পুৰাণৰ হওক অৱসান।●

## জৰা উবাচ আৰু আদি ইত্যাদি

**জুমি ভূঞা বৰা**

জৰাজোপা ৰৈ আছিল তেতিয়াও
আগবাঢ়ি সুধিলোঁ
নোযোৰা ?

আছোঁ অলপ আশা
তোমাক পুহি
কিজানি ভাগ্যৰ কড়িয়ে এই হাঁহিব
যোৰাসকল উভতিব..

কিজানি এইমাত্ৰ কাৰোবাৰ বল খেলা ল'ৰালি দৌৰিব !
কিজানি মুখৰ হয় সৌটো পদূলি
আঘোণী উদৰ ঢাকি
তাতে ৰৈ তাই কিজানি চাব দিগন্ত সোণোৱালী

শীত ফালি বগা হাতীৰ হাওদাত কোন বহি
এইফালে আহিছিল
কোনে লৈছিল কেঁচাসোণৰ সম্ভ্ৰান্ত জৰা !

কথাবোৰ যেন সিদিনা সিদিনা

অস্ মোৰ বিড়ম্বনাই কুণ্ডলি পকাই
বুকুখন বিষাই
হোকাটোৰ ধোঁৱাবোৰ ওলাই নাহে

শোকবোৰ ঠাহ খাই তাতে আছে

কোনোবা আহিবনে আশা?
ঢোকা দিবলৈ মোৰ দো-খোৰা দুয়ো হাত
মূৰ পোনাও মই

বাউসীত বগাওক থুপি থুপি কুঞ্জলতা।।

**২) অমৃতপ্ৰভা তোমাৰ নাম**

তোমাৰ পৰা মোৰ দূৰত্বক
শতিকাৰে হৰণ কৰিম নে সহস্ৰ যোজন বাটেৰে
চিন্তাটোৱে হৃদয়ত হাহাকাৰ কৰি আছিল
অলপ দিনৰপৰা
সিদিনা পৃষ্ঠা লুটিওৱাৰ মৃদু কম্পনতে
তোমাৰ কলাঘুমটি ভাগিছিল
আৰু মোৰ ভাগিছিল ভ্ৰম

'ৰাজতৰংগিনী'ত সেইয়া মেঘবাহনৰ প্ৰৱেশ ঘটিছে..
প্ৰাগজ্যোতিষত সয়ম্বৰৰ আয়োজন ভগদত্ত বংশীয়ৰ?
শুভবাদ্যৰ কল্লোলৰ মাজত
ভূ-স্বৰ্গলৈ সূৰ্যকন্যাৰ চিৰবিদায়ৰ
কিছুমান চকামকা চিত্ৰই গলাইছে হিমবাহ

কি আছিল সেইহাল চকুৰ আঁৰৰ বুৰঞ্জী
নে ঐতিহাসিক ৰূপকথা!

স্পষ্টকৈ নহলেও দেখিছোঁ এক প্ৰজাহিতৈষী আভা
তোমাক অমৃতপ্ৰভা।●

# তোমাৰ বাবেই

জুৰি শৰ্মা

(১) মই তোমাৰ বাবে এদিন ফুল হৈ ফুলিম
জোনৰ জোনাক হৈ উমলিম

মই তোমাৰ বাবেই এদিন  আশাৰ চাকি হৈ উজলিম
পুঁৰতিৰ ভোটাতৰা হৈ জিলিকিম

মই তোমাৰ বাবেই এদিন সেমেকা শীতক উমাল কৰা ৰ'দজাক হৈ আহিম
উষ্ণ গ্ৰীষ্মক শাঁত পেলাবলৈ এজাক বৰষুণ নাইবা মলয়া হৈ আহিম

তোমাৰ বাবে মই আছোঁ নে মোৰ বাবে তুমি আছা নাজানো
মাথোঁ জানো তোমাৰ বাবে মই এদিন উশাহ লৈ থাকিম।●

(২) যেনেদৰে আহে দিনৰ পিছত ৰাতি
তেনেদৰেই ঘূৰিব কাল ৰথৰ চকৰী
অমাৱস্যাৰ নিশাবোৰ আঁতৰি
পূৰ্ণিমা আহিব
কঁহুৱাৰঙী ডাৱৰৰ বুকুত ওপঙি থকা জোনজনীয়ে আকৌ লুকা-ভাকু খেলিব
চিৰিলা-চিৰিল আমলখিপাতৰ মাজেৰে আইৰ চোতালত  উমলিব
কজলাৰঙী সময়বোৰ  জিলমিলাই উঠিব
ৰূপোৱালী পোহাৰ মেলিব

মৰহিব লোৱা সপোনে পোখা মেলিব
নকৈ গজালি মেলিব আশাই।●

# চুটি হৈ আহে অকস্মাৎ

**ৰিপুঞ্জয় বৰুৱা ঋমন**

কবিতা লিখিবলে’ এৰিছোঁ ।

সম্প্ৰতি মোৰ শাৰীৰিক অসুস্থতাৰ সুযোগ বুজি
যোৱাটো সপ্তাহৰ কথাবোৰ নীৰৱে ভাবিছোঁ

শনিবাৰে আমি চহৰ এৰি
পানীখাইতীত সুখৰ বৰযুণজাকত তিতি খোজকাঢ়ি ফুৰোতে
এটা প্ৰেমিক ছাতিৰ দৰে তোমাৰ ছাঁ হৈ আছিলোঁ ।

কিদৰে কোনেও নেদেখাকৈ মেৰিয়াই লৈছিলোঁ
তোমাৰ বাওঁ হাতখন মোৰ বাওঁ হাতেৰে ।

হাতখনত তামাম উষ্ণতা!
তুমিও শিহৰণত কোঁচ খাই দীঘলকৈ হুমুনিয়াহ এৰিলা

আৰু এটা তীক্ষ্ণ চুমাৰে ৰঙা ৰং সানি
মোৰ বাওঁ হাতৰ নগ্ন উপত্যকাত প্ৰেমৰ পেইণ্টিং কৰিলা।

পিছে ভাল সময়বোৰ বান্ধি ৰাখিব নোৱাৰি

মাত নিদিয়াকৈয়ে ঋতুৰ দৰে গুচি যায় ।

কিছুদিনৰ পিছত ভালপোৱাবোৰ বুঢ়া হ'ব
চলা ফুৰা কৰিব নোৱাৰি বিষাদৰ বিছনাত পৰি চটফটাই থাকিব

যেনেকৈ মৰিবৰ প্ৰাক্ মুহূৰ্তত
ফুটা নুফুটা মাত
উমান নিদিয়াকৈ চুটি হৈ আহে অকস্মাত!●

# এদিন মহম্মদক বিচাৰি

ত্ৰিদীপ ৰায়

মই বোহেমিয়ান নাছিলোঁ
মই ধৰ্মপ্ৰাণ নাছিলোঁ
মই নাস্তিকো নাছিলোঁ
মই গীৰ্জালৈ যোৱা নাছিলোঁ
মই পীৰক বিচাৰি কবৰ স্থান চলাথ কৰা নাছিলোঁ
অথবা উপাসনা গৃহ বিচাৰি
প্ৰাৰ্থনাৰ ঘৰ সজা নাছিলোঁ
এদিন মহম্মদক বিচাৰি মদিনা
নতুবা খ্ৰীষ্টক বিচাৰি জেৰুজালেম
অযোধ্যাৰ ভগ্নাৱশেষৰ মাজত প্ৰভুক বিচাৰি
আঠখেলীয়া নামঘৰত নহয়
মাত্ৰ শূন্যতা বিচাৰি এগছি বন্তি জ্বলাইছিলোঁ
মই জানিছিলোঁ
গুজৰ ওলাইছিল
ইহুদীবোৰে তেওঁক হত্যা কৰিছিল
ঈশ্বৰ প্ৰেৰিত দূতক তেওঁলোকে ক্ৰুচবিদ্ধ কৰিছিল
অভিযোগ, প্ৰতিঅভিযোগ
পবিত্ৰ ৰমজান মাহত
তেওঁলোক তাত নাছিল কিজানি
তেওঁলোক আছিল
বন্য উল্লাসত
কাৰবালাত অথবা প্যালেষ্টাইনত

তেজৰ চেকুৰা হৈ নৈ বৈ গৈছিল
চিৰাচৰিত মুক্তি হৈ
ঈশ্বৰ প্ৰেৰিত দূতৰপৰা
প্ৰেম,দয়া,ক্ষমা
আচলতে তেওঁলোকে পিন্ধি লৈছিল শিকলি
ইতিহাসৰ পৃষ্ঠা এটা এটাকৈ খোল খাইছিল
সেয়া কাৰবালা কিম্বা পেলেষ্টইন
তেওঁলোক নিজেই নিখোঁজ হৈছিল
যিদিনাখনেই ঈশ্বৰো বন্দী হৈছিল
তেওঁলোকৰ আত্মাৰ স'তে।●

# পুৰণি কাৰ্যালয়ৰ কাষেৰে এপাক

**ৰমেশ চন্দ্ৰ ৰায়**

মোৰ পুৰণি কাৰ্যালয়ৰ কাষেৰে
এপাক মাৰিলোঁ আজি
বৰ ৰোমাণ্টিক আছিল কাৰ্যালয়টো
হয়তো কিছু প্ৰেমিক
জীৱনৰ প্ৰথম কাৰ্যালয়টো প্ৰেমিক হয়েই
নতুন জোতা
নতুন পোছাক
পাউডাৰ
পাৰফিউম

আচলতে কাৰ্যালয়টো নহয়
প্ৰথম চাকৰিত সোমোৱা ল'ৰাটো অথবা ছোৱালীজনীহে
হয় ৰোমাণ্টিক

নাই
একোৱেই বিচাৰি নাপালোঁ
চাইনবোৰ্ড ল'গ' একো নাই
আন ঠাইলৈ উঠি গ'ল কাৰ্যালয়টো
ট্ৰাক এখন ওলাই আহিছে তাৰপৰা
হয়তো প্ৰকাণ্ড ঘৰটো কাৰোবাৰ গুদামঘৰ হ'ল

মেলা এখন বহিছিল

মেলাখন অইন এঠাইলৈ গ'ল
বেলুনবোৰ, কাগজৰ চকৰিবোৰ, ৰঙীণ পেঁপাবোৰ,
জিলাপিৰ দোকানবোৰ
চৰাই এটাৰ দৰে আকাশত হেৰাল

গৈ আছোঁ মোৰ পুৰণা কাৰ্যালয়টোৰ কাষেৰে
মোৰ নোহোৱা কাৰ্যালয়টোৰ কাষেৰে
কোনোবাই মাতিছে বুলি ঘূৰি চাইছোঁ
ভ্ৰম এটা লগে লগে আহি আছে
অশৰীৰি এটাৰ অস্তিত্ব অনুভৱ কৰিছোঁ চৌপাশে

কিয় আহিলোঁ পুৰণি কাৰ্যালয়টো বিচাৰি
কাঞ্চাই যদি অৱসৰ লৈছে
বৰুৱাৰ যদি বদলি হৈছে
কোনে চিনি পাব মোক
যদি কাৰ্যালয়টো আছেও

হোষ্টেলৰ বিছনাখন বিচাৰি অহাৰ দৰে
এযুগ পাছত

খৰ খোজেৰে পাৰ হৈ আহিলোঁ পুৰণা কাৰ্যালয়টোৰ মহলটো
চোলাত ধৰি টানি টানি অশৰীৰিটো
দীঘল হৈ দীঘল হৈ
ক'ৰবাত ৰৈ থাকিল।●

# উৎসৱৰ ৰাতি
## প্ৰতিমা ৰাজৱাৰ

১◈ উৎসৱৰ ৰাতি তোমালোক সাৰে থাকা
আৰু সাৰে থাকে আকাশৰ জোন -তৰা
তোমালোক বৃত্তৰ দৰে ঘূৰি ঘূৰি নাচা
নিজৰে মৃত্যুৰ উপত্যকাত

২◈ মাদলৰ নিনাদত যি বাটেৰে তোমালোক গৈ আছা
সেই বাটত কাহানিও বেলি নোলায়
সেই বাটত কাহানিও কঁহুৱা নুফুলে

৩◈ প্ৰাচীন ভোকৰ শৰীৰ
তাত তোমালোকৰ একোৱেই ভুল নাছিল
এফাঁকি ঝুমইৰে ভোক গুচোৱাৰ

৪◈ উৎসৱৰ ৰাতি তোমালোকৰ দুচকু
অমল ভাৱনাত টলমল
নিৰ্মেঘ আকাশৰ কেনভাচত নৈসৰ্গিক চলমান সপোন

৫◈ উৎসৱৰ ৰাতি সাৰে থাকা তোমালোক এবাটি হাড়িয়াত ডুবি
পাহৰিব পাৰি জানো পৃথিৱীৰ যাতনা !

৬◈ উৎসৱৰ ৰাতি সাৰে থাকি তোমালোক পুৰণি ঘাঁবোৰ খুচৰা
বুকুৰ ঘাঁবোৰক আকৌ এবাৰ জুমি চোৱা।●

# পাৰাৰ ষ্টিয়াৰিং গাড়ীখন

**জগন্নাথ কলিতা**

সাইলাখ কুলিৰ মাতেৰে হৰ্ণটো বজাই জীৱন নামৰ গাড়ীখন আহিছে
আৰু নিচেই কাষতে ৰৈ দিলে
তোমাৰ-মোৰ নিচিনা যাত্ৰী বিচাৰি
তুমি বাৰু নভবা-নিচিন্তাকৈ গাড়ীখনত উঠিবানে?
ৰ'বা ড্ৰাইভাৰজন ভালদৰে চাই ল'বা
সি এতিয়া পাৰাৰ ষ্টিয়াৰিং ধৰিছে
তাৰ দেউতাকে চলোৱা
মেনুৱেল ষ্টিয়াৰিঙৰ গাড়ীখন সি  ভুলতেও এপাক নচলায়

তাৰ পাৰাৰ ষ্টিয়াৰিং সংযোজিত
জীৱন নামৰ গাড়ীখন
এখন যাত্ৰীবাহী গাড়ী
অলেখ যাত্ৰীৰ আমোদজনক ভ্ৰমণ
কোনোবাই যদি আৰামদায়ক আসনত বহি মস্তি মাৰিছে
আন কোনোৱে আকৌ ৰেলিঙত ধৰি গন্তব্য স্থানলৈ ধপলিয়াইছে

উঠাই উঠিছে
নমাই নামিছে
ন টেনছন !
বহুত টেনচন!!
গাড়ীখনত হৰ্ণটোৰ কি যে সুৰলা মাত!

হৰ্ণটো বজালে
কংক্ৰিট পথেৰে পাৰ হ'বলৈ ধৰা বিষাক্ত সৰীসৃপেও তাক বাট এৰি দিয়ে ।
হৰ্ণটো তাৰ মাকে লগাই দিছিল

জীৱন নামৰ দ্ৰুতবেগী গাড়ীখন চলিছে,
চলিব
সি পাৱাৰ ষ্টিয়াৰিঙত
হাত দিলে যান-জঁট কাটি
গাড়ীখন দ্ৰুতগতিত আগুৱাই যায়

ৰ'বা, তুমিও উঠিবা, জীৱন নামৰ গাড়ীখনত
সংযমশীল হৈ
কিন্তু!
ড্ৰাইভাৰজনৰ বডি লেঙ্গুয়েজ আৰু সংযমী ভাৰসাম্য নিৰীক্ষণ কৰিহে উঠিবা

আজি-কালি মাটি-শিল কাটি চলা
মেনুৱেল ষ্টিয়াৰিঙৰ গাড়ীখন
চলাবলৈ সেই শিলৰ পথবোৰ নাই,
নাই তাৰ দেউতাক,
মেনুৱেল ড্ৰাইভাৰজন
এতিয়াৰ গাড়ী কংক্ৰিটৰ মাটি পুতি থোৱা একা-বেঁকা পথেৰে চলে
পাৱাৰ ষ্টিয়াৰিং ড্ৰাইভাৰ
সংযমবিহীনতাত গতিবেগৰ গতিবিধি চলিছে
চাবা, পাৱাৰ ষ্টিয়াৰিঙযুক্ত গাড়ীখন কেনেবাকৈ ব্ৰেকফেল হোৱাৰ বহু যোজন
আগতে তুমি যাতে নামি দিব পাৰা,
তুমি সংযমেৰে ধৰিবা
জীৱন নামৰ পাৱাৰ ষ্টিয়াৰিঙডাল।●

# চেঁচা চেঁচা

**ধীৰেন্দ্ৰ কুমাৰ নাথ**

দূৰণিবটীয়া ঐনিতম এফাঁকি
বিৰিণাৰ  পাতে পাতে ঠেকা খাই
হিয়াৰ থিয় গৰা যেতিয়া খহাই
তেজৰ নৈ খনে মোৰ
একা-বেঁকা কৈ বয়
সুৰৰ লহৰে সাৱটি লয়
বুকুৰ সেউজী পথাৰ
চুই চাওঁ মই
সেই সুৰৰ শীতলতা
আহ! কি যে
চেঁচা চেঁচা
থাওকতে প্ৰাণ পৰশা।●

# ভিজা ভিজা আকাশ

**ড০ দিলুৱাৰা বেগম**

তেতিয়াও সৰি আছিল মেঘলা আকাশৰ
নিশা বৰষুণত গা ধুই মেলি দিয়া চুলিটাৰিৰ
টুপ টুপ পানী
তেতিয়াও সলোৱা নাছিল পোছাক আকাশখনে
ভিজা ভিজা দেহৰ ভাজত জিলিকি উঠা নাছিল
এটি ৰ'দালি পুৱা

জীয়াই উঠিছিল গছবোৰ ফুলবোৰ পাহি মেলিছিল
কুঁহি পাতে পাতে বলিছিল বসন্ত বতাহ
কুলিৰ সুমধুৰ গীত মলয়াৰ
পখীৰ কাকলি
মদমত্ত ভোমৰাৰ গুঞ্জন
প্ৰেমৰ ৰাগীত মতলীয়া প্ৰকৃতি

বোকাৰে লুতুৰি পুতুৰি চোতাল
যৌৱনৰ উন্মেষ
ৰূপে- ৰসে- গন্ধে আমোলমোল প্ৰকৃতি
সদ্য যৌৱনপ্ৰাপ্ত
সেউজীয়া আঁচলেৰে লাজৰ ওৰণি টানি
কাৰৈ বাট চোৱা ফুল্লশিখৰিনী

ভিজা  ভিজা ওঁঠযুৰি কঁপাই
বৰষুণৰ আলিংগনত কুচিমুচি হৈ
কোনে চুমি যায় প্ৰেমিক চুমা উপচাই
মেঘৰ কুঁৰলী ফালি ৰ'দালি
পোছাকী কাপোৰ শুকুৱাই
আহিব নে ধৰালৈ
এবুকু আশা হৈ...।●

# বেসুৰীয়া গাঁথাৰ মালিতা

**ছোনীয়া ৰাভা**

তাই সিদিনা ৰঙা পাতানি এখন পিন্ধি ৰঙীন হোৱাৰ কথা আছিল
নতুনকৈ কিনা বগা শংখৰ খাৰুযোৰ সযত্নে সাঁচিছিল
বিয়ালৈ বুলি
ভায়েকৰ বিয়াখনলৈ বুলি কিমান যে ৰচিছিল সপোনৰ গাঁথা
পানীতোলা, জোৰোণ, আৰু শৈশৱৰ উমালতা

এটি মাথো ক্ষণে
উটুৱাই নিলে তাইৰ সমস্ত বাঞ্চা

ক'লা চপৰা ডাৱৰৰ অন্ধকাৰে নমালে
তাইৰ জীৱনৰ বেসুৰা গান
যত মূল্যহীন ৰঙৰ ভাষা

শুধ বগা সাজে সজালে তাইৰ ভৱিষ্যত
পানীৰঙী কেনভাছৰ নিৰ্মম প্ৰহাৰত
বিধস্ত এটি হৃদয়
এতিয়া তাই
বঠাবিহীন নাওৰ মাথো দিশহাৰা পঠিক।●

## মনৰ কৰণিত সপোনৰ ৰহঘৰা

**ৰীণা সূত্ৰধৰ কলিতা**

জীৱন সংগ্ৰামৰ প্ৰতিটো খোজত মাথোঁ উজুটি
ঘাত প্ৰতিঘাতৰ
দেওনাত মিচিল
হৃদয় উপকূলৰ
অলেখ সংকল্প শিখা
পাৰ ভাঙি যায়
সাগৰ সংগমত
সাঁতুৰিবৰ  বাবে
মহা মহা মনিষীৰ
জ্ঞানৰ চানেকিৰে
জীৱন গঢ়াৰ সপোন
উন্মুক্ত বাসনাৰ অনুৰাগ বিচ্ছুৰিত জনমানসৰ
উৰ্বৰা ভূমিত
মন মগজুত শব্দৰ সমদল
দু-চকুত ৰামধেনুৰ সাতোটা ৰঙৰ সমাহাৰ
জীৱন নাটৰ সংগ্ৰামী
চেতনাৰ সংকল্প
অনুৰনিত হয় মনৰ মাধুৰীমাত।●

# হেঁপাহ

**জ্যোৎস্না নাথ**

তুমি যিটো বাটেৰে অহাযোৱা কৰা
সেইটো বাটৰ বাটচ'ৰাতে
মই এজোপা গছ হ'ব খোজো

ৰ'দত সুশীতল ছাঁ দিম
বতাহ ধুমুহাত খামোচ মাৰি
ধৰি ৰাখিম
তোমাৰ আলফুল ঘৰৰ ভেটি
বসন্তৰ ফুল আৰু বাৰিষাৰ ফল
এইবোৰতো তোমাৰেই
সেউজীয়া পাতৰ আঁৰে আঁৰে
যেতিয়া সূৰুযৰ হালধীয়া কিৰণে ভুমুকি মাৰিব
মোৰ বুকুত নিগাজীকৈ
ঘৰ সজা চৰাইবোৰে
তেতিয়া আনন্দতে কিৰিলি পাৰি উঠিব
সেই অনাবিল আনন্দখিনিও
তোমাৰেই
তদুপৰি তুমি পাবা নিৰ্ভেজাল অম্লজান
যি আজিৰ দিনত বৰ মহঙা
তুমি যিটো বাটেৰে অহা যোৱা কৰা
সেইটো বাটৰ বাটচ'ৰাতে মই এজোপা গছ হ'ব খোজো।●

# ভোক

**ৰাহিদৰ ৰহমান**

ভোক আছে বাবে মই আছোঁ

ভোক আছে বাবে চিঞৰিছা তুমি

ভোক আছে বাবে চলমান জনপদ

ভোকৰ তাড়ণাতেই উন্মুক্ত বিকাৰগ্ৰস্ততাৰ
ভোক পিছে একে নহয় মোৰ কিম্বা তোমাৰ

সুকান্তই ঠিকেই কৈছে-
পেটৰ ভোক জীয়াই থাকিলে
চন্দ্ৰটোকো দেখা যায় -পুৰি যোৱা ৰুটি এটুকুৰা

ভোক থকালৈকে চকুলো থাকিব
মন্দিৰ, মছজিদ, গীৰ্জা ভোগৰ বাবে ব্যৱহাৰ হ'ব

ভোক থকালৈকে ৰক্তপাত হ'ব
সাম্প্ৰদায়িক সংঘৰ্ষ পোহপাল পাব

ভোকক নিজা দৰ্শনেৰে সংজ্ঞায়িত কৰিয়েইতো তেওঁ বাপু, আনজন হিটলাৰ

ময়েইতো সদ্য ওপজা কেঁচুৱাটিত ৰোপন কৰোঁ ভোকৰ বীজ

সেয়েতো বাঢ়ি আহে ন ন ভোক
বাঢ়ি আহে পৃথিৱীৰ অসুখ ।●

# আমাৰ চোতাল সূৰ্য্যদীপ্ত

**আলাউদ্দিন আল আমিন**

চিন্তশীল দৰ্শনৰ বিকশিত ৰূপে
আলোকিত কৰে-- মানুহ।
প্ৰকাশ পায়  সাগৰীয় স্ৰোতৰ দৰে
মনোমোহা সংস্কৃতিৰ ছবি।

অগ্ৰজৰ বিকীৰিত সৌন্দৰ্য্য-সুবাস
বাট বুলাৰ প্ৰেৰণা।
শব্দেৰে কবিৰ শুভেচ্ছা বাণী ধন্য আমি।
জ্ঞানী গুণী মহান পৰিচালক
মান্যজন আমাৰ
তোমাৰ মধুৰ বাণী, অমৃত বাণী।
মোৰ দেশ, মোৰ আই-- মোৰ জন্মভূমি
তোমাৰ বুকুতেই গজে সেউজ-সোণালী।

শংকৰ-আজানৰ অমৰ সৃষ্টি-কৃষ্টি
ফুল ফুলাৰ মন্ত্ৰ, অহৰ্নিশে
বেদ-বেদাঙ্গ, বাইবেল-কোৰাণ পৃষ্ঠা মেলি লোৱা।
জননীৰ  সম্পদ আমাৰ শক্তি।

আপোনৰো-আপোনৰ
হৃদয়ৰো-হৃদয়ৰ।

হঠাৎ হিয়া ভগা ক্ৰন্দন
তোমাৰ দুখত মই বৰ অসহায়।
বুকু ত  নাই ৰৌদ্ৰোজ্জ্বল।
বিষাদৰ যন্ত্ৰণাত নিগৰিছে চকুলো

ভ্ৰাতৃত্ববোধৰ অবৰ্তমানত  কালিকা লগা অমঙ্গল।
মোৰ বুকুৰ শশি-ৰবি নাই হৃদয়ত সাম্যৰ ছবি

আপোনত্বত পঙ্কিলতা
আত্মাই আত্মাই নাই ভ্ৰাতৃত্বৰ সৰলতা--
অযুত-অলেখ প্ৰশ্ন।
দেৱতাৰো কোঠৰতা, নিষ্ঠুৰতা কাতৰ মই, বেদনা সিক্ত।

অগৰু-চন্দনৰ কৃত্ৰিম প্ৰলেপন
মই নহওঁ ভক্ত।
আমাৰ চোতাল সূৰ্য্যদীপ্ত
শান্তিৰ বাসনা মৰমৰ লহৰ তোমাৰ প্ৰকৃ তি,
সমন্বয় সাধনৰ-পদূলিত উদুলি-মুদুলি।

হে মোৰ অন্তৰাত্মা-- আদৰেৰে পৰশিছোঁ
বাজক ডবা, বাজক শঙ্খ
সুৰদী সুললিত ঝঙ্কাৰ।
জাগ্ৰত হওঁক বিশ্ব ব্ৰহ্মাণ্ডত মাতৃ মোৰ--
অসম দেশ সূৰ্য্য উঠা দেশ।●

# নিৰুদ্দিষ্ট কোনো গান

**ইপুল হুছেইন**

কোনো গান যেন এতিয়া নিৰুদ্দিষ্ট
তথাপি ভিতৰি ৰৈ যায় সেই অৱশিষ্ট
ভৰুণ আছিল এসন্ধ্যা প্ৰণয়সাধিনী নদীৰ বুকু
তাতেই  লিখা আছিল মেঘৰ
দুৰ্নিবাৰ ঢৌ তোলা আখৰ
সময়ৰ সাদৃশ্য, অসময়ৰ অমিল সহজেই অনুমেয়
বুজা নাযায় মাত্ৰ বুজাব নোৱাৰাৰ অদৃশ্য ছাঁয়া
মৌন চহৰৰ নৈঃশব্দৰ নিচান উৰিছে
দেৱালত লিখি থোৱা আছে ‘ষ্টিক নো বিল’
অঘৰী আৱেগে তথাপি ছাপ বহুৱাই লৈছে ‘ইফচ ইট্, দ্যাট্ এভ্ৰিথিং হিল্‌ছ’।●

# নক'বাচোন তুমি আবেলিৰ বেলি বুলি

**অনুপমা শৰ্মা**

কজলা মেঘৰ
ওৰণি ফালি
নামি আহে এচেৰেঙা
কোমল ৰ'দৰ
উমাল হাঁহি!
শীতাৰ্ত দিনটো উজ্বলি উঠে
এপলকৰ এটি মাথোঁ মিঠা চাঁৱনি ।
নক'বাচোন মোক তুমি
আবেলিৰ বেলি বুলি !
বুকুৰ সমগ্ৰ উত্তাপ ঢালি
তুমিয়েতো সজাই তুলিলা
তোমাৰ আলোকৰ যাত্ৰাৰে
এই সুন্দৰ মেদিনীখনি।
অস্তাচলৰ হেঙুলীয়া আভাত
তুমি এতিয়া ক্লান্ত, পৰিশ্ৰান্ত!
জানো মই;
ক্ষন্তেক পিছতে তুমি
বুৰ মাৰি বিলীন হ'বা
মোৰ হেঁপাহৰ নদীখনতে।
প্ৰতিশ্ৰুতি দি গ'লা তুমি
এটি ৰক্তিম পুৱা হৈ
উভতি আহিম বুলি।●

# বিপ্লৱী

অচ্যুত কলিতা

তুমি বিপ্লৱী মহামান্য
সাগৰৰ গভীৰতাত ডুবি থকা এক তেজে ধোৱা কবিতা
তোমাৰ গান আমি শুনিছোঁ
চিঞৰত কলিজা ফটা স্বাধীনতাৰ সংজ্ঞা তোমাৰ অনন্য
মাতৃ মমতাৰ
মমবাতিৰ প্ৰতিজ্ঞাৰে জলন্ত
দেশ মাতৃৰ এক অদম্য সাহসী যোদ্ধা ।
ৰাজসভাত দাবী কৰিছিলা
স্বতন্ত্ৰহীন গণতন্ত্ৰৰ মৰ্য্যাদা ক'ত ?
হাতত ফুল চকুত সূৰ্য তোমাৰ
এক জ্বলন্ত অগ্নি শিখা জ্বলিছিল জীৱন শত শহস্ৰ
উদিত সূৰ্যৰ দৰে তেজাল যুৱকৰ শোভাযাত্ৰাৰ সংগী তোমাৰ
'দেশ বুলিলে আদেশ নালাগে'
আৰু তোমাক ?
কৰিলে বন্ধ্যাকৰণ
হত্যাতকৈও কঠোৰতম হত্যা
নামাংকৃত হলা এক 'পাগল'
নিৰ্বাক আজি তুমি
মৰা তেজত গজিছে নতুন চিঞৰ 'বচোৱা বচোৱা'
নহ'লে হেৰাই যাব দিন
শ্মশানত শিয়ালৰ হ'ব মহাভোজ।●

# স্তৱক

**সাধনা পাঠক**

**১**◈ হৃদয়ত মোক ৰোপণ কৰা,
উদ্ভাসিত হৈ উঠক মোৰ জীৱন ।
অটল আন্ধাৰৰ পৰা তুলি ধৰা,
বেলিফুল হৈ ফুলক সপোন !!

**২** ◈ মই সুধিলোঁ জীৱনৰ বাট কেনি ?
তেওঁ হাঁহিমাৰি
আগবঢ়াই দিয়া হাতৰ মনিবন্ধনৰ
ঘড়ীটোত তেতিয়া, গতিশীল সময়ৰ
ছন্দময় টিক্ টিক্ গতিৰ শব্দ!!

**৩**◈ **সপোন বিলাস**

পুৱাতে মোৰ চোতালত,
এজাক চৰাই
আৰু কিচিৰ্ মিচিৰ্ সংগীত লহৰ

চোতালৰ দুবৰিত মুকুতা পিন্ধা
ৰ'দ জিলমিল--কোমল ডেউকা
আনন্দৰ ক্ৰীড়াভূমি

ভাৱনাত বিভোৰ মোৰ
বৰ্ণিল সপোন
যেনিবা চনকা ডালত মোৰ ভৰি--
ডাঙৰ ভুল।

মনৰ শ্ৰেষ্ঠ অভিলাস
ডেউকা লগোৱা-- পখী
এই উৰি যাওঁ, উৰি যাওঁ
এজনী .....

নিতাল মাৰি থাকি ৰচা সপোন
চৰাই হৈ উৰি যোৱাৰ সপোন।●

# অকলশৰীয়া নহ'বলৈ

**মনীষা নাথ**

১)
শব্দবোৰৰ প্ৰয়োগ বৈষম্যত
ক্ৰোধে বাহৰ পাতে,
মহৌষধো ৰূপান্তৰত গৰল হৈ পৰে।
কোমল চেকনি বেচি উত্তাপত
বাংক ভাঁজ ধৰে,
ওলোটা ভাঁজত সময়ত যি ভংগন ৰূপ ধৰে।
ওঁঠৰ কথা ,ভৰিৰ খোজত
নাথাকিলে সচেতনতা,
কালৰ সোঁতত এদিন হয়টো অকলশৰীয়া হবা।
২)
নৈখনৰ পাৰলৈ আহিবা
ব্যস্ততাৰ পৰা ফালৰি কাটিব পাৰিলে
নৈখনৰ পাৰলৈ আহিবা,
একান্তমনে সোঁতবোৰক অনুধাবন কৰিবা আৰু
পাৰিলে অংকণ কৰিবা এখন চিত্ৰ ফটফটীয়া

আজি মই থিয় দি থকা গৰাটোতে কিন্তু ভৰি থবা ,
তেতিয়াহে বুজিবা টৌবোৰৰ ঠেকেচাত শিলে প্ৰতি ঝংকাৰিত শব্দবোৰৰ গভীৰতা,
নিৰবধি গতি যাৰ চিৰাচৰিত বৈশিষ্টতা,
অদূৰত দৃষ্টি যদিও লক্ষ্যত স্থিৰতা
প্ৰাৰম্ভিকৰ পৰা অন্তিমলৈ দৃঢ়মনা

৩)
খালী হৈ পৰা ঘৰখনৰ কথাৰে
ভৰপুৰ ঘৰখন খালি হৈ গ'লে
উচুপি উঠে চুকবোৰ,
অকস্মাৎ এক অজান বিষ
কলিজাৰ ভিতৰত......

দুখন বিচনাৰে নিকপকপীয়া কোঠাটো
উদং আজি,
সুগন্ধি কেৱল বিয়পি পৰিছে
দহোদিশ আবৰি.......
খেৰৰ নুৰাটো উমি উমি জ্বলিছে
ছাইবোৰ তাৰেই ফলশ্ৰুতিত সৰিছে.....
দুচকু কাৰোবাৰ সেন্দুৰীয়া হৈছে
নাকৰ পাহিটো ৰং চৰিছে,
শুকুলা বসনে আবুৰ ঢাকিছে....
খং -অভিমানৰ টোপোলা দলিয়াই
ধৰিত্ৰীৰ বুকুতে সজাই নিগাজীকৈ
বিদায় বিদায় চিৰদিনলৈ........।●

# শংকা আৰু অন্যান্য

অন্না দেৱী

**১) শংকা**

ক'লা তেজৰ মানুহজনে
মোলৈ ট' ট' কৈ চাইছে ,
মোৰ হাত ভৰিবোৰ
থৰ্ থৰ্কৈ কঁপিছে
যদি কেনেবাকৈ মই
উশাহ পেলাওঁ হেৰুৱাই !

শিলৰ কাঁড়বোৰ
মোৰ ফালে আগুৱাই আহিছে ,
কাঁড়ৰ আগটোত হেনো
জুই আৰু বিষ আছে
বুকু ভেদি যায় যদি !

**চ) শীতাৰ্ত আবেলিটো**

জুইকুৰা সাবটি লৈ
বহিছোঁ
শীতাৰ্ত আবেলিটো

জুইৰ উমাল
শীতৰ আবেলি
নাতি দূৰত থকা
হাবিখনৰ পৰা
মৰ্ মৰ্ শব্দ এটা
ভাঁহি আহিছে-

কাণ উনাই উমান পালোঁ
শীৰ্ণকায় দুখন হাতে
খৰি লুৰিছে ,
আকালৰ এমুঠি ভাত !●

# ভীৰু নহয় মই বীৰু

**ৰূপা সূত্ৰধৰ**

হয় ঠিকেই শুনিছে
ভীৰু নহয় মই বীৰু।

সমাজ সংস্কাৰৰ
পণ লৈ
অন্ধবিশ্বাসক
পৰিত্ৰাণ কৰি
আজি অতীন্দ্ৰিয়
প্ৰহৰী মই বীৰু।

কৰিবলৈ যে আছে বহু কাম বাকী.....।
এৰা !
শৰীৰটোৱে নিদিয়া হ'ল
লগৰী

তথাপি নেদেখাজনৰ প্ৰতি
বিশ্বাস
মিছ্ন বীৰুবালা কৰি যাম
প্ৰত্যাহবানৰ আজীৱন প্ৰয়াস।●

## খোজ

**পংকজা দাস**

নগ্ন দেহাটোৰে তাৰ বয়স কিমান ধৰিব নোৱাৰিলোঁ
ক্ষুধাৰ অগনিয়ে পোৰা দেহৰ শ্ৰীবৃদ্ধি--বয়সৰ সমানে নহয়
সিহঁতে নাজানে
সুষম বা পুষ্টিদায়ক দুবেলা দুসাঁজ কি
তাক মই দেখা পাওঁ ৰাতিপুৱা খোজ কাঢ়োতে
সি খোজ কঢ়াটোতকৈ ডাঙৰ লগৰীয়াৰ সৈতে
বৰ মৰম লগা পখিলা খেদা খোজ
পেলনীয়া জাৱৰৰ দুৰ্গন্ধ পুৰ্তিৰ মাজত আশাবোৰ খুচৰি
জীয়াই থকাৰ সংগ্ৰামৰ খোজ
ঠাণ্ডা গৰম বা লাজে
তাৰ খোজক বাধা দিব নোৱাৰে
ক্ৰমশঃ তাৰ খোজ আগবাঢ়ে
নলা-নৰ্দমা আৰু ঠেলাৰ পিছে পিছে।●

# এপলক যাযাবৰী চাৱনি

শ্বাহিদ ইছলাম

সেই কেৰাহিকৈ চোৱা এপলক যাযাবৰী চাৱনিত
যেন লিৰিকি বিদাৰি সামৰি থওঁ
দিনটোৰ কাঁইটীয়া ভাগৰ
হেজাৰ সমস্যাৰ কৌৰৱে
মোৰ জীৱন নামৰ দ্ৰৌপদীক নগ্ন কৰিলেও
তোৰ মিচিকীয়া হাঁহিৰ চাদৰে
পুৰাতন স্বপ্নৰ সতীত্ব ৰক্ষা কৰে
কৰ্ম ব্যস্ততাৰ বতাহে খহায় লিপষ্টিকৰ পেইণ্টিং
তথাপি দুচকুত তোৰ চৰাই হোৱাৰ ডে’ ড্ৰীমিং
স্ক্ৰীনত ৰৈ থকা ক্লান্ত দুচকুৰ
কজলা ৰেণু হেৰালেও কথা নাই; সোণাই
বিদ্যা শপত

বিচাৰি যাম তোৰ অসংযত কেঁকোৰা চুলিৰ স্তৱক--
তোলৈ চালেই এন্ধাৰুৱা দুখো হয় নিখোঁজ পলাতক
ক’লেই জানো বুজি পাবি --
তোৰ শাৰীৰ ৰং নীলা বাবেই মই আকাশ ভাল পাওঁ
তোৰ সুগন্ধিৰ ঢং মতলীয়া বাবেই মই বতাহ ভাল পাওঁ
নাজানো কি স্বপ্নৰ পাহৰণিত
সেউজীয়া সপোনবোৰ ফাগুনী হৈ শুকায়
নাজানো কি মাতৰ শুনানিত
পথাৰৰ সোণগুটি আঘোণী হৈ চপায়

নাজানো কি ফুলৰ জিৰণিত
উভতনি গীতবোৰে মৌমাখি হৈ গুনগুনায়
নাজানো কি প্ৰাপ্তিৰ বেমেজালিত
মোৰ দুচকু তোলৈ বাৰে পতি চাই পঠিয়ায়
এফালে কী-বোৰ্ডৰ মজিয়াত তোৰ ভাৰাক্ৰান্ত আঙুলি
আনফালে ঢলি পৰা হালধীয়া সাজৰ আবেলি
কমলাৰঙী হৈ চিকুনায় তোৰ ঘৰ্মাক্ত নাকৰ ধেমালি

নীলা ডায়েৰীখনত কৰ্মদিনৰ দিনলিপি লিখি
ঘৰমুৰা বাটৰ লৌহ দলংখনত গুজি থৈ যাবি।●

## প্ৰেম অপ্ৰেম

**ওৱাসিফ আলী**

মোৰ হৃদয়ৰ আকাশত নামি আহে
বিচ্ছেদৰ কজলা  ডাৱৰ ,
দিকভ্ৰান্ত যাযাবৰ মই
ঘূৰি ফুৰোঁ স্মৃতিৰ অলিয়ে গলিয়ে,
গতি বেগ তীব্ৰ
পূৰ্ণতাৰ পৰা অপূৰ্ণতালৈ,
প্ৰেমৰ পৰা অপ্ৰেমলৈ

মহানগৰীৰ ব্যস্ত ৰাজপথত
চিন্ন-ভিন্ন হয়
যৌৱনৰ সপোনবোৰ
নিৰুদ্দিষ্ট শৈশৱৰ গাঁৱখনো

তীব্ৰ বেগী যাত্ৰাত--পৰিৱৰ্তিত ৰূপ
মানুহৰ পৰা যন্ত্ৰলৈ
ভীৰৰ পৰা নিসংগতালৈ।●

## সংগ্ৰাম

চিত্ৰা কলিতা মেধি

সময়ৰ চাকনৈয়াত
বিধৌত মানুহৰ জীৱন।

পোৱা-নোপোৱাৰ দোমোজাত ককবকাই জাহ-যায়
মানব সভ্যতা-
ময়ুৰপংখী জীৱন ডিঙা
তুচ্ছ প্ৰাত্যহিকতাৰ একমাত্ৰ
ভৰষা-- আশা।

পোহৰৰ বাট দিগন্তৰ সীমনালৈ
জোনাকৰ জোনালী লৈ
পিছে--- অদৃশ্য দানৱে
ধৰি-বান্ধি চোচৰাই লৈ যায়
এন্ধাৰলৈ, একো দেখা নোপোৱা এন্ধাৰ।

জীৱনৰ যুঁজ
জীয়াই থকাৰ
জীৱন কচুপাতৰ পানী জলক-তবকৈ থকা
পানীৰ টোপালবোৰৰ দৰেই।

জন্ম আৰু মৃত্যুৰ
মাজডোখৰতেই আশাক

দৃশ্যমান ৰূপত সজায়
দিবাস্বপ্নৰ  বালিঘৰ।
মায়াত বন্দী জীৱনে
মাতাল পৃথিৱীখন ধৰি ৰাখিবলৈ
নিজৰ সুৰক্ষাৰ বাবে
অহৰহ সংগ্ৰাম--চিৰদিন চিৰকাল।●

# অনুভৱৰ এক পাহাৰ

**অনিমা পাটগিৰি নাথ**

মৌনতাৰ চাদৰেৰে
উঠন বকু ঢাকিবলৈ
জাৰণিক সাৰটি
নিঠৰ হৰিণীৰ দৰে ৰৈ থকা পাহাৰবোৰ
যেন কোনো প্ৰেমিক যুৱতীৰ প্ৰতিমূৰ্তি
সদাব্যস্তময় একা-বেঁকা তাইৰ লাহীদেহৰ ভাঁজে ভাঁজে
পাৰ হৈ যোৱা পথটি
কোনো এক আবেলি
চাই ৰোৱা
ডুবিব খোজা বেলিটিৰ অপূৰ্ব ৰেঙনি
সৰগৰ অস্পৰাৰ হাঁহি
বুৰঞ্জীক সাৱটি
আঁতৰৰ লুইতত ডুবমাৰি বেলিটিয়ে
গা-ধোৱা,
মুকুতাৰ মালা পিন্ধা সদ্যস্নাতা যুৱতীৰ বুকু--
সাৱটি শুই থকা শিলবোৰ
বিচ্ছিন্নতাবাদীৰ নিষ্ঠুৰ আঘাত  পাহাৰৰ শিল কাটি টুকুৰা টুকুৰ কৰা
বেদনাবিধুৰ পৰতো
পাহাৰ--নিমাত নিতাল
বহু  আকাশলংঘী মানুহৰ বৰ্বৰতাৰ সাক্ষী
অজস্ৰ মানুহৰ কোলাহোলক নেওচি-- জীৱন দায়িনী তাই
প্ৰকৃতিৰ নিঠৰ হৰিণী।●

# সূৰুযমুখী হাঁহি

**জেছমিন চুলতানা**

কুঁৱলীৰ মায়া ফালি ওলাই অহা নদীৰ দৰে
মনৰ পবিত্ৰ গহনত য'ত বাস কৰিছিল
অৰ্দ্ধ প্ৰস্ফুতিত গোলাপৰ গোন্ধৰে চিৰ প্ৰবাহিত প্ৰেমৰ নিজৰা
পুৰণি ৰঙা জবাৰ দৰে লেৰেলি যোৱা নাই
প্ৰেম যে চিৰ তৰুণ এক জিৰণী বিহীন যাত্ৰী
সময়ৰ দীঘলীয়া বাট
তেজৰঙী সূৰুয প্ৰান্তত উশাহৰ দূৰলৈ
শান্তিৰ ছায়াময়া ছাঁ
জীৱন মানেইতো জীয়াই থকাৰ মাদকতা
আহ! কি নিশ্চিত প্ৰশান্তি
জীৱন যে এক সূৰুযমুখী হাঁহি।●

## শীতৰ শেমেকা ৰাতি

**অঞ্জলি শৰ্মা**

শীতৰ শেমেকা ৰাতি
জুইকুৰাৰ কাষলৈ গৈছিলোঁ আগবাঢ়ি
দেখিলোঁ দুখন হাত
যেন দুডাল কাঠ-খৰি।
ক'লা মুখৰ ফাঁকেৰে
জিলিকিছে ঢক্ ঢকীয়া দাঁত
শীতৰ ৰাতি ঘামি গ'লোঁ মই
কংকালটোৰেচোন মোকেই মাতিছে
শুনিলোঁ চিঁ-চিঁয়া মাত
'নকৰিবা ভয়
আমিও মানুহ
জীয়াই আছোঁ
এই পৃথিৱীত
এমুঠি খাদ্যৰ বাবে।'●

## এটি কবিতাৰ অনন্ত প্ৰতীক্ষাত

### দীপিকা হাজোৰাৰী

তুমি সুধিছা মই কেনে আছোঁ!
মোৰ উত্তৰ-
'মই জীয়াই আছোঁ'
মই ক'লোঁ
তোমাৰ এটি শব্দই মোৰ কবিতা
যাৰ বাবেই স্থাপন কৰিছোঁ সহমৰ্মিতা
মোৰ স্বাৰ্থ
এটি কবিতাৰ জন্ম হওক
প্ৰতিটো ঋতুই স্পৰ্শ কৰক ভাৱৰ গহীনতা
শেৱালীৰ দৰে সুবাস বিয়পি পৰক বসুন্ধৰাত
মাথোঁ এটি শব্দৰ বাবে মই বুভুক্ষা
তুমি সুধিছা! মই কেনে আছোঁ
মোৰ উত্তৰ, 'মই জীয়াই আছোঁ'
এটি শব্দৰ অনন্ত প্ৰতীক্ষাত!●

# সান্নিধ্য

**ড০ কুশল হাজৰিকা**

তুমি সভ্যতাৰ পুৰণি বন্ধু
তোমাৰ বাবেই প্ৰলুব্ধ দুপৰীয়াই
বাট চায় মদালসা গধূলিলৈ
আৰু গধূলিয়ে গাভৰু পুৱালৈ।
সোণৰ হৰিণৰ মায়াবী স্পৃহাই
মহাসতী সীতাক জোৰ কৰি
তুলি দিছিল
দুষ্ট ৰাৱণৰ বাসনাৰ ৰথত
আৰু তোমাৰ বাবেই এদিন
থনথনকৈ খহি পৰিছিল
লংকাৰ সোণৰ টুকুৰা।
এদিন অতিপ্ৰাকৃতিক
ৰাসায়নিক কেটেলিষ্টৰ দৰে
সভ্যতাৰ ভঙা-গঢ়া
কামত তুমি
লিপ্ত অবিৰত।
মেনকাৰ পাখিলগা সৌন্দৰ্য
মোহভংগ ঋষিৰ বীৰ্যত
আৱদ্ধ কৰি তুমি গঢ়িছিলা ‘মহাভাৰত’ৰ
অংকুৰ।
বিয়েট্ৰিছৰ সান্নিধ্যই
ডাণ্টেক দিছিল ‘ডিভাইন কমেডি’ৰ মহাসম্ভাৰ।
মাধৱদেৱেও এখন এখনকৈ
খুলি পেলাইছিল আদৰ্শৰ
পুৰাতন বসন

মহাপুৰুষজনাৰ কাষত বহি।
বৈৰাগী ব্ৰহ্মা নাৰদৰ
নিঃস্ব সম্পদ
কমণ্ডলুটোকে কাঢ়ি নিবলৈ গৈ
থমকি ৰ'ল চিৰদিনলৈ দস্যু ৰত্নাকৰ।
উঁই হাঁফলুত জন্ম হ'ল
প্ৰাতঃস্মৰ বাল্মিকীৰ।
প্ৰজ্ঞা আৰু অনুসন্ধিৎসাৰ
মিলনাকাংক্ষাৰ পূৰ্ণতা দিবলৈ
যুগে যুগে তুমি
কাম কৰিছা মানুহৰ বাবে
বুজাব পৰা আৰু বুজিব বিচৰা
মানুহৰ সৃষ্টি কৰি
হে সান্নিধ্য
তুমি গঢ় দিয়া
এনে এক হৃদয় সম্ভাৰ
য'ত উদ্ভাসিত হ'ব মানৱতাৰ নিৰ্লোভ প্ৰেম
সভ্যতাৰ স্বৰ্গীয় প্ৰকাশ।●

# শিক্ষক

জাহ্নুদেৰ কলিতা

আমাৰ প্ৰত্যেকৰে ভিতৰত একোজন
শিক্ষক আছে। যেনেদৰে থাকে গড ইশ্বৰ আল্লা
আমি ভুল কৰিলেই বিবেকৰ এছাৰি লৈ আমালৈ
চোঁচা লয়। যেনেদৰে আয়ে পিতিছিল, পিতায়ে খেদিছিল

বদনামী শিক্ষকৰ দৰেই শুই থাকে আমাৰ ভিতৰৰ
শিক্ষকজন, নীৰৱে
বদনামী শিক্ষকে মেজত টোপনিয়ায় অৱহেলাত
বদনামী শিক্ষকে টোপনিয়ায় শিষ্যৰ সমুখত
আমাৰ শিক্ষকে টোপনিয়ায় বদনামী শিষ্যৰ কৰ্ম যন্ত্ৰণাত
বদনামী শিক্ষকক জগাবলৈ আমি দৌৰোঁ, মিডিয়া দৌৰে
ব্ৰেকিং নিউজ হয় শ্ৰেণীকোঠাত। আমাৰ শিক্ষক
জাগিলে ইতিহাস হয়। প্ৰতিবাদ হয় অন্যায়ৰ বিৰুদ্ধে।
দেশ জাগি উঠে। জাগি উঠোঁ আমি।
জোৰ সমদল উলিয়াই অনশনত বহোঁ নিৰ্যাতিতৰ পক্ষত
ব্ৰেকিং নিউজ হয় শিষ্যৰ সফলতা, দেশৰ ভৱিষ্যত।
আমাৰ শিক্ষক জাগিলে ককাই বৃদ্ধ পেঞ্চনৰ বাবে বাটি কাঢ়িব নালাগে
আইতা হিতাধিকাৰীৰ লিষ্টত সোমাব নালাগে,
পুত্ৰ জীৰ চাকৰিৰ বাবে ভেটি বেচিব নালাগে পিতাই,
বেচিব নালাগে আইৰ হাতৰ খাৰু।

আমাৰ প্ৰত্যেকৰে ভিতৰত একোজন

শিক্ষক আছে। যেনেদৰে থাকে গড ইশ্বৰ আল্লা।

তেওঁ জাগিলে দেশ জাগে। জাতি জাগে।
ৰজাঘৰীয়াই সলাবলগীয়া হয় নীতি
আঙুলিৰ মূৰত গণিব পৰা হয় বৃদ্ধাশ্ৰম।●

# কবিতা লিখাৰ কথকতা

## *তুৰা আৰু তুৰাৰ ভিন্ন গোষ্ঠীৰ সাহিত্যিক*

**ড০ পৰিতোষ চক্ৰৱৰ্ত্তী**

অলপ কথাৰে...

মেঘালয় ৰাজ্যৰ অন্তৰ্গত শৈলনগৰী তুৰা চহৰ পশ্চিম গাৰোপাহাৰ জিলাৰ সদৰ ঠাই। জীৱনৰ ভালেমান সময় আমাৰ এইখন চহৰতে অতিবাহিত হৈছে। এই বিষয়ক আমি ভিন্ন সময়ত ভিন্ন স্থানত বহুত কথা কৈ আহিছোঁ। তুৰাক বাদ দিলে আমাৰ জীৱনৰ বহুতবোৰ সঁচা কৰবাত কবৰ দিয়াৰ দৰে হ'ব।

বৰ্তমান গাৰোপাহাৰ মুঠতে পাচখন জিলালৈ সম্প্ৰসাৰণ ঘটোৱা হৈছে। যদিও সৌ সিদিনালৈকে মাত্ৰ এখন জিলা আছিল। তুৰা শৃঙ্গৰ গাতে আউজি তুৰা চহৰৰ প্ৰাকৃতিক শোভাই ভাৰতীয় তথা বিদেশী পৰ্য্যটকৰ মন-প্ৰাণ টানি লৈ যোৱা কথাটোৰ বাবে আজিও তেওঁলোকৰ বাবে আকৰ্ষণৰ মূলাধাৰ হৈ আছে। সেয়ে মুখ্য অভিযন্তাৰ চাকৰি সূত্ৰে একালত তুৰাত থকা শ্ৰদ্ধাৰ ৰমণীমোহন শৰ্মা ছাৰে এঠাইত কৈছে, 'স্মৃতি ৰোমন্থন মানুহৰ স্বভাৱজাত, তাতে যদি স্মৃতিবোৰ ৰমণীয়-কমনীয় মন-পৰশা মাধূৰ্য্যৰে পূৰ্ণ ৰূপ লাভ কৰে--- তেনেহ'লে সেইবোৰে মনৰ পৰ্দাত লুকাভাকু খেলে, মন নাচি উঠে এৰা-বাটৰ সুৰে সুৰে। গগনচুম্বী লানি নিচিগা সেউজ পাহাৰৰ মালা এই গাৰোপাহাৰ--য'ত ললিত লৱঙ্গ-লতাৰ আলিঙ্গনে মলয়া সু-শীতল, সু-কোমল কৰে, য'ত বৰষাৰ কলীয়া ডাৱৰে বাৰে-প্ৰতি অভিমান কৰে, দিনৰ পাছত দিন, মাহৰ পাছত মাহ ধৰি ৰবি কিৰণ ধৰালৈ নাহে, য'ত ফাগুনৰ চঞ্চল পচোৱাই কঢ়িয়াই অনা মৰ্মৰ ধ্বনিয়ে ব'হাগ বিহুৰ বতৰা দিয়ে, নতুন সৃষ্টিৰ আগজাননী দিয়ে, ভিন্ন প্ৰজাতিৰ অৰকিড ফুলে,পাৰবুজুম ফুলে, বহু যুগৰ সাক্ষী ছিমছাঙ, গানল, বুগাই, চিবিনাঙ, লোকাই, ভোগাই, নিতাই, কৃষ্ণাইৰ (গাৰোপাহাৰৰ নদীৰ নাম) জলৰাশিয়ে যাৰ বুকু নিকা কৰে সৰ্বাঙ্গ সুন্দৰ সৰ্বত্ৰ, প্ৰাচুৰ্য্যৰে ভৰপূৰ

সেই গাৰোপাহাৰ কোনে পাহৰিব পাৰে।'

Tura in the Nineteenth Century- গ্ৰন্থখনত উত্তৰ পূৰ্বাঞ্চল পাৰ্বত্য বিশ্ববিদ্যালয়ৰ তুৰা চৌহদৰ ভাইচ্ চেঞ্চেলৰ ড০ মিল্টন এচ সাংমা ছাৰে কৈছে, “ভাৰতৰ অন্যান্য কিছুমান চহৰ-নগৰ কলিকতা, আইজল, ছিলঙ ইত্যাদি ঠাইবোৰৰ দৰে ব্ৰিটিছ চৰকাৰে কেৱল প্ৰশাসনিক কামত সহায় হোৱাকৈ তুৰা চহৰখন গঢ়ি তুলিছিল। বৃটিছ চৰকাৰে গঢ়ি তোলা চহৰখনৰ নামকৰণ কৰা হৈছিল-'তুৰা' - ইয়াৰ গাতেই লাগি থকা 'তুৰা শৃংঙ্গ'ৰ নামটোৰ আলমতে। আন এটা সূত্ৰ অনুসৰি 'ডুৰামা দেৱী'ৰ নামৰ পৰা তুৰা নামটো আহিছে হেনো। তুৰা চৰকাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ তথা মেঘালয় বোৰ্ড অৰ স্কুল এডুকেশ্যনৰ সচিব লিন্দ্ৰিড ডি ছিৰাই এটা লেখাত লিখিছে- The year 1867 has been the most eventful one in the history of Garo-Hills. Firstly it was on April 14th, 1867 that the first Church was organised at Rajashimla, (near Daranggiri,Assam)in north-eastern corner of the present East-Garo hills, which had laid a strong foundation for the spread of Christianity among the Garos. Tura was established as a station town in December, 1867. In fact it was these two important historical event which had ushered in a silent revolution in which socio-cultural life of the Garos resulting in the transition of the old order To the new era of modernisation. (মেঘশ্ৰী, স্মৃতিগ্ৰন্থ, তুৰা ৰঙালী বিহু সন্মিলনী--১৯৯৯)।

গাৰোপাহাৰৰ সুউচ্চ পাহাৰ-শৃঙ্গ, বিশাল অৰণ্য, জীৱ-জন্তু, লাস্যময়ী স্ৰোতস্বিনী ছিমছাঙ, গানল,বুগাই ইত্যাদি নদীবোৰ আৰু বিৰাটাকাৰৰ প্ৰস্তৰখণ্ডই যেন গাৰোপাহাৰ আৰু ইয়াৰ বিভিন্ন জনগোষ্ঠীয় লোক গাৰো, হাজং, কোচ, ডালু, ৰাভা, বড়ো, বানাই, মান ইত্যাদি লোকসকলৰ প্ৰাচীনতম ইতিহাসকে বুজায়। আনকি ইয়াৰ অলিখিত ইতিহাসো লুকাই-লুকাই আছে আদিবাসী লোকসকলৰ নিজৰ ভাষা বা দোৱানসমূহৰ মাজতেই- 'Their language is their history' (W. Carey, The Jungle book, p. 2) ভূ-তাত্বিক আৰু ভাষাবিদসকলৰ গৱেষণাৰ আঁৰ ফালি এদিন এই জনজাতীয় লোকসকলৰ এক মহান ইতিহাস ওলাই নপৰিব, তাৰ কোনো নিশ্চয়তা নাই--এনেদৰে অনুমান কৰা হৈছিল তালায়পাৰ আলোচনীৰ সম্পাদকীয় পৃষ্ঠাত,১৯৮৮ চন।

ডেৰশ বছৰো অধিক প্ৰায় ১৫৫ বছৰীয়া তুৰা চহৰ আৰু সামগ্ৰিক ভাৱে গাৰোপাহাৰৰ ভালেমান বিশিষ্ট লোকৰ সাহিত্যিক অৱদানৰ কথাবোৰ বৰ্তমান সময়ত এক গৌৰৱোজ্জ্বল ঘটনা, যিবোৰ এতিয়াও ভালদৰে পোহৰলৈ ওলাই অহা নাই। উদাহৰণ স্বৰূপে আজিৰ পৰা প্ৰায় ছাপৰন্ন (৫৬) বছৰৰ আগেয়ে গুৱাহাটীৰ কটন মহাবিদ্যালয়ৰ স্নাতক দেৱান সিঙ ৰংমুঠুৰ দুখন মূল্যৱান গ্ৰন্থ ইংৰাজী ভাষাত ক্ৰমে-- The Folk-Tales of the Garos আৰু The Epic Lore of the Garos 1966 আৰু১৯৬৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰদ্বাৰা প্ৰকাশ পাইছিল যদিও আমি জনাত এই দুখন মূল্যৱান গ্ৰন্থৰ দ্বিতীয় প্ৰকাশৰ মুখ দেখা নাই। অথচ বিচাৰি ফুৰিলেও কিতাপদুখন বজাৰত পাবলৈ নাই। মুঠতে ৩৯২ পৃষ্ঠাৰ বৃহৎ কলেৱৰৰ The File Tales of the Garos গ্ৰন্থখনত ৯০ টা গাৰো লোককথা সন্নিৱিষ্ট কৰা আছে। তেনেদৰ ১৬০ পৃষ্ঠাত লিখা The Epic Lore of the Garos কিতাপখন মুঠতে পাঁচটা অধ্যায়েৰে এখন মনোৰম গ্ৰন্থ। মিহিৰ এন সাংমা, মিল্টন এ সাংমা, জুলিয়াচ এল আৰ মাৰাক, কেৰোলিন আৰ মাৰাক কোচসকলৰ অৱনাথ কোচ, শিৱেন্দ্ৰনাৰায়ণ কোচ, খলীন কোচ, হাজংসকলৰ বীৰেন হাজং, লক্ষ্মীন্দৰ হাজং, পৰেশ হাজং এখেতসকলৰ সাহিত্যৰ অৱদান লিখিবলৈ কেবাখনো গ্ৰন্থ হ'বগৈ।

আমাৰ আজিৰ কবিতা লিখাৰ কথকতা এনেকুৱা পটভূমিত সজাবলৈ প্ৰয়াস কৰিছোঁ।

**১) অপৰিৱৰ্তিত প্ৰকৃতি ঃ**

কেতিয়াবা নীৰৱতাৰ সময়বোৰ হেৰুৱাই পেলাওঁ--
গাৰোপাহাৰৰ অখ্যাতজনৰ শব্দেৰে বৰ্ণিত--
জোনৰ দ'ৰে ৰাংগিৰা পাহাৰৰ সেউজীয়া বৰ্ণনাৰ মাজত ডুব দি--
নিঃসংগতাৰ সেউজীয়াখিনিলৈ খোজ কাঢ়ি গানলৰ পাৰে পাৰে--
গানলৰ পানীৰ খিলখিলনি--
ৰাংগিৰা পৰিৱৰ্তন হোৱা নাই
কিমান শীত-বসন্ত-বৰ্ষা অতিক্ৰমিছে আৰু অতিক্ৰমিছে
একেই আছে,
গানলে ৰাংগিৰাৰ চৰণ ধুৱাই আহিছে,

বছৰৰ পাছত বছৰ ধৰি।
ইমান নিৰ্জনতা ইয়াত
গানলপৰীয়া বাটত এতিয়া কেৱল মই।
মেট্ৰাৰাঙ (গাৰো গাভৰুৰ জাক) আহিব বা নাহিব পানীঘাটলৈ--
কাষতে কলসী লৈ
ৰাধা যায় নৈ ঘাটলৈ--
লোলুপ দৃষ্টি মোৰ।

**২) মনত পৰে তেওঁলোককঃ**

হয়, অখ্যাতজন কোন
দেৱান সিঙ ৰঙমুঠু নে
মিহিৰ সাংমা
বীৰেণ হাজঙ নে লক্ষ্মীন্দৰ হাজঙ
নে হ'ব পাৰে অৰনাথ কোচ নাইবা শিৰেন্দ্ৰনাৰায়ণ কোচ
বহুত লোককথা আৰু গৱেষণাৰ মন্ত্ৰদাতা কিম্বা
জনগোষ্ঠীয় পাঠ্যক্ৰম অধ্যয়নৰ পথ প্ৰদৰ্শক
বহুত শ্ৰদ্ধাভাজন আমাৰ--
অথচ কোনেও নাজানে অসম মুলুকত,
জনাৰ আগ্ৰহ নাই।
গানলৰ পাৰে পাৰে আগুৱাই গৈছোঁ--
ক'ব নোৱাৰাকৈ পাৰবুজুম ফুলৰ
সুবাস লাগে যদি--
ফুলৰ ঠোপা ক'ৰবাত কিবা প্ৰকাৰে দৃশ্যমান হয় যদি --
মেমাঙখ'কচিৰ ওচৰ চাপিব পাৰিমনে--অন্তহীন কৌতূহল--পাহাৰৰ মাজেৰে
লুঙলুঙীয়াবাট, পাহাৰৰ শিল, জলপ্ৰপাত
ক'ত আছে- মেমাঙখ'কচি
গোটেই বাটছোৱাত
বিস্মৃতিৰ লাজুকীলতা আৰু পাহাৰৰ নাম নজনা লতা।

ঠিক এনেকৈয়ে মই
গানল-ৰাংগিৰাৰ মুখামুখি হৈছোঁ পাহৰি গৈছো--নিজৰ অস্তিত্ব।
শেষ নোহোৱা এই কষ্টকৰ পথত বিচাৰি বিচাৰি বহুত
আপোনজনক ক'ৰবাত এৰি থৈ আহিছো।

**৩) অন্যান্য চিন্তাঃ**

সংখ্যাবোৰ আপোনাৰ ইমানেই প্ৰিয় হ'ল যে
যোগ-বিয়োগ পূৰণ-হৰণৰ সাঁথৰবোৰে আপোনাক
ক্ৰমাৎ এটা শূন্যলৈ ৰূপান্তৰিত কৰি আনিছিল কেতিয়াবাই ।
সম্ভৱতঃ
আপুনি জীৱনক  ইমানেই ভাল পালে যে
সোণৰ প্ৰকোষ্ঠ এটাত দিনবোৰ সজাই থাকোঁতেই
মাহ-বছৰবোৰ পাৰ হৈ গৈছিল আৰু
আপুনি কেতিয়াও জীয়াই থকাই নাছিল ।

তেওঁলোকৰ ধাৰণা
আমি ঢুকি পাব পৰা নহয়
অপৰিশীলিত,অপৰিক্ষীত জীৱন
যাপনৰ বাবে যোগ্য জীৱন নহয় বাবেই
পাহাৰৰ তলীত, নিজৰাৰ দাতিত ইতিহাস সৃষ্টি কৰিব পাৰিছে।
আচৰিত কথা, ইমানখিনি কৰাৰ পাছতো তেওঁলোকে কৈছিল--
আমি আমাৰ ভিতৰত থকা মানুহজনৰদ্বাৰা বাৰুকৈয়ে তিৰষ্কৃত।
এতিয়া ইয়াত তেওঁলোকৰ কাম-কাজবোৰ চাবলৈও কোনো এজন নাই।
সঁচা কথাটো হৈছে--
ৰংমুঠু নাইবা যি কোনো এজনৰ
সাহিত্য-সংস্কৃতি অধ্যয়ন কৰিলে দেখোঁ---
তেওঁলোকে বিন্দুৰ পৰা সিন্ধুলৈ
যোৱাৰ পথ মসৃণ কৰি ৰাখিছে।

আমি চাব জনা নাই--
ৰচনাৰ আংগিক, শৈলী, চৰিত্ৰ-সৃষ্টি, সংস্কৃতিৰ উপাদানৰ তালিকা ইত্যাদিৰ ক্ষেত্ৰত
তেওঁলোকৰ সমুখত কি আছিল
কোনোবাজনৰদ্বাৰা প্ৰভাৱান্বিত
হোৱা কিম্বা অনুসৰণ-অনুকৰণ
কৰাৰ চেষ্টা ?
মোলায়েম আৰু মাৰ্জিত ভাষাত সমালোচনা কৰিছে- দেখা নাই।
তিৰষ্কৃত কৰিব পাৰে।
পৰিতাপৰ বিষয়।
তেওঁলোকে আশা কৰিছিল--
সকলোৱে অন্ততঃ গাৰোপাহাৰৰ হাবিয়ে-বননিয়ে
নিৰলা পৰত গোৱা গীতবোৰ শুনিব
গীতেৰে জনোৱা আহ্বান গ্ৰহণ কৰিব--
ছিমছাঙ-গানল নৈৰ ভাঁজত--
তুৰা-আৰবেলা পাহাৰৰ দাঁতিত
অলপ সময়ৰ বাবে হ'লেও থমকি ৰব---
আধুনিক সময়ৰ আধুনিক তথা কৃত্ৰিমতা দলিয়াই পেলাই
প্ৰফুল্লতাৰে ভৰি পৰা--
মনৰ বতৰা মানুহৰ মাজত বিচৰণ কৰি বিলাই দিব--
গাৰোপাহাৰৰ ইতিহাস আৰু প্ৰকৃতি, ভৌগোলিক পৰিসীমাৰ উমান দিব।

**৪) নষ্টালজিয়া ঃ**

অৰ ছাৰ আৰু অৰ ছাৰৰ কবিতাৰ প্ৰসঙ্গৰে
এদিন কোচ খুড়াই কবিতা গাই আমাক শুনাইছিল--
গানলৰ পানীৰে গা শীতলোৱা,
দাৰোৰ পাৰত বহি  লিখা  কবিতাত
পাহাৰীয়া মেট্ৰাৱাঙ 'গাভৰু'ৰ আঁচল উৰে-

পাহাৰৰ মাজত লুকাভাকু খেলা মেঘৰ  আঁৰত, নিচান উৰাৰ দৰে
গুপুত নিয়ৰৰ কণা-
লংঠায় ৰায়ৰ আশীৰ্বাদ--
বৰষুণ আৰু বৰষুণেৰে জীপাল সিহঁতৰ মনত--
আনন্দই নধৰে হিয়া।
শৰীৰ-মন উগুল-থুগুল বিৰাট উদুলি-মুদুলি
উৰুলি আৰু উৰুলি শষ নোহোৱা উৰুলি--
হাড়িগাঁৱত ৰজনজনায়।

গাৰো গাভৰুৰ দেহৰ ভাজত
কোনে কয়, সেয়া ঘাম।
তেনেকৈ চালে বাসনা জাগিবই
চগা হে শেষ হোৱা জীৱন
বহুত সপোনৰ সমাপ্তি ঘটে।

পাহাৰীয়া সেউজীয়া কোমল
আৰু কোমল--
পাতৰ বিৱৰ্তন লেবৰেটৰীত চোৱাৰ দৰেই কাম।
বহুত পুথি অধ্যয়ন
তথাপি অসন্তুষ্ট।
আচলতে ভয় লগা, দেওলগা এন্ধাৰ সাৰটি লৈছোঁ
লজিকৰ ফেলাচি অধ্যায়ত
অন্য অনুষঙ্গ।
বহুত দুখ আমাৰ, মানি চলিছো
দুখবোৰ সহিছো
সেউজীয়াবোৰ-- হালধীয়া বৰণ হোৱাৰ  সন্ধানত।
অন্তৰত মহত্ত্বৰ জীৱনতৃষা
সুখী হ'বলৈ! সেউজীয়াবোৰক ধৰি ৰাখিবলৈ--
গৱেষণা বুলিলেও বুলিব পাৰা
উচ্চতম জীৱনচৰ্য্যাৰ সম্ভাৱনাৰ উমান পাবলৈ

জীৱনক আগুৱাই লৈ যাবলৈ
আমাৰ পাহাৰীয়া মানুহৰ
এটি-দুটি খোজ-- ।

গাৰোপাহাৰৰ শিক্ষিত যুৱক-যুৱতীসকলে সঙ্কীৰ্ণ
আৰু তুচ্ছ প্ৰাত্যহিকতাৰ পৰিৱৰ্তে
জ্ঞান-বিজ্ঞানৰ পূজাৰী হ'ব, মানৱতাৰ সমৰ্থনত ওলাই আহিব।
পূৰ্ব-পুৰুষৰ মহান স্বপ্নৰ বাস্তৱ ৰূপদান দিবলৈ শ্ৰম কৰিব।
গাৰোপাহাৰৰ ৰূপ-বন্দনাৰে
মুখৰিত কৰি তুলিব।
গুণীসকলোৱে আমাৰ ঠাই গুণৰ-ৰূপৰ আকৰ কৰিব।
সকলোৰে দৃশ্যমান হোৱাকৈ পূৰ্বপুৰুষৰ লগতে আমিও বন্তি জ্বলাই ৰাখিম--
যাৰ আলোকেৰে সকলো উজ্জ্বল হৈ পৰিব--
এয়া ৰংমুঠু, মিহিৰ সাংমা, বীৰেন হাজং, শিৱেন্দ্ৰনাৰায়ণ, অৱনাথ কোচ, লক্ষ্মীন্দৰ হাজং সকলোৱে আন্তৰিকতাৰে আশা কৰিছিল।

গৱেষণা পত্ৰত অৱতাৰণিকা নাইবা গৱেষণাৰ বিষয়বস্তুৰ অন্তৰ্ভুক্ত কৰিছিল।
এতিয়া ভাৱিলেও ভাল লাগে।

**৫) সামৰণিঃ**

গাবলৈ মন যায়--
জোনসৰা বাটৰ উপাখ্যান তুমি শুনাইছিলা--
একপ্ৰকাৰ শব্দৰ ঝঙ্কাৰ-ধ্বনি
কণ্ঠস্বৰ নিজৰাৰ গতি
পাহাৰীয়া গছৰ পাত
ভূমিকা- বাদ্যযন্ত্ৰী

পাহাৰীয়া নিজৰাৰ পানী,

গছৰ পাত--
কি যে বৰ্ণাঢ্য মুৰ্চ্ছনা
বিৰাট নীৰৱতা
মুখৰ হৈ পৰে---
শাব্দিক সংগীত সুৰেৰে
হ'ব লাগিছিল,
হ'লে ভাল আছিল
যেনিবা  উজ্জ্বল ৰঙৰ ফুল এটা।
তেওঁলোকে সপোনত দেখিছিল উজ্জ্বল ৰঙৰ ফুল এটা।●